মহাভাৰতৰ দ্বিতীয় ধাৰা

# ভাৰতীয় কাহিনী

দ্বিতীয় ভাগ

শ্ৰীমহেন্দ্ৰ নাথ ভট্টাচাৰ্য্য

প্ৰকাশক
শ্ৰীমহেন্দ্ৰ নাথ ভট্টাচাৰ্য্য
নবগিৰি, গুৱাহাটী—৩

প্ৰথম প্ৰকাশ
আগষ্ট—১৯৭২

বেটুপাত আৰু চিত্ৰশিল্পী
শ্ৰীপ্ৰবোধ সেনগুপ্ত
পাণ্ডু

ছপাশাল
গুৱাহাটী প্ৰেছ
ভৰলুপাৰ, গুৱাহাটী—৯

কিতাপ পোৱা ঠাই
শ্ৰীমহেন্দ্ৰ নাথ ভট্টাচাৰ্য্য
নবগিৰি, গুৱাহাটী—৩

দাম তিনি টকা

উপহার

# সূচীপত্ৰ


| | |
|---|---|
| অৰ্জুনৰ বনবাস | ১ |
| সুভদ্ৰা হৰণ | ৭ |
| খাণ্ডৱ দাহ | ১২ |
| যুধিষ্ঠিৰৰ সভাঘৰ | ১৯ |
| ৰাজসূয় যজ্ঞৰ কল্পনা | ২৩ |
| জৰাসন্ধ বধ | ৩০ |
| পাণ্ডৱৰ দিগ্বিজয় | ৩৭ |
| ৰাজসূয় যজ্ঞ | ৪৪ |
| শকুনিৰ মন্ত্ৰণা | ৫৯ |
| পাশাখেল | ৬৭ |
| দ্ৰৌপদীৰ বস্ত্ৰহৰণ | ৭৩ |
| পাণ্ডৱৰ বনবাস যাত্ৰা | ৮১ |

# ভাৰতীয় কাহিনী

## দ্বিতীয় ভাগ

## অৰ্জুনৰ বনবাস

যুধিষ্ঠিৰৰ ৰাজ্যাভিষেকৰ পাছত, এদিনাখন দেৱৰাজ ইন্দ্ৰই বিশ্বকৰ্ম্মাক মাতি আনি কলে "হে বিশ্বকৰ্ম্মা! ভগবান্ বাসুদেৱে অভিলাষ কৰি আছে যে খাণ্ডৱপ্ৰস্থত ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ ৰাজধানীৰ নগৰখন তোমাৰ হাতেৰে নিৰ্ম্মিত হওক। সেই কাৰণে তুমি তাত এখন অপূৰ্ব্ব নগৰ নিৰ্ম্মাণ কৰি দিয়া। এতিয়াৰ পৰা খাণ্ডৱপ্ৰস্থ নগৰখন ইন্দ্ৰপ্ৰস্থ নামেৰে বিখ্যাত হব"।

দেৱৰাজৰ আদেশ পাই বিশ্বকৰ্ম্মাই নগৰ নিৰ্ম্মাণৰ কাম হাতত ললে। নগৰৰ চাৰিওফালে পৰিখা কাটি পানীৰে ভৰপূৰ কৰি সমুদ্ৰৰ নিচিনাকৈ নগৰখন বেঢ়ি পেলালে। গগণস্পৰ্শী প্ৰাচীৰ নিৰ্ম্মাণ কৰি নগৰখন সুৰক্ষিত কৰিলে। বহল ৰাজ-পথ, আলি-পদূলি, মনোহৰ উদ্যানেৰে সৈতে নগৰখন ৰমকজমক হৈ উঠিল। দূৰত শুকুলাবৰণৰ মেঘমালাৰ ঢেৱে ঢেৱে মহাৰাজ যুধিষ্ঠিৰৰ ৰাজ-আট্টালিকাবোৰে নভোমণ্ডল ভেদ কৰি হিমাচল পৰ্ব্বতৰ নিচিনাকৈ শোভা পাব ধৰিলে।

ইন্দ্ৰপ্ৰস্থত ৰাজধানী পাতি যুধিষ্ঠিৰে প্ৰবল পৰাক্ৰমেৰে ৰাজত্ব কৰিব ধৰিলে। পাণ্ডৱসকলৰ বল-বীৰ্য্য আৰু পৰাক্ৰমত বশীভূত হৈ অন্যান্য ৰজাবোৰে লাহে লাহে যুধিষ্ঠিৰৰ তলতীয়া হব ধৰিলে। দেশখন সুখ-সমৃদ্ধিশালী হৈ উঠিল।

এদিনাখন কিছুমান ডকাইতে একেলগ হৈ এজন ব্ৰাহ্মণৰ গৰুবোৰ অপহৰণ কৰি নিলে। কান্দি-কাটি ব্ৰাহ্মণে আহি অৰ্জ্জুনৰ ওচৰত গোচৰ দিলে। অৰ্জ্জুনে ব্ৰাহ্মণক অভয় দি অস্ত্ৰ-শস্ত্ৰ থোৱা ঘৰলৈ খোজ ললে। অস্ত্ৰাগাৰত দ্ৰৌপদীয়ে যুধিষ্ঠিৰৰ লগত কিবা কথা পাতি আছিল। তাকে দেখি অৰ্জ্জুন থমকি ৰ'ল।

পাণ্ডৱসকলে নিয়ম কৰি লৈছিল যে দ্ৰৌপদীৰ লগত কোনো ভায়েকক কোনো ঠাইত দেখিলে কোনোৱে তালৈ নাযাব। যদি কোনোৱে এই নীতি উলঙ্ঘন কৰে, তেন্তে তেওঁ বাৰবছৰ ব্ৰহ্মচৰ্য্য পালন কৰি বনবাস খাটিব লাগিব।

অৰ্জ্জুন বৰ বিমোৰত পৰিল। পলম হলে ডকাইতবোৰ পলাব। পাছৰ কথা পাছত হব; এতিয়া ডকাইতবোৰক দমন কৰাহে তেওঁৰ ধাই কাম। মনতে ইয়াকে স্থিৰ কৰি অৰ্জুনে অস্ত্ৰাগাৰৰ ভিতৰ সোমাই ধনু-শৰ অস্ত্ৰ-শস্ত্ৰ বাচি লৈ আহিল আৰু ব্ৰাহ্মণৰ লগত গুচি গ'ল। ডকাইতবোৰক যথোপযুক্ত শাস্তি

প্ৰদান কৰি ব্ৰাহ্মণক তেওঁৰ অপহৃত গো-ধন ঘোধাই দি অৰ্জুন ৰাজধানীলৈ উভতি আহিল।

ঘূৰি আহি অৰ্জুনে যুধিষ্ঠিৰক কলে "হে মহাৰাজ! আপুনি যেতিয়া দ্ৰৌপদীৰ লগত আয়ুধাগাৰত কথা-বতৰা পাতি আছিল মই তেতিয়া ব্ৰাহ্মণৰ গো-ধন উদ্ধাৰৰ কাৰণে ধনু-শৰ আৰু অস্ত্ৰ-শস্ত্ৰ লবলৈ বুলি তাত প্ৰৱেশ কৰিলোঁ। মোৰ অইন একো উপায় নাছিল। আমাৰ নীতি অনুসৰি মই এতিয়া বনলৈ যাব লাগে। মই সাজু হৈছোঁ; মোক এতিয়া বিদায় দিয়ক"।

যুধিষ্ঠিৰে কলে—"ভাই অৰ্জুন! তুমি মোৰ কোনো অপ্ৰিয় আচৰণ কৰা নাই। সস্ত্ৰীক জ্যেষ্ঠৰ ঘৰত কনিষ্ঠৰ কাৰণে প্ৰৱেশৰ কোনো বাধা নাই। এতেকে তোমাৰ একো অধৰ্ম্ম হোৱা নাই। তুমি বনলৈ যোৱা বাসনা ত্যাগ কৰা"।

অৰ্জুনে কলে—"হে ধৰ্ম্মাত্মন্! আপুনিয়ে আমাক শিকাইছে যে ছল কৰি ধৰ্ম্মানুষ্ঠান কৰিব নালাগে। মই সত্যৰ পৰা বিচলিত নহওঁ"। ইয়াকে কৈ অৰ্জুনে যুধিষ্ঠিৰৰ পৰা বিদায় লৈ বাৰবছৰৰ কাৰণে বনলৈ যাত্ৰা কৰিলে।

বনত গৈ অৰ্জুনে বিচিত্ৰ কানন, মনোমুগ্ধকৰ ৰমণীয় বন-উপবন, নদ-নদী, সাগৰ-সৰোবৰ, তপোবন আৰু পুণ্যতীৰ্থবোৰ দৰ্শন কৰি ফুৰিব ধৰিলে। এদিনাখন তেওঁ পিতৃ-পুৰুষসকলক তৰ্পণ দিবলৈ মানস কৰি স্নান কৰিবলৈ গঙ্গাত নামিল। তৰ্পণাদি সমাধা কৰি তেওঁ পাৰলৈ উঠিব খোজোঁতে নাগৰাজ-কন্যা উলুপীয়ে তেওঁক পানীৰ তললৈ টানি লৈ গ'ল।

অৰ্জুনে অতি বিতোপন সুশোভিত পৰম ৰমণীয় মনোহৰ নাগ ভৱনত প্ৰৱেশ কৰি উলুপীক কলে "হে দেৱি! তুমি কি অভিপ্ৰায়েৰে মোক ইয়ালৈ টানি আনিলা"?

উলুপীয়ে কলে—"হে অৰ্জুন! গঙ্গাস্নান কৰি তৰ্পণ দান কৰি থকা অৱস্থাত তোমাৰ ৰূপ দেখি মই মোহিত হ'লোঁ; তোমাক

মোৰ স্বামীৰ পদত বৰণ কৰি লম বুলি হাবিয়াস কৰি তোমাৰ শৰণাপন্ন হৈছোঁ। মই ঐৰাৱত কুলৰ কৌৰব্য নামৰ নাগৰ দুহিতা, মোৰ নাম উলুপী"।

তেওঁৰ ৰূপত মুগ্ধ, আৰু তেওঁৰ কাৰণে কাতৰা হৈ থকা উলুপীক দেখি অৰ্জুনৰ মনত করুণা জাগিল। তেওঁ উলুপীক গ্ৰহণ কৰিলে। পিচদিনা ৰাতিপুৱা উলুপীয়ে অৰ্জুনক আনি গঙ্গাৰ পাৰত থলেহি। পতিব্ৰতা উলুপীয়ে যাবৰ সময়ত অৰ্জুনক কৈ গ'ল "হে অৰ্জুন! মোৰ বৰত তুমি সকলো জলচৰক জয় কৰিব পাৰিবা"।

উলুপীক বিদায় দি অৰ্জুনে হিমালয় পৰ্ব্বতৰ ফালে খোজ ললে। তেওঁ অগস্ত্যবট, বশিষ্ঠ পৰ্ব্বত আৰু ভৃগু-তুঙ্গ অতিক্ৰম কৰি হিৰণ্যবিন্দু তীৰ্থত স্নান কৰিলে। হিমালয় পৰ্ব্বতৰ পৰা নামি আহি তেওঁ পূবফালে যাত্ৰা কৰিলে। বাটত নন্দা, অপৰ নন্দা, কৌশিকী, গঙ্গা প্ৰভৃতি নদীবোৰত স্নান কৰি গয়া-তীৰ্থত উপস্থিত হ'ল। গয়া-তীৰ্থ দৰ্শন কৰি অঙ্গ, বঙ্গ আৰু কলিঙ্গ দেশৰ যিমানবোৰ তীৰ্থ-দেৱালয় আৰু আশ্ৰম আছে সেই সকলোবোৰ তেওঁ ভ্ৰমণ কৰিলে। তাৰপৰা তেওঁ মহাসাগৰৰ উপকূলত থকা মণিপুৰ ৰাজ্যত উপস্থিত হ'লহি। *

মণিপুৰৰ ৰজাৰ চিত্ৰাঙ্গদা নামে এজনী পৰম ৰূপৱতী কন্যা আছিল। অৰ্জুনে চিত্ৰাঙ্গদাক দেখি ৰজাৰ ওচৰলৈ গৈ কলে 'মহাৰাজ! মই ক্ষত্ৰিয়, মোৰ নাম অৰ্জুন। মই পাণ্ডুৰ পুত্ৰ, কুন্তী মোৰ জননী। মই আপোনাৰ কন্যাৰ ৰূপত মুগ্ধ হৈছো; আপোনাৰ ওচৰত মই তেওঁৰ পাণি প্ৰাৰ্থনা কৰিলোঁ।"।

ৰজাই কলে "হে অৰ্জুন! প্ৰভঞ্জন নামে মোৰ পূৰ্ব্বপুৰুষ এজনে কঠোৰ তপস্যা কৰি এই বৰ লাভ কৰিছিল যে আমাৰ বংশত প্ৰত্যেকৰে এজনকৈ পুত্ৰ হব। তেনেকৈয়ে আমাৰ বংশ চলি আহিছিল। কেৱল মোৰ বেলিকা তাৰ ব্যতিক্ৰম হ'ল।

(* সেই সময়ত শ্ৰীহট্ট, খিলচৰ আদি ঠাইবোৰ সাগৰৰ তলত আছিল)।

মোৰ এজনী ছোৱালী হ'ল। ছোৱালী হলেও মই তাইক লৰাৰ দৰে প্ৰতিপালন কৰি ৰাজকাৰ্য্যৰ শিক্ষা দিছোঁ। মোৰ পাছত চিত্ৰাঙ্গদাই এই ৰাজ্য শাসন কৰিব। সেই কাৰণে চিত্ৰাঙ্গদাই এই ৰাজ্য এৰি কলৈকো যাব নোৱাৰে। মোৰ এই কথাত মান্তি হলে তোমাৰ হাতত মোৰ কন্যাক অৰ্পণ কৰিবলৈ মোৰ একো আপত্তি নাই"।

অৰ্জুনে এই কথাত মান্তি হ'ল আৰু চিত্ৰাঙ্গদাৰ লগত তেওঁৰ বিয়া হৈ গ'ল। অৰ্জুন তিনিবছৰ কাল মণিপুৰতে থাকিল। চিত্ৰাঙ্গদাৰ এটি পুত্ৰ সন্তান হল। তেওঁ তাৰ নাম বভ্ৰুবাহন ৰাখিলে। বভ্ৰুবাহনৰ জন্মৰ পাছত অৰ্জুনে চিত্ৰাঙ্গদাৰ পৰা বিদায় লৈ মণিপুৰৰ পৰা গুচি গ'ল।

মণিপুৰৰ পৰা অৰ্জুনে দক্ষিণ ফালৰ সাগৰৰ পাৰে পাৰে গৈ পাঁচখন তীৰ্থস্থান পালে। এই তীৰ্থকেইখন দেখিবলৈ বৰ মনোৰম আছিল; কিন্তু তীৰ্থ যাত্ৰীৰ সমাগম একেবাৰে নাছিল। তাকে দেখি অৰ্জুনে আচৰিত হৈ তপস্বী এজনক তাৰ কাৰণ সুধিলে। তপস্বীজনে কলে—"এই পাঁচখন তীৰ্থত পাঁচটা ঘৰিয়াল আছে; যেয়ে স্নান কৰিবলৈ পানীত নামে তাকে ঘৰিয়ালে বধ কৰে।

অৰ্জুনে তাৰে সৌভদ্ৰ নামে তীৰ্থখনলৈ আহিল আৰু স্নান কৰিবলৈ পানীত নামিল। শব্দ শুনি ঘৰিয়ালে খেদি আহি অৰ্জুনৰ ভৰিত কামুৰি ধৰিলে। অৰ্জুনে ঘৰিয়ালটোক টানি পাৰলৈ আনিলে। ঘৰিয়ালটোৱে পাৰলৈ আহি এগৰাকী অপৰূপা সুন্দৰী দেৱকন্যাৰ ৰূপ ললে।

দেৱকন্যাই অৰ্জুনক কলে—"হে মধ্যম পাণ্ডৱ! মই আপোনাক সভক্তিৰে প্ৰণাম জনাইছোঁ। আপুনি আজি মোক শাপমুক্ত কৰিলে; মোৰ নাম বৰ্গা। মোৰ আৰু চাৰিজনী সখী আছে। তেওঁলোকেও ইয়াতে ঘৰিয়াল হৈ আছে। তেওঁলোকৰ

নাম সৌৰভেয়ী, সমীচি, বুদ্বুধা আৰু লতা। আপুনি কৃপা কৰি মোৰ সখীসকলকো উদ্ধাৰ কৰক। আমি এজন মুনিক অমান্য কৰা কাৰণে মুনিয়ে আমাক ঘৰিয়াল হবলৈ অভিশাপ দিয়ে। আমি বহু কাকুতি-মিনতি কৰাৰ পাছত মুনিয়ে এই বুলি আশ্বাস দিয়ে যে যদি কোনোবাই আমাক পাৰলৈ তুলি আনিব পাৰে তেন্তে আমি শাপমুক্ত হম"।

অৰ্জুনে তেতিয়া চাৰিওখন তীৰ্থলৈকে গৈ চাৰিওজনীকে পাৰলৈ তুলি আনিলে। তেতিয়া তেওঁলোকে সৰগৰ অপ্সৰা বুলি পৰিচয় দি অৰ্জুনক অভিবাদন জনাই গুচি গ'ল।

অৰ্জুনে এনেকৈ আৰু নানা তীৰ্থ পৰ্য্যটন কৰি প্ৰভাস তীৰ্থলৈ আহিল। অৰ্জুনৰ আগমনৰ বাতৰি পাই শ্ৰীকৃষ্ণই নিজে আহি অৰ্জুনক সমাদৰ কৰি দ্বাৰকালৈ লৈ গ'ল। দ্বাৰকাবাসীয়ে দলে দলে আহি অৰ্জুনক সম্বৰ্দ্ধনা জনালে। যাদৱ কুলৰ কুমাৰ আৰু কুমাৰীসকলে নানা ৰং-ধেমালি কৰি অৰ্জুনৰ মনত আনন্দ দিব ধৰিলে।

সেই সময়ত যাদৱসকলে ৰৈৱতক পৰ্ব্বতত মহাসমাৰোহেৰে এটি উৎসৱ পালন কৰিছিল। এই উৎসৱ উপলক্ষে যাদৱসকলে দুখীয়া-

নিচলা, সাধু-সন্ন্যাসী, ঋষি-মুনি সকলোকে বহু অৰ্থ দান কৰিলে। সুমধুৰ গীত-বাদ্য আৰু তাৰ চেৱে-চেৱে নৃত্য কৰি আমোদ-প্ৰমোদত যাদবসকল মতলীয়া হ'ল। যদুবংশীয় ৰজা উগ্ৰসেনেও আহি এই উৎসৱত যোগ দিলে। বলদেৱে তেওঁৰ ভাৰ্য্যা ৰেৱতীক লগত লৈ সকলো আনন্দ অনুষ্ঠানতে যোগ দিলে। শ্ৰীকৃষ্ণ আৰু অৰ্জ্জুনে সকলোৰে লগত ৰং-ধেমালি কৰি ফুৰিব ধৰিলে।

এনেকৈ আনন্দত মতলীয়া হৈ ঘূৰি ফুৰোঁতে অৰ্জ্জুনে পৰমা-সুন্দৰী সুভদ্ৰাক দেখা পালে। সুভদ্ৰাই সখীয়েক সকলৰ লগত অপূৰ্ব্বৰূপ ধৰি নাচি-বাগি ফুৰা দেখা পাই অৰ্জ্জুনৰ মন চঞ্চল হৈ উঠিল। তেওঁ বাৰে বাৰে সুভদ্ৰাৰ ফালে চাব ধৰিলে। অৰ্জ্জুনৰ এনে অৱস্থা দেখি হাঁহি হাঁহি শ্ৰীকৃষ্ণই কলে "হে বন-বাসী; তোমাৰ কি হ'ল? সেইজনী বসুদেৱ নন্দিনী মোৰেই ভগ্নী সুভদ্ৰা। তেওঁৰ ৰূপত যদি তুমি সঁচাকৈ মুগ্ধ হৈছা তেন্তে পিতা বসুদেৱৰ শৰণাপন্ন হোৱাই ভাল হব"।

অৰ্জ্জুনে কলে "হে কৃষ্ণ! এনে পৰম ৰূপৱতী সুভদ্ৰা দেৱী—বসুদেৱৰ কন্যা আৰু বাসুদেৱৰ ভগিনী! তেওঁৰ প্ৰতি কাৰ মন আকৃষ্ট নহৈ থাকিব পাৰে? এনেহেন অসামান্যা এজনী ভাৰ্য্যা পালে মানুহৰ জীৱন কিমান সুখময় আৰু মধুময় হব পাৰে, মই তাকে ভাবি অস্থিৰ হৈছোঁ। যি উপায়েৰে এই পাৰ্থিব ৰত্ন লাভ কৰিব পৰা যায়, মই তাকে কৰিবলৈ সাজু আছোঁ। হে বাসুদেৱ! মোক তুমি এনে এটা উপায় দিয়া"।

শ্ৰীকৃষ্ণই কলে "হে অৰ্জ্জুন! স্বয়ম্বৰ সভাতে পুৰুষৰ ভাগ্যত নাৰীৰত্ন লাভ হয়। কিন্তু নাৰীৰ মনৰ কথা দেৱতাৰো অগোচৰ। স্বয়ম্বৰ সভাত তুমি সুভদ্ৰাক নাপাবও পাৰা। এতেকে হে সব্যসাচী! ক্ষত্ৰিয়ৰ অন্য ৰীতি হ'ল বলেৰে নাৰী-ৰত্ন জয় কৰা"।

অৰ্জ্জুনে তেতিয়াই শ্ৰীকৃষ্ণৰ লগত আলোচনা কৰি যুধি-

ষ্ঠিৰৰ অনুমতিৰ কাৰণে এজন দূত পঠালে। যুধিষ্ঠিৰে আনন্দেৰে অৰ্জ্জুনৰ প্ৰস্তাৱত মত দিলে।

অৰ্জ্জুনে 'মৃগয়ালৈ যাওঁ' বুলি কৈ সাজি-পাৰি ওলাল। তেওঁ অস্ত্ৰ-শস্ত্ৰ আৰু ধনু-শৰ ৰথত তুলি ললে আৰু নিজে অপূৰ্ব্ব সাজ-পাৰ পিন্ধি সুশোভিত হৈ ৰথত উঠিল। শ্ৰীকৃষ্ণই হাঁহি মাৰি তেওঁক বিদায় সম্ভাষণ জনালে। ৰথ মুহূৰ্ত্ততে অদৃশ্য হৈ গ'ল।

ইফালে সুভদ্ৰাই মহাগিৰি ৰৈৱতক আৰু দেৱতাসকলক অৰ্চ্চনা কৰি ঋষি-মুনিসকলৰ আশীৰ্ব্বাদ গ্ৰহণ কৰিলে। তাৰ পাছত শৈলেশ্বৰক প্ৰদক্ষিণ কৰি দ্বাৰকাভিমুখে যাত্ৰা কৰিলে। বাটত অৰ্জ্জুনৰ লগত দেখা হ'ল। অৰ্জ্জুনে ৰথ লৈ আগবাঢ়ি আছিল আৰু ৰথৰপৰা নামি আহি হাঁহি মাৰি সুভদ্ৰাৰ হাতত ধৰি ৰথত তুলি ললে। সখীয়েকসকলে চিঞৰি উঠিল। কিন্তু ৰথে তেতিয়া বায়ুবেগে ইন্দ্ৰপ্ৰস্থৰ পথ ধৰি যাব ধৰিছে। সৈন্য-সামন্তবোৰে সখীসকলৰ চিঞৰ-বাখৰ শুনি কোলাহল কৰি উঠিল। কাৰো বুজিবলৈ বাকী নাথাকিল যে অৰ্জ্জুনে সুভদ্ৰাক হৰণ কৰি লৈ গ'ল।

ৰণ-ভেৰী বাজি উঠিল। চাৰিওফালৰ পৰা যাদৱ সৈন্য-বোৰ যুঁজৰ সাজেৰে সজ্জিত হৈ সমবেত হ'ল। অনুচৰবোৰে অৰ্জুন আৰু সুভদ্ৰাৰ সকলো কথা ভাঙিপাতি কলে। যাদৱ বীৰ-সকল গৰ্জ্জি উঠিল।

তেতিয়া মহাবীৰ বলৰাম মধুপানত মত্ত আছিল। যাদৱ-বীৰ আৰু সৈন্য-সামান্তবোৰক শান্ত হবলৈ ইঙ্গিত দি তেওঁ শ্ৰীকৃষ্ণৰ ওচৰলৈ আহি কৃষ্ণক কলে "কৃষ্ণ! তুমি এনেকৈ কিয় নিমাত হৈ আছাঁ? সৈন্যবাহিনীয়ে তোমাৰ আদেশৰ কাৰণে ৰৈ আছে। একমাত্ৰ তোমাক সন্তুষ্ট কৰিবলৈ বুলি আমি ক্ষত্ৰিয় কুলৰ কলঙ্ক অৰ্জ্জুনক আদৰ-অভ্যৰ্থনা কৰিছিলোঁ। কিন্তু অৰ্জ্জুন

বিশ্বাসঘাতক, কৃতঘ্ন আৰু কুলৰ কলঙ্ক! আমাৰ শক্তিৰ অৱমাননা কৰি অৰ্জ্জুনে আজি সুভদ্ৰাক হৰণ কৰি নি যাদৱ কুলৰ মৰ্য্যাদা ক্ষুণ্ণ কৰিলে। হে কেশৱ! মই অৰ্জ্জুনৰ এনে অনাৰ্য্য আচৰণ ক্ষমা নকৰোঁ। মই নিজে তাৰ প্ৰতিকাৰ কৰিম। মই আজি কৌৰৱ বংশ ধ্বংস কৰিম"।

শ্ৰীকৃষ্ণই কলে "দাদা! মই কথাটো ভালকৈ ভাবি চাইছোঁ। অৰ্জ্জুনে আমাৰ কুলক অৱমাননা কৰা নাই; বৰঞ্চ আমাৰ কুলৰ প্ৰতি যথেষ্ট সন্মান প্ৰদৰ্শন কৰিছে। ক্ষত্ৰিয় সমাজত ভাৰ-ভেটী দি কন্যাৰ পাণি প্ৰাৰ্থনা কৰা উভয় পক্ষৰ কাৰণে সন্মান হানিকাৰক। স্বয়ম্বৰ অভিলাষিণী কন্যাক বাহুবলেৰে জয় কৰি নিয়া প্ৰথা ক্ষত্ৰিয় সমাজত আছে। অৰ্জ্জুনৰ কুলগৌৰৱ আৰু বাহুবল ক্ষত্ৰিয় সমাজত অগ্ৰগণ্য। মহাদেৱত বাহিৰে অৰ্জ্জুনে সকলো দেৱতাকে জয় কৰিব পাৰে। মোৰ মতে অৰ্জ্জুনেই সুভদ্ৰাৰ কাৰণে উপযুক্ত পাত্ৰ। আপোনাৰ মতামত নোপোৱা কাৰণে মই নিমাত হৈ আছো"।

বলৰামে শ্ৰীকৃষ্ণৰ যুক্তিৰ শলাগ ললে। যথাসময়ত মহাসমাৰোহেৰে সৈতে অৰ্জ্জুনৰ লগত সুভদ্ৰাৰ বিয়া হৈ গল।

বিয়াৰ পাছত অৰ্জ্জুনে তাত প্ৰায় এবছৰমান কাল কটালে। মাজতে তাৰপৰা পুষ্কৰ তীৰ্থ দৰ্শন কৰি আহিল। থাকোঁতে থাকোঁতে তেওঁৰ বাৰবছৰ বনবাসকালৰ অন্ত পৰিল।

সুভদ্ৰাক লগত লৈ অৰ্জ্জুনে খাণ্ডৱপ্ৰস্থলৈ আহিল। আহি পাই তেওঁ ব্ৰাহ্মণ আৰু গুৰুজন সকলক প্ৰণাম জনাই দ্ৰৌপদীৰ ওচৰলৈ আহিল। দ্ৰৌপদীয়ে অভিমানৰ সুৰত কলে "হে কুন্তী পুত্ৰ! মোৰ ওচৰলৈ কিয় আহিছা? য'ত সুকুমাৰী সুন্দৰী ললনাসকলে নৃত্যগীত কৰি ফুৰিছে তালৈকে যোৱা। তুমিয়ে। নো বাৰু কি কৰিবা? ব্ৰহ্মচৰ্য্যাৰ গুৰুভাৰ কিমানদিন বহন কৰিবা"?

দ্ৰৌপদীয়ে এনেকৈ বহু মান-অভিমান কৰাৰ পাছত অৰ্জ্জুনে দ্ৰৌপদীক প্ৰিয় সম্ভাষণ জনাই সুভদ্ৰাৰ ওচৰলৈ আহিল। তেওঁ সুভদ্ৰাক গোপিনীৰ বেশেৰে দ্ৰৌপদীৰ ওচৰলৈ যাবলৈ বুধি দিলে। গোপিনীৰ বেশত সুভদ্ৰাৰ ৰূপ যেন দুগুণে বাঢ়িল! সুভদ্ৰাই আহি দ্ৰৌপদীক প্ৰণাম কৰি কলে! "হে দেবি! মই আজিৰ পৰা আপোনাৰ দাসী হলোঁ।। দ্ৰৌপদীয়ে সস্নেহে সুভদ্ৰাক আকোঁৱালি ধৰি আশীৰ্ব্বাদ দিলে। পাছত তেওঁ সকৌতুকে সুভদ্ৰাক কলে "হে সুভদ্ৰা দেবি! মই তোমাক আশীৰ্ব্বাদ দিছোঁ তোমাৰ যেন আৰু অন্য স্বামী নহয়"।

মান-অভিমান, ৰং-ধেমালি আৰু হাঁহি-কৌতুকৰ মাজেদি কেইদিনমান যোৱাৰ পাছত শ্ৰীকৃষ্ণ, বলৰাম, প্ৰদ্যুম্ন, সাত্যকি আদি যাদৱগণ ইন্দ্ৰপ্ৰস্থত উপস্থিত হল। যুধিষ্ঠিৰে পৰম আহ্লাদেৰে তেওঁলোকক অভ্যৰ্থনা জনালে আৰু বলৰামক যথোচিত মান-সৎকাৰ কৰিলে। শ্ৰীকৃষ্ণই যুধিষ্ঠিৰ আৰু ভীমক অভিবাদন জনালে।

যাদৱসকলে সুভদ্ৰাক নানা অলঙ্কাৰ, বস্ত্ৰাভৰণ, বয়বস্তু, দাস-দাসী, হাতী-ঘোঁৰা যৌতুক দিলে। খাণ্ডৱপ্ৰস্থত আনন্দৰ মহামেলা বহিল। এনেকৈ কিছুদিন আনন্দ উৎসৱ আমোদ-প্ৰমোদ কৰি যাদৱসকল দ্বাৰকালৈ উভতি গল।

★ ★ ★

কালক্ৰমত সুভদ্ৰাৰ এজন সৰ্ব্ব-সুলক্ষণযুক্ত পুত্ৰৰ জন্ম হয়; এওঁৰ নাম অভিমন্যু। সেই সময়তে দ্ৰৌপদীৰো পঞ্চপুত্ৰৰ জন্ম হয়। যুধিষ্ঠিৰৰ পুতেকৰ নাম প্ৰতিবিন্ধ্য, ভীমৰ পুতেকৰ নাম সুতসোম, অৰ্জ্জুনৰ পুতেকৰ নাম শ্ৰুতকৰ্ম্মা, নকুলৰ পুতেকৰ নাম শতানীক আৰু সহদেৱৰ পুতেকৰ নাম শ্ৰুতসেন।

---

এদিনাখন অৰ্জ্জুন আৰু শ্ৰীকৃষ্ণই একেলগে যমুনাৰ পাৰলৈ ফুৰিবলৈ গ'ল। নদীৰ পাৰে পাৰে ফুৰি ফুৰি তেওঁলোক দুয়ো আহি এখন বিতোপন উপবন পালে। তাত তেওঁলোকৰ ইমান ভাল লাগিল যে তাতে তেওঁলোকে জিৰণি লবলৈ বুলি বহিল আৰু ইটো সিটোকৈ কথাই কথাই বহু বিষয়ৰ আলোচনা কৰিলে। এনেতে এজন ওখ, উজ্জ্বল সুন্দৰ, জটাধাৰী ব্ৰাহ্মণ আহি তেওঁলোকৰ আগত উপস্থিত হ'ল। তেওঁলোক দুয়ো থিয় হৈ ব্ৰাহ্মণক সসন্মানে অভ্যৰ্থনা জনালে।

ব্ৰাহ্মণ নিজে বহিল আৰু কৃষ্ণ আৰু অৰ্জ্জুনক কাষতে বহুৱাই ললে। তাৰ পাছত তেওঁ কলে "বোপাহঁত! মই ব্ৰাহ্মণ মোৰ সদায় অধিক ভোজনৰ প্ৰয়োজন হয় বুলি মোৰ ভোজন সদায় পৰিমিত নহয়। মই অনুৰোধ কৰিছোঁ মোক তোমালোকে পৰিমিত আহাৰ দান কৰা"।

কৃষ্ণ আৰু অৰ্জ্জুন দুয়ো তেওঁৰ কথা শুনি কলে "হে বিপ্ৰ! আপুনি কেনে ভোজন পালে সন্তুষ্ট হব আমাক কওক, আমি এতিয়াই তাৰ আয়োজন কৰিম"। ব্ৰাহ্মণে কলে—"বোপাহঁত! তাকৰীয়া আহাৰত মোৰ ৰুচি নাই। মই অগ্নি, মোক মোৰ ৰুচিৰ উপযুক্ত ভোজন দান কৰা। পশু-পক্ষী, যক্ষ-ৰক্ষ, দৈত্য-দানৱ সকলোবোৰৰ সৈতে খাণ্ডৱ বনখন ভোজন কৰিবলৈ মোৰ লোভ হৈছে। মই নিজেও মোৰ নিজৰ মনৰ বাসনা পূৰ্ণ কৰিবলৈ বহুবাৰ চেষ্টা কৰিলোঁ। কিন্তু প্ৰত্যেকবাৰে মই বিফল মনোৰথ হৈছোঁ। তাত নাগৰাজ তক্ষক বাস কৰে। তক্ষক দেৱৰাজ ইন্দ্ৰৰ প্ৰিয় বন্ধু। সেই কাৰণে মই যেতিয়াই খাণ্ডৱ বন আক্ৰমণ কৰোঁ তেতিয়াই দেৱৰাজ ইন্দ্ৰই ধাৰাসাৰে বৰষুণৰ সৃষ্টি কৰি মোক বাধা দিয়ে। এতিয়া তোমালোকে যদি ইন্দ্ৰৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰা তেন্তে মোৰ মনৰ বাসনা পূৰ্ণ হয়। মই নিৰ্ব্বিঘ্নে খাণ্ডৱ বন দাহ কৰিব পাৰোঁ"।

শ্ৰীকৃষ্ণই সুধিলে—"হে হুতাশন! খাণ্ডৱ বনৰ প্ৰতি আপোনাৰ কিয় এনে লোভ হৈছে আমাক কব জানোঁ? অগ্নিয়ে কলে "হে কৃষ্ণাৰ্জুন! শ্বেতকী নামে এক মহা ধাৰ্ম্মিক নৰপতিয়ে দীৰ্ঘ বাৰবছৰ ধৰি মোক অবিৰাম বহুধাৰাহুত আহুতি প্ৰদান কৰে। সেই আহুতি ভোগ কৰি মই নিস্তেজ হৈ পৰিলোঁ। প্ৰজাপতি ব্ৰহ্মাই কলে যে মই যদি সকলো বনবাসীৰে সৈতে খাণ্ডৱ বন ভক্ষণ কৰিব পাৰোঁ তেন্তে মই মোৰ পূৰ্ব্বৰ শক্তি ঘূৰাই পাম"।

অৰ্জ্জুনে কলে— "হে হুতাশন ! দেৱতাসকলৰ লগত যুদ্ধ কৰিবলৈ মোৰ তেনে উপযুক্ত ৰথ আৰু ধনু নাই। কৃষ্ণৰ হাতততো তেনে কোনো অস্ত্র নাই, এনে অৱস্থাত আমি দেৱতা সকলৰ লগত কেনেকৈ যুদ্ধ কৰোঁ।" ?

অৰ্জ্জুনৰ এই কথা শুনি অগ্নিয়ে বৰুণ দেৱতাক স্মৰণ কৰিলে। বৰুণদেৱ মুহূৰ্ত্ততে অগ্নিৰ আগত উপস্থিত হল। অগ্নিয়ে কলে—"হে জলৰাজ ! সোমৰাজে এখন ধনু, দুটা অক্ষয় তূণ আৰু এখন ৰথ তোমাক দিছিল। এই কেইবিধ বস্তু তুমি অৰ্জুনৰ হাতত অৰ্পণ কৰা"। বৰুণ দেৱতাই তেতিয়াই গৈ এখন বিৰাটাকাৰ ধনু, গান্ধৰ্ব্ব ঘোঁৰা সংযুক্ত এখন পৰম বিচিত্ৰ ৰথ আৰু দুটা অক্ষয় তূণ অৰ্জুনক দিলে। ৰথৰ ধ্বজৰ ওপৰত ভয়ংকৰ এটা বান্দৰ বহুৱাই থোৱা কাৰণে এই ৰথখনৰ নাম কপি-ধ্বজ আছিল। ধনুখনৰ নাম গাণ্ডীৱ ধনু। অৰ্জুনে এনে এখন ৰথ, ধনু আৰু অক্ষয় তূণ লাভ কৰি আনন্দত বিভোৰ হ'ল।

হুতাশনে সুদৰ্শন চক্ৰ নামে এবিধ অস্ত্র শ্ৰীকৃষ্ণৰ হাতত দি কলে "হে মধুসূদন! এই চক্ৰেৰে তুমি যক্ষ-ৰক্ষ দেৱতা-দানৱ সকলোকে জয় কৰিব পাৰিবা। শত্ৰুৰ প্ৰতি এই অস্ত্র নিক্ষেপ কৰিলে শত্ৰু নিধন কৰি অস্ত্র আকৌ তোমাৰ হাতলৈ ঘূৰি আহিব"। লগতে অগ্নিয়ে এটা ভীষণ গদা কৃষ্ণৰ হাতত দিলে।

অৰ্জুনে ৰথত উঠি গাণ্ডীৱ ধনুত টঙ্কাৰ দিলে। দশোদিশ কম্পমান হ'ল। অগ্নিদেৱতাক তেওঁ কলে—"হে হুতাশন! মই এতিয়া সুৰাসুৰ সকলোৰে লগত নিৰ্ভয়ে যুদ্ধ কৰিব পাৰিম। আপুনি চাৰিওফালৰ পৰা প্ৰজ্বলিত হৈ নিৰ্বিঘ্নে খাণ্ডৱ বন দগ্ধ কৰক"।

অগ্নিয়ে অৰ্জ্জুনৰ এই অভয় বাণী শুনি চাৰিওফালৰ পৰা খাণ্ডৱ বন গ্ৰাস কৰিবলৈ আৰম্ভ কৰিলে। দাউদাউকৈ

চাৰিওফালে অগনি জ্বলি উঠিল। পশু-পক্ষী সকলোৱে কোৰ্হাল লগালে। কোনোবা পলাই যাবলৈ চেষ্টা কৰিলে অৰ্জুনে ধনু-শৰেৰে আকৌ নি জুইত জাপি দিয়ে। এই দৃশ্য দেখি দেৱতা সকলে ইন্দ্ৰৰ ওচৰলৈ গৈ খাণ্ডৱ দাহৰ বাতৰি দিলে। ইন্দ্ৰৰ বৰ খং উঠিল। জুই নুমাবলৈ ধাৰাসাৰে বৰষুণ হব ধৰিলে; কিন্তু প্ৰচণ্ড অগ্নিৰ উত্তাপত বৰষুণ ভাপ হৈ উৰি যাবলৈ ধৰিলে। অৰ্জুনে বায়ু অস্ত্ৰৰ দ্বাৰা বতাহ ধুমুহাৰ সৃষ্টি কৰিলে। আকাশৰ মেঘমালা বতাহত উৰি গ'ল। জীৱজন্তু সকলোৰে আৰ্ত্তনাদত আকাশ বিদীৰ্ণ হ'ল। অৰ্জুনে পশু-পক্ষী একোকেই পলাই সাৰিব নিদিলে। তক্ষক তেতিয়া সেই বনত নাছিল; পুতেক অশ্বসেন আৰু তাৰ ঘৈণীয়েক তাত আছিল। নাগপত্নীয়ে পুতেকক বচাবলৈ বহুবাৰ চেষ্টা কৰিলে; কিন্তু শেষত নিজে প্ৰাণ দিলে। দেৱৰাজ ইন্দ্ৰই অশ্বসেনক বচাবলৈ অৰ্জুনক অচেতন কৰি দিলে। সেই অৱসৰতে অশ্বসেন পলাল। ইন্দ্ৰৰ মায়াৰ পৰা অৰ্জুনে নিজক মুক্ত কৰি লৈ প্ৰবল প্ৰতাপেৰে সকলোকে বাধা দিব ধৰিলে। পলাই যোৱা অশ্বসেনক কৃষ্ণ, অৰ্জুন আৰু অগ্নিয়ে নিৰাশ্ৰয় হব বুলি অভিশাপ দিলে।

দেৱৰাজ ইন্দ্ৰই অৰ্জুনক আক্ৰমণ কৰি শৰ নিক্ষেপ কৰিব ধৰিলে। ধাৰাসাৰ বৰষুণ আকাশত মেঘৰ গৰ্জন, বিজুলীৰ চেৰেকনিয়ে মেদিনী কঁপাই তুলিলে। কিন্তু অৰ্জুনে বায়ু অস্ত্ৰৰ দ্বাৰা আকাশ মুকলি কৰি দিলে আৰু অগ্নিয়ে তাণ্ডৱ মূৰ্ত্তি ধৰি সকলো গ্ৰাস কৰিব ধৰিলে। আকাশত গৰুড়ে ভীষণ মূৰ্ত্তি ধৰি কৃষ্ণ আৰু অৰ্জুনক আক্ৰমণ কৰিলে। যক্ষ, ৰক্ষ, গন্ধৰ্ব্ব, দানৱ সকলোৱে একেলগে কৃষ্ণ আৰু অৰ্জুনক আক্ৰমণ কৰিলে। কৃষ্ণই চক্ৰ নিক্ষেপ কৰি কিছুমানক নিহত আৰু কিছুমানক মূৰ্চ্ছিত কৰিলে।

ইন্দ্ৰদেৱে তেতিয়া ঐৰাৱতত আৰোহণ কৰি কৃষ্ণাৰ্জুনক

খেদি গ'ল। দেৱৰাজে নিজে অস্ত্ৰ ধৰা দেখি অন্যান্য দেৱতা মণ্ডলীয়েও অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ যুদ্ধক্ষেত্ৰত উপস্থিত হ'ল। যমৰ হাতত কালদণ্ড, কুবেৰৰ হাতত গদা, বৰুণৰ হাতত পাশ আৰু বজ্ৰ; এনেকৈ নিজৰ নিজৰ অস্ত্ৰ লৈ কৃষ্ণাৰ্জ্জুনৰ বিৰুদ্ধে থিয় দিলেহি।

কৃষ্ণ আৰু অৰ্জুনে বীৰদৰ্পে দেৱতাসকলৰ আক্ৰমণ ব্যৰ্থ কৰিবলৈ তৎপৰ হ'ল। অৰ্জ্জুনে বহু দিব্যাস্ত্ৰ প্ৰয়োগ কৰিলে। কৃষ্ণই সুদৰ্শন চক্ৰৰে দেৱতাসকলৰ অস্ত্ৰবোৰ কাটি পেলাই তেওঁলোকক নিৰস্ত্ৰ কৰিলে। দেৱতাসকলে কাতৰ হৈ ইন্দ্ৰৰ শৰণ ললে।

দেৱৰাজ ইন্দ্ৰই অৰ্জুনৰ বীৰত্ব দেখি মনত বৰ আনন্দ পালে; কিন্তু অৰ্জুনক পৰীক্ষা কৰিবলৈ ধাৰাসাৰে শিলাবৃষ্টি বৰ-ষিব ধৰিলে। অৰ্জ্জুনে সকলো উৰুৱাই দিলে। তাকে দেখি ইন্দ্ৰই বৰ ডাঙৰ শিলবোৰ বৰষুণৰ দৰে পেলাবলৈ আৰম্ভ কৰিলে। অৰ্জ্জুনে অস্ত্ৰৰ প্ৰভাৱত তাকো উৰুৱাই দিলে।

তেতিয়া ইন্দ্ৰই মন্দাৰ পৰ্ব্বতৰ শৃঙ্গটো উৎপাটন কৰি অৰ্জ্জুনলৈ নিক্ষেপ কৰিলে। অৰ্জুনৰ শৰত সেই শৃঙ্গ ধূলিৰ দৰে গুড়ি হৈ গ'ল। কৃষ্ণই ইফালে খাণ্ডৱ বনৰ প্ৰতি তীক্ষ্ণ দৃষ্টি ৰাখি প্ৰজ্বলিত হুতাশনক ৰক্ষা কৰি আছে। জীৱ-জন্তু, যক্ষ-দানৱ, চৰাই-চিৰিকতি একোৱে পলাই সাৰি যাব পৰা নাই। বাৰে বাৰে কৃষ্ণই চক্ৰ নিক্ষেপ কৰে, বাৰে বাৰে চক্ৰই হাজাৰে-বিজাৰে পশু-পক্ষী, পিশাচ, নাগ, যক্ষ, দানৱ সকলোকে বিনাশ কৰি চক্ৰ শ্ৰীকৃষ্ণৰ হাতলৈ ঘূৰি আহে। এনেতে আকাশৰ পৰা দৈৱবাণী হ'ল—"দেৱৰাজ! তোমাৰ সখা ভুজঙ্গেশ্বৰ তক্ষক নিহত হোৱা নাই—তুমি এতিয়া যুদ্ধ বন্ধ কৰা"।

দৈৱবাণী শুনি ইন্দ্ৰই যুদ্ধ বন্ধ কৰি দেৱতাসকলক লগত লৈ গুচি গ'ল। অগ্নিয়ে কোনো বাধা নোপোৱাকৈ খাণ্ডৱ বন দাহ

কৰি যাব ধৰিলে। এনেতে তক্ষকৰ বাসস্থানৰ পৰা ময়দানৱ ওলাই আহি পলাই যাবলৈ চেষ্টা কৰিলে। দেখা পাই কৃষ্ণই সুদৰ্শন চক্ৰ তুলি ললে। ময়দানৱে ভয়ত "ৰক্ষা কৰা" "ৰক্ষা কৰা" বুলি আৰ্ত্তনাদ কৰি অৰ্জ্জুনৰ শৰণাপন্ন হ'ল। অৰ্জ্জুনে "ভয় নাই" বুলি ময়দানৱক অভয় দিলে।

সেই সময়ত মহৰ্ষি মন্দপালে পুণ্যাৰ্জনৰ কাৰণে পুত্ৰ লাভ কৰিবলৈ অভিলাষ কৰি শালিকাৰ জন্ম লৈ জৰিতা নামে এজনী শালিকাৰ গৰ্ভত সন্তান উৎপাদন কৰি লপিতা নামে আন এজনী শালিকাৰ লগত বাস কৰিছিল। হুতাশনৰ খাণ্ডৱদাহ দেখা পাই মন্দাপালে অগ্নিৰ স্তৱ কৰিলে আৰু তেওঁৰ সন্তানবোৰক ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা জনালে। হুতাশনে জৰিতা আৰু ঋষি-পুত্ৰ বোৰক ভস্ম নকৰি ৰক্ষা কৰিলে।

এনেকৈ খাণ্ডৱ দাহৰ পৰা অশ্বসেন, ময়দানৱ, জৰিতা আৰু ঋষিপুত্ৰ কেইজন ৰক্ষা পৰিল।

দেৱৰাজ ইন্দ্ৰই কৃষ্ণ আৰু অৰ্জ্জুনক দেখা দি কলে "হে অৰ্জ্জুন। তোমাৰ বীৰত্ব দেখি মই সন্তুষ্ট হৈছোঁ। তোমাক কি বৰ লাগে কোৱা"।

অৰ্জ্জুনে কলে "দেৱৰাজ! মোক সকলো দিব্যাস্ত্ৰ প্ৰদান কৰক"। ইন্দ্ৰই কলে "অৰ্জ্জুন। তুমি প্ৰথমতে দেৱাদিদেৱ মহাদেৱৰ তপস্যা কৰা। তেওঁ সন্তুষ্ট হলে মই সকলো দিব্যাস্ত্ৰ তোমাক দিম"। শ্ৰীকৃষ্ণৰ ফালে চাই ইন্দ্ৰই কলে— "কৃষ্ণ! এতিয়া তোমাক কি বৰ লাগে কোৱা"

কৃষ্ণই কলে "দেৱৰাজ! অৰ্জ্জুনৰ লগত মোৰ যেন কেতিয়াও প্ৰণয় বিচ্ছেদ নহয়—মোক এই বৰ প্ৰদান কৰক"। দেৱৰাজ ইন্দ্ৰই হাঁহি মাৰি 'তথাস্তু' বুলি কৈ অদৃশ্য হ'ল।

অগ্নিয়ে কলে "হে কৃষ্ণাৰ্জ্জুন! তোমালোক দুয়ো মোৰ কাৰণে অসাধ্য সাধন কৰিলা। মই এতিয়া আগৰ শক্তি ঘুৰাই

পাই পৰম আনন্দ লাভ কৰিলোঁ। তোমালোক এতিয়া যাব পাৰা; মই তোমালোকৰ ওপৰত সন্তুষ্ট হলোঁ।” ইয়াকে কৈ অগ্নিদেৱতা অদৃশ্য হ'ল।

শ্ৰীকৃষ্ণ, অৰ্জ্জুন আৰু ময়দানৱ, তিনিও আহি যমুনাৰ পাৰত বহিল।

---

# যুধিষ্ঠিৰৰ সভাগৃহ

ময়দানৰে হাতযোৰকৈ অৰ্জুনক কলে "হে কুন্তীপুত্ৰ! প্ৰজ্জ্বলিত হুতাশন আৰু ক্ৰোধান্বিত শ্ৰীকৃষ্ণৰ হাতৰ পৰা আপুনি মোক ৰক্ষা কৰিলে। এতিয়া মই আপোনাৰ কি প্ৰত্যুপকাৰ কৰিব পাৰোঁ মোক আদেশ কৰক। মই দানৱ কুলৰ বিশ্বকৰ্ম্মা"।

অৰ্জ্জুনে কলে—"হে দানৱ শিল্পী! তোমাক মই মৃত্যুৰ মুখৰ

পৰা ৰক্ষা কৰিছোঁ ; সেই কাৰণে তুমি প্ৰত্যুপকাৰ কৰিবলৈ অভিলাষ কৰিলেও মই গ্ৰহণ কৰিবলৈ টান পাইছোঁ। অথচ তোমাৰ অভিলাষ অপূৰ্ণ হওক সেইটোও মই নিবিচাৰোঁ। সেই কাৰণে তুমি কৃষ্ণৰ কাৰণে কিবা কৰি দিলে তাতে মই সন্তুষ্ট হম"।

তেতিয়া ময়দানৱে কৃষ্ণক সকাতৰে অনুৰোধ কৰি তেওঁৰ আদেশলৈ হাতযোৰকৈ ৰৈ থাকিল।

শ্ৰীকৃষ্ণই কলে—"হে শিল্পীবৰ! সঁচাকৈ যদি মোৰ কিবা প্ৰিয়কাৰ্য্যৰ অনুষ্ঠান কৰিব খোজাঁ তেন্তে তুমি মহাৰাজ যুধিষ্ঠিৰৰ কাৰণে এটি সভাঘৰ নিৰ্ম্মাণ কৰি দিয়া। এই সভাঘৰত দেৱতা, দানৱ আৰু মনুষ্যশক্তিৰ সৰ্বোচ্চ কলা-কৌশল স্পষ্টকৈ পৰিলক্ষিত হব লাগিব আৰু তাক কোনোৱে অনুকৰণ কৰিব নোৱাৰিব"।

ময়দানৱ কৃষ্ণৰ প্ৰস্তাৱত মান্তি হ'ল। তেতিয়া কৃষ্ণই অৰ্জ্জুন আৰু ময়দানৱক লগত লৈ যুধিষ্ঠিৰৰ ওচৰলৈ আহিল আৰু তেওঁৰ ওচৰত সভাঘৰ নিৰ্ম্মাণৰ প্ৰস্তাৱ দাঙি ধৰিলে। যুধিষ্ঠিৰে আনন্দৰে কৃষ্ণৰ প্ৰস্তাৱত সমৰ্থন জনালে আৰু ময়দানৱক প্ৰিয় সম্ভাষণ জনালে।

তেতিয়া সকলোৱে মিলি এটি শুভক্ষণ চাই সভাঘৰৰ স্থান নিৰূপন কৰিলে। দীঘলে পাঁচ হাজাৰ হাত পৰিমাণৰ সভাঘৰৰ স্থান নিৰ্দ্ধাৰণ কৰা হ'ল।

ময়দানৱে কলে "হে মহাৰাজ! কিছুদিনৰ আগত কৈলাসৰ উত্তৰফালে দানৱসকলে এটি বিৰাট যজ্ঞানুষ্ঠানৰ আয়োজন কৰে। তাৰ কাৰণে মই বিন্দুসৰোবৰৰ পৰা মণি-মুক্তা আৰু ৰমণীয় দ্ৰব্য সম্ভাৰ আহৰণ কৰি দানৱৰাজ বৃষপৰ্বাৰ সভামণ্ডপত থৈছিলোঁ। সেইবোৰ লৈ আহি মই এটি মনোহৰ বিশ্ব-বিখ্যাত অতি বিচিত্ৰ, সৰ্ব্ব-ৰত্নভূষিত সভাঘৰ নিৰ্ম্মাণ কৰি দিম। মহা-

বীৰ বৃষপৰ্ব্বাই এটি স্নবৰ্ণমণ্ডিত গদা বিন্দুসৰোবৰত থৈছিল ; মই তাকো তুলি আনি মহাবীৰ ভীমক প্ৰদান কৰিম। অৰ্জ্জুনৰ হাতত যেনেকৈ গাণ্ডীৱ ধনু,—ভীমৰ হাতত তেনেকৈ বৃষপৰ্ব্বাৰ গদাই শোভা পাব। বৰুণ দেৱতাই থোৱা দেৱদত্ত নামে শঙ্খ এটাও তাত আছে ; সেইটোও আনি মই সব্যসাচী অৰ্জ্জুনৰ হাতত অৰ্পণ কৰিম''। ইয়াকে কৈ ময়দানৱ গুচি গ'ল

তেতিয়া শ্ৰীকৃষ্ণই যুধিষ্ঠিৰৰ ওচৰত বিদায় মাগিলে। কুন্তীৰ ওচৰলৈ গৈ তেওঁক প্ৰণাম কৰি দ্ৰৌপদী আৰু স্নভদ্ৰাক প্ৰিয় সম্ভাষণ জনালে। পিচত ধৌম্যৰ আশীৰ্ব্বাদ গ্ৰহণ কৰি ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱক আলিঙ্গন কৰি ৰথত উঠিল। এনেতে যুধিষ্ঠিৰে আহি সাৰথিৰ ঠাইত বহি শ্ৰীকৃষ্ণক লৈ ৰথ চলাই দিলে। ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱ অন্য ৰথত তেওঁলোকৰ পাছে পাছে আহি থাকিল। এনেকৈ আধা যোজনৰ পথ যোৱাৰ পাছত শ্ৰীকৃষ্ণই যুধিষ্ঠিৰক উভতিবলৈ অনুৰোধ কৰিলে। বিষাদ মনেৰে যুধিষ্ঠিৰে আহি ভায়েকহঁতৰ ৰথত উঠিল। দাৰুকে ৰথ চলাই শ্ৰীকৃষ্ণক লৈ দ্বাৰকাভিমুখে যাত্ৰা কৰিলে।

★ ★ ★

ময়দানৱে সভাঘৰ নিৰ্ম্মাণৰ উপযোগী সকলো আহিলা-পাতি মণি-মুক্তা আৰু যাৱতীয় দ্ৰব্যসম্ভাৰ আহৰণ কৰি আনি সভাঘৰৰ কাম আৰম্ভ কৰিলে। তেওঁ অৰ্জ্জুনক দেৱদত্ত শঙ্খ আৰু ভীমক মহাশক্তিশালী গদা উপহাৰ দিলে।

চৈধ্যমাহ ধৰি সভাঘৰ নিৰ্ম্মাণৰ কাম চলিল। ঘৰৰ কাম সমাধা হোৱাৰ পাছত ময়দানৱে যুধিষ্ঠিৰৰ হাতত সভাঘৰ অৰ্পণ কৰিলে। পাণ্ডৱসকলে সভাঘৰৰ কাৰুকাৰ্য্য, অপূৰ্ব্ব শোভা আৰু বিচিত্ৰ সৌন্দৰ্য্য দেখি মোহিত হ'ল। স্ফটিকেৰে নিৰ্ম্মিত, মণি-মুক্তা প্ৰৱালেৰে স্নশোভিত, বিচিত্ৰ ৰঙৰ বস্ত্ৰালঙ্কাৰেৰে স্নসজ্জিত,

সেই ঘৰটো বাহিৰৰ পৰা চালে চকুত চমক লাগে আৰু ভিতৰত সোমালে মানুহ দিশহাৰা হয়। মাজত মনোহৰ উদ্যান; তাত সোণৰ গছত মণিমুক্তাৰ ফুল! তাৰ মাজত আকৌ এটি সৰোবৰ। সৰোবৰৰ পানী স্ফটিকৰ নিচিনা নিৰ্ম্মল আৰু মুকুতাৰ মালাৰ দৰে ঢেউ খেলি আছে। পোৱালেৰে বন্ধোৱা সৰোবৰৰ, পাৰত মণিমুক্তা খচিত আসনবোৰ পাতি থোৱা আছে। ৰামধেনুৰ ৰঙত সৰোবৰখন পানীৰে ভৰপূৰ নে বিচিত্ৰ ৰঙৰ এখন মজিয়াহে একো ততকে ধৰিব নোৱাৰি। কোনোফালে আকৌ স্ফটিকে বন্ধোৱা চোতাল যেন দেখি; কোনোফালে নীল আকাশত মিলি যোৱা স্তম্ভ আৰু কোনোফালে এটি বিৰাট কাৰেংঘৰ বুলি ভ্ৰম হয়। কোনোফালে আকৌ এখন সুশোভিত ফুলনি যেন দেখা যায়। ফুলনিৰ মাজেদি বৈ যোৱা সৰু সৰু মনোহৰ পথবোৰে মানুহক আকৰ্ষণ কৰি লৈ যায়!

সভাঘৰৰ মহিমাৰ কথা চাৰিওফালে ফাটিফুটি গ'ল। ৰজা-মহাৰজা, ঋষি-মুনি, সাধু-সন্ন্যাসী আৰু অগণন প্ৰজামণ্ডলী সমবেত হ'লহি। আনকি দেৱতাসকলেও সভাঘৰ চাবলৈ উপস্থিত হ'লহি। সভাঘৰ দেখি সকলোৰে মনত অপাৰ আনন্দ!

মঙ্গলবাদ্য, অপ্সৰাসকলৰ নৃত্য-গীত, ঋষি-মুনি সকলৰ বেদ-ধ্বনি, বৈতালিকবোৰৰ স্তুতি-গীত আৰু প্ৰজাসকলৰ দিগন্ত কঁপোৱা জয়ধ্বনিৰে অভিনন্দিত হৈ মহাৰাজ যুধিষ্ঠিৰে ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱক লগত লৈ সভাঘৰত প্ৰবেশ কৰিলে।

সকলোকে অভিবাদন জনাই যুধিষ্ঠিৰে আসন গ্ৰহণ কৰাৰ লগে লগে গন্ধৰ্ব্ব আৰু অপ্সৰাসকলে যুধিষ্ঠিৰৰ স্তুতি-গীত আৰম্ভ কৰিলে, মহৰ্ষিসকলে আশীৰ্ব্বাদ দিলে আৰু প্ৰজাসকলে পুষ্পবৃষ্টি কৰিব ধৰিলে!

---

# ৰাজসূয় যজ্ঞৰ কল্পনা

একদিন দেৱৰ্ষি নাৰদে তেওঁৰ শিষ্য কেবাজনো ঋষিক লগত লৈ পাণ্ডৱ-সভাত উপস্থিত হ'ল। তেওঁলোকক দেখি যুধিষ্ঠিৰ আৰু পাণ্ডৱ সকলে উঠি গৈ দেৱৰ্ষিক আৰু ঋষিসকলক সাষ্টাঙ্গ প্ৰণিপাত কৰি দিব্য আসন আগবঢ়ালে আৰু বহু উপাচাৰেৰে সৈতে তেওঁলোকক পূজা কৰিলে।

দেৱৰ্ষিয়ে পাণ্ডৱসকলৰ পূজাত সন্তুষ্ট হ'ল আৰু তেওঁ-

লোকক আশীৰ্ব্বাদ দিলে। তাৰ পাচত তেওঁ যুধিষ্ঠিৰক ৰাজনীতি আৰু ধৰ্ম্মনীতিৰ বিষয়ে বহু সাৰুৱা উপদেশ দিলে। কৃষি, বাণিজ্য, দুৰ্গসংস্কাৰ, সেতু নিৰ্ম্মাণ, আয়-ব্যয়ৰ হিচাব, পৌৰ-কাৰ্য্য পৰিদৰ্শন আৰু গাওঁ সংগঠনৰ বিষয়ে দেৱৰ্ষিয়ে যুধিষ্ঠিৰক বহু তত্বপূৰ্ণ কথা কলে। যুধিষ্ঠিৰে কলে "দেৱৰ্ষি! আপোনাৰ উপদেশ পাই মোৰ ৰাজকাৰ্য্যৰ জ্ঞান বহু বাঢ়িল। মই আপোনাৰ উপদেশ মতে কাম কৰিবলৈ দৃঢ় সংকল্প কৰিলোঁ। অৱশ্যে মই অন্যায় ভাবে কোনো কৰ ধাৰ্য্য কৰা নাই আৰু কৰৰ দ্বাৰা সংগ্ৰহ কৰা সকলো অৰ্থ মই প্ৰজাৰ মঙ্গলৰ কাৰণে ব্যয় কৰিছোঁ"।

যুধিষ্ঠিৰৰ এই কথা শুনি নাৰদে আনন্দ প্ৰকাশ কৰিলে আৰু তেওঁৰ সভাঘৰৰ বহু প্ৰশংসা কৰিলে। লগতে ইন্দ্ৰ, যম, বৰুণ, কুবেৰ আৰু ব্ৰহ্মাৰ সভাঘৰৰ বিচিত্ৰ আৰু অপূৰ্ব্ব বৰ্ণনা দি যুধিষ্ঠিৰৰ মন মোহিত কৰিলে। দেৱৰ্ষিয়ে কলে "মৰ্ত্ত্যৰ ৰজাসকলৰ ভিতৰত একমাত্ৰ ৰাজৰ্ষি হৰিশ্চন্দ্ৰই হে ইন্দ্ৰলোকত স্থান পাইছে। হৰিশ্চন্দ্ৰই মৰতত ৰাজসূয় যজ্ঞ সম্পাদন কৰি ইন্দ্ৰলোক প্ৰাপ্ত হৈছে। তাকে দেখি তোমাৰ পিতা পাণ্ডুৱে মই তোমাক ৰাজসূয় যজ্ঞ কৰিবলৈ উপদেশ দিবৰ কাৰণে মোক অনুৰোধ কৰিছিল। তেওঁ ভাবে যে তুমি প্ৰবল পৰাক্ৰমী চাৰি-জন ভ্ৰাতৃৰ সহায়ত ৰাজসূয় যজ্ঞ সম্পন্ন কৰিব পাৰিবা। মই নিজেও ভাবোঁ এই মহৎ যজ্ঞ কৰিবৰ সামৰ্থ্য তোমাৰ আছে। ৰাজসূয় যজ্ঞ সম্পন্ন হলে তোমাৰ পিতৃ দেৱতায়ো পূৰ্ব্বপুৰুষ সকলৰ লগত মহেন্দ্ৰলোক প্ৰাপ্ত হব পাৰে"।

"মহাৰাজ! যজ্ঞৰ ভিতৰত ৰাজসূয় যজ্ঞই সৰ্ব্বশ্ৰেষ্ঠ যজ্ঞ। কিন্তু এই যজ্ঞৰ বিঘ্নি বহুত। যজ্ঞধ্বংসকাৰী ব্ৰহ্মৰাক্ষস-বিলাকে যজ্ঞৰ কেৱল ছিদ্ৰ বিচাৰি ফুৰে; ফলত মহাযুদ্ধ আৰম্ভ হয় আৰু পৃথিৱীত লোকক্ষয় আৰু শক্তিক্ষয় হয়। তদুপৰি এটা

নহয় এটা অনিষ্টপাত হবই। এইবোৰ কথা বিবেচনা কৰি চাই ধৰ্ম্মত মতি ৰাখি কৰ্ম্মক্ষেত্ৰত আগ বাঢ়িবা"।

ইয়াকে কৈ দেৱৰ্ষি নাৰদ শিষ্যবোৰক লগত লৈ গুচি গ'ল।

★ ★ ★

যুধিষ্ঠিৰৰ মনত ৰাজসূয় কৰিবলৈ প্ৰবল বাসনা হ'ল। এই বাসনা মনত লৈ তেওঁ প্ৰজাবোৰৰ বহু হিতানুষ্ঠান সম্পাদন কৰিলে আৰু বহু পৰিকল্পনা হাতত ললে। কৃষি আৰু বাণিজ্যৰ উন্নতি সাধন কৰিলে আৰু অভাৱ-অভিযোগ দূৰ কৰিবলৈ সকলো ৰাজশক্তি প্ৰয়োগ কৰিলে। চাওঁতে চাওঁতে অলপ দিনৰ ভিতৰত প্ৰজাবোৰৰ বহু উন্নতি হ'ল আৰু তেওঁলোকৰ মাজত অভাৱ-অভিযোগ নাইকীয়া হ'ল।

যুধিষ্ঠিৰে ছেগ বুজি এদিনাখন মন্ত্ৰীমণ্ডলী আৰু ভ্ৰাতৃসকলৰ মাজত ৰাজসূয় যজ্ঞৰ কথাটো উন্মুকিয়ালে। ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱ, চাৰিওজনে মন্ত্ৰীমণ্ডলীৰ লগত একমত হৈ যুধিষ্ঠিৰক উদগনি দিলে। তেতিয়া তেওঁ ব্যাসদেৱ, ধৌম্য আৰু ঋষি-মুনি সকলৰ মাজত বিষয়টো উত্থাপন কৰিলে। তেতিয়া ঋষি-মুনিসকলে কলে "হে ধৰ্ম্মৰাজ। ৰাজসূয় যজ্ঞ কৰিবলৈ এই পৃথিবীত তুমিয়ে একমাত্ৰ যোগ্য পুৰুষ! আমি আশীৰ্ব্বাদ দিছোঁ তুমি কৃতকাৰ্য্য হবা"।

যুধিষ্ঠিৰে মনতে ভাবিলে—"যি মানুহে নিজৰ সামৰ্থ্য, সম্পত্তি, দেশ, কাল, আয়, ব্যয়, এইবোৰ ভালকৈ বিচাৰ কৰি নাচায় তেওঁ বিপদত পৰে। সেই কাৰণে এই বিষয়ে কৃষ্ণৰ লগত আলোচনা কৰি চোৱা ভাল হব। শ্ৰীকৃষ্ণ সৰ্ব্বজ্ঞ; গতিকে তেওঁৰ উপদেশ মতে কাম কৰাই ভাল হব"। এনেকৈ ভাবি তেওঁ শ্ৰীকৃষ্ণক আহিবলৈ অনুৰোধ জনাই দূত পঠালে।

দূতৰ মুখত শ্ৰীকৃষ্ণই যুধিষ্ঠিৰৰ আমন্ত্ৰণৰ কথা শুনি তত্তালিকে ৰথত উঠি ইন্দ্ৰপ্ৰস্থলৈ যাত্ৰা কৰিলে।

যথাসময়ত কৃষ্ণই ইন্দ্ৰ প্ৰস্থ পালেহি। অলপ জিৰণি লৈ তেওঁ সকলোকে প্ৰীতি সম্ভাষণ জনাই যুধিষ্ঠিৰৰ ওচৰলৈ আহিল। দুয়োৰো মাজত প্ৰীতিপূৰ্ণ প্ৰিয় সম্ভাষণৰ আদান-প্ৰদান হৈ যোৱাৰ পাছত যুধিষ্ঠিৰে কলে "হে কৃষ্ণ! মোৰ মন ৰাজসূয় যজ্ঞৰ কাৰণে আকুল হৈছে। মোৰ ভাই-বন্ধু, মন্ত্ৰী-বিষয়া সকলোৱে মোক উদগনি দিছে। কিন্তু হে কেশৱ! তোমাৰ পৰামৰ্শ নাপালে মই এই কামত আগবাঢ়িব নোৱাৰোঁ। অপ্ৰিয় হলেও সদুপদেশ একমাত্ৰ তুমিয়েহে দিব পাৰা; এই কাৰণে মই তোমাৰ আগমনলৈ বাট চাই আছোঁ।

শ্ৰীকৃষ্ণই কলে "মহাৰাজ! আপুনি সৰ্ব্বগুণসম্পন্ন। আপুনিয়ে ৰাজসূয় যজ্ঞ কৰিবলৈ একমাত্ৰ যোগ্য পুৰুষ; এই বিষয়ে কাৰো মনত একো সন্দেহ থাকিব নোৱাৰে। কিন্তু এই মহান অনুষ্ঠানত বহুতো বিঘিনি আছে। সমগ্ৰ পৃথিবী জয় কৰি, সকলো ৰজাকে নিজৰ বশলৈ আনি সাম্ৰাজ্য গঠন কৰিব লাগিব। একমাত্ৰ ৰাজচক্ৰৱৰ্ত্তী ৰজাইহে ৰাজসূয় যজ্ঞ কৰিব পাৰে"।

"কিন্তু এতিয়া জৰাসন্ধই আপোনাৰ প্ৰবল প্ৰতিদ্বন্দ্বী হৈ মূৰ দাঙি আছে। মহাপ্ৰতাপী শিশুপাল তেওঁৰ প্ৰধান সহায় হৈ আছে। আপোনাৰ পিতৃ-বন্ধু মহাবীৰ ভগদত্ত, আপোনাৰ মাতুল পুৰুজিৎ, মহাপৰাক্ৰমী পৌণ্ড্ৰক আৰু আমাৰ পৰমাত্মীয় মহাবীৰ ভীষ্মক, এওঁলোক সকলোৱে জৰাসন্ধৰ লগত যোগ দিছে"।

"কংসক মই বধ কৰাৰ পাছত জৰাসন্ধ প্ৰবল হৈ উঠে। আমি তেতিয়া ভাবি চালোঁ যে তিনিশ বছৰ অবিৰাম যুদ্ধ কৰিলেও জৰাসন্ধৰ সৈন্যবাহিনী শেষ কৰিব নোৱাৰিম। তেতিয়া আমি মথুৰা এৰি দ্বাৰকালৈ গলোঁ। দ্বাৰকাত আমি এনেভাৱে দুৰ্গ সংস্কাৰ কৰিলোঁ যে আনকি স্ত্ৰীলোকেও যুদ্ধ কৰি নগৰ ৰক্ষা কৰিব পাৰিব"।

"হে মহাৰাজ! আপুনি সম্ৰাটতুল্য গুণবান; সেই কাৰণে

আপুনি অৱশ্যে সম্ৰাট হব লাগে। কিন্তু জৰাসন্ধ জীৱিত থাকিলে আপুনি কেতিয়াও ৰাজসূয় যজ্ঞ সমাধা কৰিব নোৱাৰিব বুলি মোৰ বিশ্বাস। জৰাসন্ধই ছিয়াশীজন ৰজাক বন্দী কৰি ৰাখিছে। এশজন পূৰ্ণ হলে এই নৃপতিবৃন্দক বলি দিব। আপুনি এতিয়া এই ৰজাবোৰক মুক্ত কৰি আপোনাৰ অনুগত কৰি লব লাগিব”।

যুধিষ্ঠিৰে সুধিলে “হে কৃষ্ণ। এই জৰাসন্ধ কোন? তেওঁ কিহৰ বলত তোমাৰ বিৰুদ্ধাচৰণ কৰিও এতিয়ালৈ ধ্বংস হোৱা নাই?”

শ্ৰীকৃষ্ণই জৰাসন্ধৰ জন্ম-বৃত্তান্ত কবলৈ আৰম্ভ কৰিলে।

মগধ ৰাজ্যত বৃহদ্ৰথ নামে এজন প্ৰবল প্ৰতাপী ৰজাই ৰাজত্ব কৰে। তেওঁ কাশীৰ ৰজাৰ দুজনী যমজ কন্যাৰ পাণি গ্ৰহণ কৰে। কিন্তু বহুদিনলৈ তেওঁলোকৰ কোনো সন্তান-সন্ততি নহ'ল।

এদিনাখন মহৰ্ষি গৌতমৰ পুত্ৰ চণ্ডকৌশিকে এজোপা আম গছৰ তলত বহি জিৰণি লৈ আছিল। দুয়োগৰাকী মহিষীৰ লগত ঘূৰি ফুৰোঁতে বৃহদ্ৰথে মহৰ্ষিক দেখা পালে আৰু আগবাঢ়ি গৈ সভক্তিৰে সেৱা জনালে। মহৰ্ষিয়ে আশীৰ্বাদ দিলে। তেতিয়া মহৰ্ষিক বৃহদ্ৰথে নিজৰ মনৰ দুখৰ কথা ভাঙি কলে। মহৰ্ষি ধ্যানত নিমগ্ন হ'ল। অলপ সময়ৰ পাছত গছৰ পৰা এটা আম সৰি পৰিল। মহৰ্ষিয়ে আমটো ৰজাক দিলে আৰু মহিষীয়ে আমটো খালে পুত্ৰ সন্তান হব বুলি বৰ দিলে।

দুয়োগৰাকী মহিষীয়ে আমটো ভগাই খালে। কিছুদিন পাছত দুয়োগৰাকী মহিষী গৰ্ভৱতী হ'ল আৰু যথা সময়ত দুয়োৰো একোটাকৈ সন্তান হ'ল। কিন্তু বৰ আচৰিত কথা যে দুয়োটা সন্তানেই এক চকু, এক হাত, এক ভৰি, আধা মুখ আধা মূৰ আৰু একাল পেটেৰে সৈতে বিকৃতাকাৰ হ'ল।

মনৰ দুখত ৰাজমহিষী দুগৰাকীয়ে সন্তান দুটাক পেলাই

দিবলৈ ধাত্ৰীক নিৰ্দ্দেশ দিলে। ধাত্ৰীয়ে দুয়োটা সন্তানকে এটা চাৰিআলিৰ চুকত থৈ আহিল। জৰা নামে এক নৰমাংসাহাৰী ৰাক্ষসীয়ে সেই পথেৰে যাওঁতে সন্তান দুটা দেখা পালে। জৰাই কেচুৱা দুটা লৈ যাবলৈ বুলি কাপোৰ এখনেৰে দুয়োটা কেঁচুৱাকে একেলগে বান্ধিলে। ততালিকে দুয়োটা কেঁচুৱা লগ লাগি এটি সুন্দৰ ধুনীয়া শিশু হ'ল আৰু কান্দিব ধৰিলে। কান্দোন শুনি ৰাজ অন্তেসপুৰৰ পুৰা সকলো দৌৰি আহি শিশু দুটা জোৰা লাগি এটা হোৱা বাতৰি ৰজাক দিলেগৈ।

ৰজাই আহি কান্দি থকা শিশুটো দেখা পাই কেনেকৈ এনুৱা হ'ল জৰাক সুধিলে। জৰাই কলে "মহাৰাজ! মই আপোনাৰ গৃহ দেৱী। আপোনাৰ ভক্তিত তুষ্ট হৈ মই সদায় আপোনাৰ ঘৰতে থাকোঁ। আপোনাৰ এই অৰ্দ্ধদেহৰ শিশু দুটাক দেখি মই দুয়োটা লগ লগাই দিলোঁ। এতিয়া এই শিশুৰ প্ৰকৃত ৰূপ নিজে দেখা পালে"।

ৰজাই আনন্দ মনেৰে শিশুটো লৈ আহিল আৰু ৰাজ্যত জৰাৰ নামত মহোৎসৱ পালন কৰিবলৈ আদেশ দিলে। জৰাই সন্ধি কৰা অৰ্থাৎ লগ লগোৱা বুলি এই শিশুৰ নাম জৰাসন্ধ হ'ল।

এনেকৈ জন্মলাভ কৰি জৰাসন্ধ দিনক দিনে বাঢ়ি আহিব ধৰিলে। তেওঁ লাহে লাহে মহাবলী আৰু মহাপৰাক্ৰমী হৈ উঠিল।

এনেতে এদিন মহৰ্ষি চণ্ডকৌশিক মগধ ৰাজ্যত উপস্থিত হৈ ৰজা বৃহদ্ৰথক কলে "ৰাজন্! মই দিব্য চক্ষুৰে সকলো বুজি পাইছোঁ। তোমাৰ এই পুত্ৰ প্ৰবল পৰাক্ৰমী আৰু অতুল ঐশ্বৰ্য্যৰ অধিকাৰী হব। এওঁৰ শত্ৰুতা কৰি কোনোৱে ৰক্ষা নাপাব। এওঁ সকলো ৰজাকে বশীভূত কৰি চাৰিবৰ্ণ পালন কৰিব। মানুহৰ কথাকে নকওঁ, দেৱতাৰ অস্ত্ৰয়ো এওঁক মাৰিব

নোৱাৰিব আৰু এওঁ দেৱাদিদেৱ মহাদেৱৰ দৰ্শন লাভ কৰিব"। এইবুলি কৈ মহৰ্ষি চণ্ডকৌশিকে ৰজাৰ পৰা বিদায় ললে। কেইবছৰমান পাছত ৰজা বৃহদ্ৰথে জৰাসন্ধৰ হাতত ৰাজ্যভাৰ অৰ্পণ কৰি দুয়ো গৰাকী মহিষীক লগত লৈ বানপ্ৰস্থ গ্ৰহণ কৰিলে।

চণ্ডকৌশিকৰ বৰত জৰাসন্ধ প্ৰবল পৰাক্ৰমী হৈ উঠিল। হংস আৰু ডিম্ভক নামে দুজন মহাবলী আৰু মহাপৰাক্ৰমী বীৰ পুৰুষ জৰাসন্ধৰ সহায় হ'ল। এওঁলোক দুয়ো নীতি-শাস্ত্ৰত পাৰদৰ্শী, মন্ত্ৰণাকাৰ্য্যত সুনিপুণ, তীক্ষ্ণবুদ্ধি সম্পন্ন আৰু ৰণত অবধ্য দুৰ্জ্জয় পুৰুষ আছিল।

এনেকৈ জৰাসন্ধৰ পৰিচয় দি শ্ৰীকৃষ্ণই যুধিষ্ঠিৰক কলে "হংস নামে অন্য এজন বিখ্যাত নৰপতিক বলদেৱে ৰণত সংহাৰ কৰে। জৰাসন্ধৰ অনুগত ডিম্ভই তেওঁৰ সখী হংসৰ মৃত্যু হোৱা বুলি শোকত অধীৰ হৈ যমুনাত নিজৰ জীৱন বিসৰ্জ্জন দিয়ে। পাছত হংসই, এই কথা শুনি ডিম্ভৰ শোকত অস্থিৰ হৈ যমুনাত প্ৰাণ ত্যাগ কৰে"।

"হে যুধিষ্ঠিৰ ! হংস আৰু ডিম্ভৰ মৃত্যু হৈছে। এতেকে জৰাসন্ধক দমন কৰিবলৈ এয়ে উপযুক্ত সময়"।

---

শ্ৰীকৃষ্ণৰ কথা শুনি যুধিষ্ঠিৰে কলে "হে কৃষ্ণ! তুমিয়ে মোৰ বল আৰু তুমিয়ে মোৰ শক্তি। তুমিয়ে যাক দমন কৰিবলৈ অসমৰ্থ হৈছোঁ, মই সেই জৰাসন্ধক কেনেকৈ পৰাস্ত কৰিম"?

শ্ৰীকৃষ্ণই কলে "হে মহাৰাজ! মোৰ নীতি, ভীমৰ বাহু-বল আৰু অৰ্জ্জুনৰ সাহস, এই তিনিশক্তিৰ মুখত জৰাসন্ধৰ নিশ্চয় পতন হব। আমি তিনিও গৈ দ্বৈতযুঁজত জৰাসন্ধক

আহ্বান কৰিলে জৰাসন্ধই মহাবীৰ ভীমকে প্ৰতিযোদ্ধা বুলি গ্ৰহণ কৰিব। মহাবীৰ ভীমে অৱশ্যে জৰাসন্ধক নিধন কৰিব পাৰিব"।

যুধিষ্ঠিৰে কলে "হে কেশৱ। মই সাম্ৰাজ্যৰ লোভত নিতান্ত স্বাৰ্থপৰায়ণ হৈ জৰাসন্ধৰ লগত যুদ্ধ কৰিবলৈ তোমালোকক কেনেকৈ অনুমতি দিওঁ? ভীম আৰু অৰ্জ্জুন মোৰ নয়নৰ মণি, তুমি মোৰ মন। মনোহীন আৰু চক্ষুহীন হৈ মই কেনেকৈ বাঁচি থাকিম? এতেকে হে জনাৰ্দ্দন। ৰাজসূয় যজ্ঞৰ আশা মই বিসৰ্জ্জন দিলোঁ।"।

শ্ৰীকৃষ্ণই কলে "হে যুধিষ্ঠিৰ। বীৰপুৰুষে নিজৰ বল-বীৰ্য্য প্ৰকাশ কৰি কৰ্ত্তব্য পথত আগবাঢ়িব লাগে। বিশেষকৈ, মোৰ বুদ্ধিবল, ভীমৰ বাহুবল আৰু অৰ্জ্জুনৰ অস্ত্ৰবল, তাৰে সৈতে যজ্ঞৰ প্ৰজ্বলিত বহ্নিৰ দৰে আমি তিনিও জৰাসন্ধক অৱশ্যে জয় কৰিব পাৰিম। এতেকে হে মহাৰাজ। আপোনাৰ যদি মোৰ প্ৰতি বিশ্বাস থাকে তেন্তে অকণো দ্বিধা নকৰি ভীম আৰু অৰ্জুনক মোৰ হাতত অৰ্পণ কৰক"।

যুধিষ্ঠিৰে সম্মতিসূচক হাঁহিৰে সৈতে ৰংমনে বহি থকা ভীম আৰু অৰ্জুনৰ প্ৰতি দৃষ্টিপাত কৰি কলে "হে বাসুদেৱ! তুমি তেনেকৈ কৈ মোৰ মনত দুখ নিদিবা। তুমিয়ে পাণ্ডৱ-বোৰৰ অধিপতি আৰু আমি তোমাৰ আশ্ৰিত। তোমাৰ কৰুণা হ'লে ভীমাৰ্জ্জুনে অৱশ্যে হেলাৰঙে জৰাসন্ধক বধ কৰি ৰাজন্য-বৰ্গক মুক্তি দিব পাৰিব। এতেকে তোমাৰ যি অভিৰুচি হয় তাকে কৰা"।

যুধিষ্ঠিৰৰ অনুমতি পাই শ্ৰীকৃষ্ণ, ভীম আৰু অৰ্জ্জুনৰ মন আনন্দত নাচি উঠিল। তেওঁলোকে মহাৰাজ যুধিষ্ঠিৰক প্ৰণাম কৰি ব্ৰাহ্মণ কুমাৰৰ বেশেৰে মগধলৈ বুলি যাত্ৰা কৰিলে। ব্ৰাহ্মণ কুমাৰৰ বেশত তেওঁলোক চন্দ্ৰ সূৰ্য্য আৰু অগ্নিৰ নিচিনা উজ্বল হৈ

উঠিল। আগত ভীম, মাজত শ্ৰীকৃষ্ণ আৰু পাছত অৰ্জ্জুন, তিনিও অপৰূপ শোভা বিতৰণ কৰি নগৰৰ মাজে মাজে গৈ থকা দেখি পুৰবাসী সকলে আনন্দত উত্ৰাৱল হৈ তেওঁলোকৰ জয়ধ্বনি দিব ধৰিলে।

পৰ্ব্বত, পাহাৰ, নদ, নদী, অতিক্ৰম কৰি অটব্য হাবিৰ মাজেৰে গৈ গৈ কেবাদিনৰ মূৰত তেওঁলোকে গো-ৰথ পৰ্ব্বতত উঠিল হি। তাৰ পৰা তেওঁলোকে মগধপুৰ দেখা পালে। কৃষ্ণই কলে "হে অৰ্জ্জুন! সৌৱা চোৱাঁ—বৈহাৰ, বৰাহ, বৃষভ, ঋষিগিৰি আৰু চৈত্যক, এই পঞ্চ পৰ্ব্বতমালাৰ দ্বাৰা সুশোভিত আৰু সুৰক্ষিত মগধৰাজ্য! এই মগধ ৰাজ্যখন এখন মেঘালয়। পৰ্বতমালাৰ শিখৰে শিখৰে মেঘবোৰে কেনেকৈ ঢেউ খেলি ফুৰিছে চোৱাঁ। এই সুৰক্ষিত নগৰৰ অধিপতি দুৰাত্মা জৰাসন্ধই নিজৰ কাৰ্য্য সিদ্ধিৰ বিষয়ে নিশ্চিত হৈ ৰাজন্যবৰ্গক বন্দী কৰি থৈছে। আজি আমি জৰাসন্ধৰ দৰ্প চূৰ্ণ কৰিম"।

ইয়াকে কৈ শ্ৰীকৃষ্ণই ভীম আৰু অৰ্জ্জুনক লগত লৈ পৰ্বতৰ পৰা নামি আহিল। নামি আহিয়ে তেওঁলোকে জৰাসন্ধৰ ৰাজধানী গিৰিব্ৰজৰ প্ৰান্তৰৰ সিংহদ্বাৰত উপস্থিত হ'ল। সিংহদ্বাৰত তিনিটা দবা আৰু চৈত্যশৃঙ্গ নামে এটা স্তম্ভ আছিল। জৰাসন্ধই বলধৰূপী এক অসুৰক হত্যা কৰি তাৰ চালেৰে দবা তিনিটা নিৰ্ম্মাণ কৰাই লৈছিল। ভীম আৰু অৰ্জ্জুনে এই দবা তিনিটা ভাঙি পেলালে আৰু চৈত্যশৃঙ্গ নামৰ স্তম্ভটো বগৰাই দিলে। নগৰৰ ব্ৰাহ্মণসকলে এনেবোৰ উৎপাত দেখা পাই ৰজাৰ অমঙ্গল হব বুলি ভয় খালে আৰু জৰাসন্ধৰ ওচৰত গোচৰ দিলে গৈ।

অমঙ্গলৰ প্ৰতিকাৰৰ কাৰণে জৰাসন্ধই ব্ৰত ললে আৰু উপবাসে থাকিল। ইফালে ভীম, অৰ্জ্জুন আৰু শ্ৰীকৃষ্ণই হাতৰ অস্ত্ৰশস্ত্ৰ পৰিত্যাগ কৰি ফুল আৰু চন্দনেৰে সুশোভিত হৈ ডিঙিত

ফুলৰ মালা পিন্ধি জৰাসন্ধৰ আগত উপস্থিত হ'লহি।

মহাৰাজ জৰাসন্ধই তেওঁলোকক দেখা পাই আসন এৰি উঠি গৈ স্বাগত সম্ভাষণ জনালে আৰু আসনত বহুৱাই তেওঁলোকক পূজা কৰিলে শ্ৰীকৃষ্ণই কলে "হে ৰাজন্। মোৰ সঙ্গী দুয়োজন মৌন-ব্ৰতধাৰী ; এতিয়া এওঁলোকে কোনো কথা নকয়, দোভাগ নিশাৰ সময়ত তেওঁলোকে আপোনাৰ লগত কথা কব"। ইয়াকে শুনি জৰাসন্ধই তেওঁলোকক পূজাঘৰত থাকিবলৈ দি গুচি গ'ল।

জৰাসন্ধৰ নিয়ম আছিল যে কোনো ব্ৰতধাৰী ব্ৰাহ্মণ মাজনিশা আহিলেও তেওঁ নিজে গৈ অভ্যাৰ্থনা কৰিব। এই নিয়ম অনুসাৰে জৰাসন্ধই পূজা ঘৰত গৈ কৃষ্ণ, ভীম আৰু অৰ্জ্জুনৰ ওচৰলৈ গৈ তেওঁলোকক যথাবিধি পূজা কৰিলে। তাৰ পাছত তেওঁ কলে "হে বিপ্ৰগণ। মই জনাত কোনো ব্ৰত-ধাৰী ব্ৰাহ্মণে সভাৰ বাহিৰে অইন ঠাইলৈ আহিলে ফুলৰ মালা নিপিন্ধে। আপোনালোক কোন ? ৰঙ্গা বস্ত্ৰ পৰিধান কৰি ডিঙিত মালা লৈ চন্দনেৰে সুশোভিত হৈ আছে ; কিন্তু আপো-নালোকৰ হাতত ধনু-কাড় লোৱা চিহ্ন দেখা গৈছে। আপোনা-লোকক দেখিলেই ক্ষত্ৰিয় বুলি অনুমান হয়। ব্ৰাহ্মণে বাক্যৰ দ্বাৰা নিজৰ প্ৰভাৱ দেখুৱায় আৰু আপোনালোকে বলেৰে চৈত্যশৃঙ্গ স্তম্ভ বগৰাই দি নিজৰ বাহুবলৰ পৰিচয় দিছে। মই পূজা কৰিলো, কিন্তু আপোনালোকে মোৰ পূজা গ্ৰহণ নকৰিলে, আৰু এনেকৈ অপ্ৰকাশিত ভাবে মোৰ ওচৰলৈ বা কিয় আহিল ? ৰজাৰ ওচৰত সঁচা কথা কব লাগে। মোক আপো-নালোকৰ আচল পৰিচয় দিয়ক"। শ্ৰীকৃষ্ণই কলে "হে মহা-ৰাজ। ব্ৰাহ্মণ ক্ষত্ৰিয় আৰু বৈশ্য এই তিনিও জাতিয়ে ব্ৰত ধাৰণ কৰিব পাৰে। ধীৰ ব্যক্তিয়ে শত্ৰু গৃহত অপ্ৰকাশিত ভাবে আৰু মিত্ৰ গৃহত প্ৰকাশ্য ভাবে প্ৰকাশ কৰে। শত্ৰুৰ পূজা আমি গ্ৰহণ নকৰোঁ ; এয়ে আমাৰ নীতি"।

জৰাসন্ধই কলে "হে বিপ্ৰগণ ! মই আপোনালোকৰ কেতিয়াও কোনো শত্ৰুতা কৰা নাই ; মোক কিয় শত্ৰু বুলি কৈছে" ?

শ্ৰীকৃষ্ণই ধীৰে ধীৰে কলে "হে জৰাসন্ধ ! ক্ষত্ৰিয়বোৰক পূজাৰ উপহাৰ কৰি বলি দিবলৈ মানস কৰি তুমি গুৰুতৰ অপৰাধী হৈছা । আমি কেতিয়াও নৰবলি দেখা নাই ; তুমি কোন বিধিমতে বন্দী ৰাজন্যবৰ্গক বলি দি পশুপতিৰ পূজা কৰিবলৈ মানস কৰিছা ? ক্ষত্ৰিয়বোৰ তোমাৰ জাতি , সেই ক্ষত্ৰিয়বোৰক তুমি পশু-জ্ঞান কৰিছা, এতেকে তুমি আমাৰ জাতি-ক্ষয়কাৰী পৰম শত্ৰু। তোমাৰ অনুমান সঁচা ; আমি ব্ৰাহ্মণ কুমাৰ নহওঁ । মই বসুদেৱ নন্দন কৃষ্ণ আৰু এওঁলোক দুয়ো পাণ্ডুপুত্ৰ ভীম আৰু আৰ্জ্জুন । তুমি ৰাজন্যবৰ্গক মুক্তি দিয়া ; যদি নিদিয়া, তেন্তে আমাৰ ভিতৰত যি কোনো এজনৰ লগত যুজ কৰিবলৈ প্ৰস্তুত হোৱা" ।

জৰাসন্ধই কলে "হে কৃষ্ণ ! মই প্ৰত্যেকজন ৰজাক যুদ্ধত জয় কৰি বন্দী কৰিছোঁ । বন্দীৰ লগত স্বেচ্ছানুসাৰে ব্যৱহাৰ কৰা ক্ষত্ৰিয়ৰ ধৰ্ম্ম । দেৱতাৰ পূজাৰ কাৰণে মই সিহঁতক বন্দী কৰি থৈছোঁ ; সিহঁতক মই এৰি নিদিওঁ । তোমালোকৰ ভিতৰত ভীমেই মোৰ উপযুক্ত প্ৰতিযোদ্ধা বুলি ভাবোঁ ; মই তেওঁৰ লগত যুদ্ধ কৰিম" ।

এই কথা কৈ জৰাসন্ধই তেতিয়াই তেওঁৰ পুতেকক ৰজা পাতি পুৰোহিতৰ দ্বাৰা অভিষেক কাৰ্য্য সম্পন্ন কৰিলে । তাৰ পাছত তেওঁ ভীমক যুঁজলৈ আহ্বান কৰিলে ।

যুদ্ধৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে নগৰৰ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ সকলো জাতিৰ মানুহবোৰ যুদ্ধ চাবলৈ সমবেত হ'ল । যুদ্ধক্ষেত্ৰ জনতাৰে পৰিপূৰ্ণ হ'ল । ভীম আৰু জৰাসন্ধই পৰস্পৰক আক্ৰমণ কৰিলে । দুজনেই দীৰ্ঘবাহু আৰু যুদ্ধ-কৌশলী । তেওঁলোকে টানাটানি, বাগৰা-বাগৰি কৰি ইজনে

সিজনক পৰাজয় কৰিবলৈ ভীষণ সংগ্ৰাম আৰম্ভ কৰিলে। এই যুদ্ধ কাতি মাহৰ পহিলা দিনৰ পৰা আৰম্ভ কৰি তেৰদিন সমানে চলিল। চৈধ্য-দিনাখন মগধৰাজ জৰাসন্ধ ক্লান্ত হৈ পৰিল।

এয়ে সুযোগ বুলি ভাবি শ্ৰীকৃষ্ণই কলে "হে বৃকোদৰ! জৰাসন্ধ ভাগৰি গৈছে। তুমি এতিয়া তেওঁক পীড়ন নকৰিবা। তোমালোকে এতিয়া বাহু যুদ্ধকৰা"। এনেকৈ কৈ শ্ৰীকৃষ্ণই খাগৰি এটুকুৰা দুফাল কৰি ভীমক সঙ্কেত দিলে। ভীমে কলে "হে কৃষ্ণ! দুৰাত্মাৰ কঁকালখন টঙ্গালিৰে এনেকৈ বন্ধা আছে যে কোনোপধ্যে মই তাক দুফাল কৰিব নোৱাৰোঁ"।

শ্ৰীকৃষ্ণই কলে "ভীম! তোমাৰ দৈববল আৰু বায়ুবল আজি জৰাসন্ধক দেখুৱাই দিয়া"।

ভীমে ততালিকে জৰাসন্ধৰ হাত দুখনত ধৰি চক্ৰবাণ ঘুৰোৱা দৰে ঘূৰাব ধৰিলে। ঘূৰাওঁতে ঘূৰাওঁতে কঁকালৰ টঙ্গালি ঢিলা হ'ল। তেতিয়া ভীমে জৰাসন্ধক পেলাই লৈ এখন ভৰিৰে জৰাসন্ধৰ ভৰি এখন গচকি ধৰি আনখন ভৰি হাতেৰে টান মাৰি দিয়াৰ লগে লগে জৰাসন্ধ দুফাল হৈ ভয়ঙ্কৰ আৰ্ত্তনাদ কৰি প্ৰাণ ত্যাগ কৰিলে। ভীমে সিংহনাদ কৰি বিজয় ঘোষণা কৰিলে।

তেতিয়া জৰাসন্ধৰ পতাকা উৰি থকা ৰথখনত উঠি শ্ৰীকৃষ্ণই-ভীম আৰু অৰ্জুনক লগত লৈ জৰাসন্ধৰ বন্দী-শাললৈ আহিল আৰু বন্দী হৈ থকা ৰাজন্যবৰ্গক মুক্ত কৰি দিলে। ৰজাসকলে শ্ৰীকৃষ্ণ আৰু পাণ্ডৱ সকলৰ স্তুতি গীত গাই তেওঁলোকৰ জয়ধ্বনি দিলে।

শ্ৰীকৃষ্ণই কলে "হে ৰাজন্যবৰ্গ! মহাৰাজ যুধিষ্ঠিৰৰ আদেশত মহাবীৰ বৃকোদৰে আপোনালোকক কাৰামুক্ত কৰিলে। মহাৰাজ যুধিষ্ঠিৰে ৰাজসূয় যজ্ঞৰ আয়োজন কৰিছে। আপোনালোকে

তেওঁৰ অনুগত হৈ ধনৰত্নেৰে সহায় কৰি মহাৰাজ যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞ সাফল্যমণ্ডিত কৰক।

ৰাজন্যমণ্ডলীয়ে তেতিয়াই মহাৰাজ যুধিষ্ঠিৰক সম্রাট বুলি ঘোষণা কৰিলে।

ৰজাসকলক লগত ল'ই কৃষ্ণ, ভীম আৰু অৰ্জুন তিনিও-জন জৰাসন্ধৰ সভাঘৰলৈ আহিল। জৰাসন্ধৰ পুত্ৰেক সহদেৱে মন্ত্রীসকলৰ লগত একেলগে আহি শ্রীকৃষ্ণৰ শৰণাপন্ন হল।

শ্রীকৃষ্ণই সহদেৱক অভয় দিলে আৰু তেওঁক মগধ ৰাজ্যৰ ৰজা পাতিলে। সহদেৱে শ্রীকৃষ্ণ, ভীম আৰু অৰ্জ্জুনক বহু ধন ৰত্ন উপহাৰ দিলে। ৰজাসকলক লগত লৈ তেওঁলোকে ইন্দ্ৰপ্ৰস্থলৈ উভতি আহিল।

মগধৰাজ্যৰ পৰা অনা ভাঁৰে ভাঁৰে ধন-ৰত্ন মহাৰাজ যুধি-ষ্ঠিৰক অৰ্পণ কৰি শ্রীকৃষ্ণই কলে "হে মহাৰাজ! মহাবীৰ বৃকোদৰে তুমুল সংগ্ৰামত মহাবীৰ জৰাসন্ধক বধ কৰি এই ৰজা-সকলক মুক্ত কৰি দিলে। এওঁলোকে আপোনাৰ আনুগত্য স্বীকাৰ কৰি আপোনাক সম্রাট বুলি ঘোষণা কৰিছে"।

এই কথা শুনি যুধিষ্ঠিৰে শ্ৰীকৃষ্ণক যথোচিত পূজা কৰি ভীম আৰু অৰ্জ্জুনক আলিঙ্গন কৰিলে। তেওঁ আনন্দত আত্ম-হাৰা হ'ল। ৰজাসকলক তেওঁ প্ৰিয় সম্ভাষণ জনালে আৰু শ্ৰীকৃষ্ণক কলে "হে বাসুদেৱ! তুমি য'তে থাকা ত'তে জয় অৱশ্যম্ভাবী"।

শ্ৰীকৃষ্ণই কলে "হে যুধিষ্ঠিৰ! পৃথিবীৰ এতিয়া বাকী ৰজাবোৰক হাত কৰিব লাগে। ভীম, অৰ্জুন, নকুল আৰু সহ-দেৱ চাৰিওজন মহাবীৰ। সৈন্য-সামন্ত লৈ চাৰিওজনে চাৰি-ফালে দিগ্বিজয়ৰ কাৰণে যাত্ৰা কৰক"। ইয়াকে কৈ শ্ৰীকৃষ্ণই সকলোকে সুমধুৰ প্ৰীতি-সম্ভাষণ জনাই দ্বাৰকালৈ যাত্ৰ কৰিলে।

# পাণ্ডৱৰ দিগ্বিজয়

ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱ চাৰিওজনে চাৰিওফালে সৈন্য-সামন্ত লৈ যাত্ৰা কৰিলে।

অগ্নিদেৱতাৰ পৰা পোৱা কপিধ্বজ ৰথ, গাণ্ডীৱ ধনু আৰু অক্ষয় তূণেৰে সৈতে সুসজ্জিত হৈ অৰ্জ্জুনে প্ৰাগ্জ্যোতিষপুৰৰ ফালে যাত্ৰা কৰিলে। তেওঁ যিবোৰ ৰাজ্যৰ মাজেদি আহিল সেই এটাইবোৰ ৰাজ্যৰ পৰা যুদ্ধ কৰি কৰ আদায় কৰিলে।

সেই সময়ত প্ৰাগজ্যোতিষপুৰত ভগদত্ত ৰজাই ৰাজত্ব কৰিছিল। ভগদত্তৰ কিৰাট, চীনকে আদি কৰি বহু কৈদৰ সৈন্যেৰে গঠিত পৰাক্ৰমী সৈন্যবাহিনীয়ে ৰাজ্য ৰক্ষা কৰিছিল। আঠদিন অৰ্জ্জুনৰ লগত যুদ্ধ কৰি ভগদত্তই কলে "তুমি ইন্দ্ৰৰ পুত্ৰ আৰু ইন্দ্ৰৰ সমান পৰাক্ৰমী। ময়ো ইন্দ্ৰৰ প্ৰিয় সখা আৰু মোৰো বলবীৰ্য্য ত্ৰিভুবন বিদিত। মই তোমাৰ পৰাক্ৰমত স্তম্ভিত হৈছোঁ; তোমাক কি লাগে কোৱা"।

অৰ্জ্জুনে কলে "হে মহাৰাজ। ধৰ্ম্মৰাজ যুধিষ্ঠিৰে ৰাজসূয় যজ্ঞৰ আয়োজন কৰিছে। তাৰ কাৰণে আপুনি কৰ দিব লাগে"।

ভগদত্তই কলে "অৰ্জ্জুন! ৰাজসূয় যজ্ঞৰ কাৰণে কৰ মই দিম; মই নিজেও সেই যজ্ঞত যোগদান কৰিম"।

অৰ্জুনৰ মনৰ বাসনা পূৰ্ণ হ'ল। তাৰ পৰা তেওঁ উত্তৰফালে যাত্ৰা কৰিলে। তেওঁ উপগিৰি, বহিৰ্গিৰি আৰু অন্তৰ্গিৰি নামেৰে তিনিখন পাৰ্ব্বত্য ৰাজ্য জয় কৰি পশ্চিমফালে আগবাঢ়ি যাব ধৰিলে।

অৰ্জুনৰ ৰথে সৈন্যসামন্ত, হাতী-ঘোঁৰাৰে সৈতে মেদিনী কঁপাই আগবাঢ়িব ধৰিলে। বাটত তেওঁ বহুৰাজ্য জয় কৰি বহু ধন-ৰত্ন সংগ্ৰহ কৰিলে। তেওঁ উলূক ৰাজ্যত সোমোৱা মাত্ৰকে তাৰ ৰজা বৃহন্তই তেওঁক বাধা দিলে। সংগ্ৰামত বৃহন্তৰ পৰাজয় হ'ল; তেওঁ বহু ধন-ৰত্ন অৰ্জুনক উপহাৰ দিলে।

উলূক ৰাজাৰ ওচৰৰ পৰ্ব্বতীয় ৰাজ্যবোৰ জয় কৰি অৰ্জুনে কাশ্মীৰৰ ফালে যাত্ৰা কৰিলে। কাশ্মীৰৰ দহজন ৰজা আৰু বহু ক্ষত্ৰিয়বীৰৰ সৈতে অৰ্জুনে ৰজা লোহিতক নিজৰ বশলৈ আনিলে। পাচত ত্ৰিগৰ্ত্ত, দাৰু আৰু কোকোনদ্ দেশীয় ৰজাসকলে অৰ্জুনৰ বশ্যতা স্বীকাৰ কৰি বহু ধন-ৰত্ন উপহাৰ দিলে। তেতিয়া

অৰ্জুনে অভিসাৰী নগৰ জয় কৰি উৰগদেশীয় মহাৰাজ ৰোচমানক নিজৰ বশলৈ আনিলে।

এনেকৈ আগবাঢ়ি গৈ অৰ্জুনে ধৱলগিৰি পৰ্ব্বতৰ দাঁতিত চাউনি পাতিলে। তাৰ পৰা তেওঁ কিম্পুৰুষবৰ্ষ জয় কৰি মানস সৰোবৰৰ ফালে যাত্ৰা কৰিলে। মানস সৰোবৰৰ চাৰিওফালে থকা দেশবোৰ গন্ধৰ্ব্বৰ ৰাজ্য আছিল। এই ৰাজ্যবোৰৰ পৰা তেওঁ বহু ভাল ভাল ঘোঁৰা লাভ কৰিলে। এনেকৈ সুসজ্জিত হৈ অৰ্জুনে আহি উত্তৰ হৰিবৰ্ষত সোমাল। এই ৰাজ্যখন মহাবলী আৰু মহাপৰাক্ৰমী দ্বাৰপালসকলে ৰক্ষা কৰি আছিল। অৰ্জুনক দেখি দ্বাৰপালসকলে আহি তেওঁক কলে "হে অৰ্জুন ! এই ৰাজ্য তুমি অধিকাৰ কৰিব নোৱাৰিবা। সাধাৰণ মানুহে ইয়াত সোমাবই নোৱাৰে। এই ৰাজ্যৰ নাম উত্তৰকুৰু। এই ৰাজ্যত সোমালে মানুহ দিশহাৰা হয় আৰু ক'তো একো দেখা নাপায়। তুমি যে ইয়ালৈ আহিব পাৰিছা, ইয়াতে তোমাৰ ৰাজ্য জয় কৰাৰ সমান হৈছে ; তুমি এতিয়া উভতি যোৱা"।

অৰ্জ্জুনে কলে "মই মহাৰাজ যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞৰ কাৰণে কৰ সংগ্ৰহ কৰি ফুৰিছোঁ; তোমালোকে উপযুক্ত কৰ প্ৰদান কৰিলে মই উভতি যাম।"

দ্বাৰপাল সকলে অৰ্জ্জুনক নানা তৰহৰ দিব্য বস্ত্ৰ আৰু বিচিত্ৰ আভৰণ উপহাৰ দিলে।

তাৰপৰা অৰ্জ্জুনে খাণ্ডৱ প্ৰস্থলৈ উভতি আহিল। তেওঁ সংগ্ৰহ কৰি অনা সকলো ধন, ৰত্ন, বস্ত্ৰ, হাতী ঘোঁৰা সকলো যুধিষ্ঠিৰক প্ৰদান কৰিলে।

★ ★ ★

ভীমে কুমাৰ ৰাজ্যৰ শ্ৰেণীমান আৰু কোশল ৰাজ্যৰ বৃহদ্বলক পৰাজয় কৰি অযোধ্যা ৰাজ্য আক্ৰমণ কৰিলে। অযোধ্যাৰ

ৰজা দীৰ্ঘযজ্ঞ পৰম ধাৰ্ম্মিক আৰু মহা পৰাক্ৰমী আছিল। কিন্তু ভীমৰ হাতত দীৰ্ঘযজ্ঞৰ পৰাজয় হ'ল। পাচত ভীমে অযোধ্যাৰ উত্তৰ ফালে থকা সকলো পৰ্ব্বতীয় ৰাজ্য জয় কৰিলে। তেওঁ ভল্লাট আৰু শুক্তিমান নামে আন দুখন পৰ্ব্বতীয়া ৰাজ্য জয় কৰি আহি কাশী ৰাজ্য নিজৰ অধীনলৈ আনিলে। এইবোৰ ৰাজ্য জয় কৰি ভীমে মগধৰ ৰাজধানী গিৰিব্ৰজলৈ আহিল। তেওঁ তাৰপৰা জৰাসন্ধৰ পুতেক সহদেৱক লগত লৈ অঙ্গ ৰাজ্য আক্ৰমণ কৰিলে। অঙ্গ ৰাজ্যৰ ৰজা আছিল কৰ্ণ।

যুদ্ধত কৰ্ণৰ পৰাজয় হ'ল। কৰ্ণক বশীভূত কৰি ভীমে বঙ্গ-দেশৰ ফালে আহিল। তেওঁ সমুদ্ৰসেন, চন্দ্ৰসেন, তাম্ৰলিপ্ত আৰু কৰ্কটাধিপতিকে আদি কৰি বঙ্গদেশৰ ৰাজ্যবোৰ জয় কৰিলে। তাৰপৰা তেওঁ সমুদ্ৰকুলৰ ফালে যাত্ৰা কৰিলে। তাত তেওঁৰ মহাৰাজ লৌহিত্যৰ লগত দেখা হয়। সমুদ্ৰৰ উপকুলৰ সকলো ৰজাই ভীমক বিনাযুদ্ধে কৰ প্ৰদান কৰিলে আৰু নানা তৰহৰ ৰত্ন, চন্দন, অগৰু, বিচিত্ৰ বস্ত্ৰাভৰণ আৰু মণিমুক্তা ৰাজসুয় যজ্ঞৰ কাৰণে উপহাৰ দিলে।

ভীমে এনেকৈ বহুৰাজ্য জয় কৰিলে। তেওঁ আহৰণ কৰা ধন, ৰত্ন, মণি, মুক্তা আৰু নানা তৰহৰ বস্ত্ৰাভৰণেৰে যুধিষ্ঠিৰৰ ৰাজকোষ ভৰি পৰিল।

★ ★ ★

ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ আদেশ আৰু আশীৰ্ব্বাদ শিৰত লৈ সহদেৱ দক্ষিণ ফালে যাত্ৰা কৰিলে। তেওঁ প্ৰথমতে মথুৰা জয় কৰিলে। তাৰ পাচত মৎস্যৰাজক বশীভূত কৰি তেওঁৰ তলতীয়া ৰজা-বোৰক নিজৰ বশলৈ আনিলে। নিষাদভূমি, গোশৃঙ্গ পৰ্ব্বত, শ্ৰেণীমান ৰাজ্য, এইসকলো ৰাজ্য জয় কৰি তেওঁৰ বশীভূত কৰিলে।

ভেতিয়া তেওঁ কুন্তীভোজৰ ৰাজ্য আক্ৰমণ কৰিলে। কুন্তীভোজে বিনাযুদ্ধে আনন্দ মনেৰে যুধিষ্ঠিৰক কৰ প্ৰদান কৰিলে।

তাৰ পৰা সহদেৱে ত্ৰিভুবন বিখ্যাত কিষ্কিন্ধ্যা ৰাজ্যত উপস্থিত হলহি। বান্দৰবোৰে সহদেৱৰ লগত সাতদিন যুদ্ধ কৰিলে। সহদেৱে কপিৰাজ মৈন্দ আৰু দ্বিবিদক যুদ্ধত পৰাস্ত কৰিব নোৱাৰিলে; কিন্তু তেওঁলোকে সহদেৱক বহু ধন ৰত্ন উপহাৰ দি বিদায় দিলে।

সহদেৱ তাৰপৰা মহিস্মতী ৰাজ্যলৈ আহিল। তাত মহিস্মতীৰ ৰজা মহাৰাজ নীলৰ লগত সহদেৱৰ তুমুল সংগ্ৰাম আৰম্ভ হ'ল। কিন্তু সহদেৱৰ সৈন্য বাহিনীৰ মাজত জুই জ্বলি উঠিল আৰু জুইৰ প্ৰকোপত সহদেৱৰ সৈন্য-সামন্ত, ৰথ ঘোঁৰা সকলো পুৰি ভস্ম হব ধৰিলে। ৰণক্ষেত্ৰত অগ্নিদেৱতাই নীলৰজাক সদায় ৰক্ষা কৰিছিল। প্ৰবাদ আছে যে অগ্নিয়ে ব্ৰাহ্মণৰ ৰূপ ধৰি নীল ৰজাৰ অপূৰ্ব্ব সুন্দৰী এজনী কন্যাক পত্নী কৰি লয় আৰু নীল ৰজাক আশ্বাস দিয়ে যে যুদ্ধক্ষেত্ৰত অগ্নিয়ে তেওঁৰ সৈন্য-সামন্তক সদায় ৰক্ষা কৰিব।

সহদেৱে তেওঁৰ সৈন্য সামন্তৰ মাজত প্ৰবল অগ্নিশিখা প্ৰজ্বলিত হৈ উঠা দেখি অগ্নিৰ আৰাধনা কৰিব ধৰিলে। তেওঁ অগ্নিৰ স্তুতি কৰি কব ধৰিলে "হে হুতাশন! মই আপোনাৰ কৃপাতেই দিগ্বিজয় কৰি ফুৰিছোঁ, মই আপোনাক নমস্কাৰ জনাইছোঁ। আপুনিয়ে দেৱগণৰ সুক্ষ্ম স্বৰূপ আৰু আপুনিয়ে যজ্ঞ। আপুনি জগতক পবিত্ৰ কৰিছে, সেই কাৰণে আপুনি পাৱক। আপোনাৰ পৰাই বেদৰ উৎপত্তি হৈছে, সেই কাৰণে আপুনি জাত-বেদাঃ। হে অনল! আপুনি মোক শক্তি দিয়ক, পৃথিবীয়ে মোক বল দিয়ক, বায়ুদেৱতাই মোক প্ৰাণ দিয়ক আৰু বৰুণ দেৱতাই মোক শান্তি দিয়ক।" এনেকৈ অগ্নিৰ স্তুতি কৰি সহদেৱে কলে "হে হব্যবাহন! আপুনি ৰাজসূয় যজ্ঞত যেন কোনো বাধা নিদিয়ে, এয়ে মোৰ প্ৰাৰ্থনা।"

এই বুলি সহদেৱে মাটিত কুশবন মেলি ল'ই তাত বহিল। তেওঁৰ সৈন্য-সামন্তৰ মাজৰ পৰা প্ৰজ্বলিত হৈ আগবাঢ়ি অহা অগ্নিশিখা সহদেৱৰ ওচৰতে ৰৈ গ'ল। অগ্নিদেৱে সহদেৱক দেখা দি কলে "হে মাদ্ৰীতনয়! এই ৰাজ্য মই সদায় ৰক্ষা কৰি থাকিম; কিন্তু মই তোমাক বৰ দিলোঁ, তোমাৰ মনৰ বাসনা পূৰ্ণ হওক।" এই কথা শুনি নীলৰজাই সন্ধি কৰিলে। তাৰ পৰা সহদেৱে পাণ্ড্য, দ্ৰাবিড়, ওড্ৰ, কেড়ল, অন্ধ্ৰ, তালবন, কলিঙ্গ আদি দেশবোৰ জয় কৰিলে।

এনেকৈ জয়লাভ কৰি সহদেৱে সমুদ্ৰতীৰত চাউনী পাতিলে। তাৰপৰা তেওঁ লঙ্কাৰ ৰজা বিভীষণলৈ দূত পঠালে। ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞৰ কথা শুনি ধৰ্ম্মপ্ৰাণ বিভীষণে বহু ধন ৰত্ন মণি-মুক্তা সহদেৱলৈ উপহাৰ দিলে।

সহদেৱ ইন্দ্ৰ প্ৰস্থলৈ উভতি আহিল। তেওঁ আহৰণ কৰি অনা ধন-ৰত্ন ঐশ্বৰ্য্য বিভূতি দ্ৰব্য সামগ্ৰী সকলো আনি যুধিষ্ঠিৰৰ হাতত অৰ্পণ কৰিলে।

★ ★ ★

নকুলে পশ্চিমফালে যাত্ৰা কৰিলে। বীৰসকলৰ সিংহনাদ, সৈন্য সামন্তৰ জয়ধ্বনি আৰু ৰথৰ চকাৰ ঘৰ্ঘৰ শব্দই মেদিনী-মণ্ডল কঁপাই তুলিলে। প্ৰথমতে নকুলে ধনধান্যে পৰিপূৰ্ণ, মহা সমৃদ্ধিশালী ৰোহিতক দেশ জয় কৰিলে। তাৰ পাচত দৰ্শান, শিবি, অম্বষ্ঠ, মালব আৰু পঞ্চ কৰ্পট জয় কৰি বহু ধনৰত্ন সংগ্ৰহ কৰিলে।

তেতিয়া তেওঁ শ্ৰীকৃষ্ণলৈ দূত পঠালে! শ্ৰীকৃষ্ণ আৰু যাদব সকলে যুধিষ্ঠিৰৰ শাসন স্বীকাৰ কৰিলে।

নকুলৰ উৎসাহ দুগুণে বাঢ়ি গ'ল। তেওঁ মদ্ৰদেশ আক্ৰমণ

কৰিলে। মর্দ্রদেশৰ ৰজা মহাবীৰ শল্য নকুলৰ আপোন মোমায়েক। শল্যই বিনাযুদ্ধে যুধিষ্ঠিৰৰ বশ্যতা স্বীকাৰ কৰি বহু ধনৰত্ন নকুলক উপহাৰ দিলে।

এনেকৈ নকুলে দিগ্বিজয় কৰি ঘূৰি আহিল। তেওঁ আহৰণ কৰা ধনৰত্ন আৰু দ্রব্য সামগ্রী এহেজাৰ হাতীয়ে কোনোৰকমে কঢ়িয়াই আনিব পাৰিছিল।

—

# ৰাজসূয় যজ্ঞ

চাৰিওফালৰ পৰা ৰাজ্য জয় কৰি পাণ্ডৱ সকলে ধনৰত্ন ঐশ্বৰ্য্য বিভূতি ইমান লাভ কৰিলে যে এশ বছৰ অকাতৰে ব্যয় কৰিলেও তাক অন্ত কৰিব নোৱাৰিব। ধনৰ ভঁৰাল পৰিদৰ্শন কৰি মহাৰাজ যুধিষ্ঠিৰৰ মনত অপাৰ আনন্দ হ'ল।

সকলোৱে যুধিষ্ঠিৰক পৰামৰ্শ দিলে—শুভ কাৰ্য্য ততালিকে আৰম্ভ কৰিব লাগে। এনেতে দ্বাৰকাৰ পৰা শ্ৰীকৃষ্ণ আহি উপস্থিত হ'ল। তেওঁ যুধিষ্ঠিৰক বহু ধন ৰত্ন দিলে। শ্ৰীকৃষ্ণৰ সমাগমত পাণ্ডৱসকলৰ মনত অপাৰ আনন্দ হ'ল।

যুধিষ্ঠিৰে কলে "হে বাসুদেৱ ! একমাত্ৰ তোমাৰ অনুগ্ৰহতেই এই সসাগৰা বসুন্ধৰা মোৰ বশবৰ্ত্তিনী হৈছে। তোমাৰ কৃপাতেই মই এই অতুল ঐশ্বৰ্য্যৰ অধিকাৰী হলোঁ। এতিয়া এই ঐশ্বৰ্য্য মই দেৱতা আৰু ব্ৰাহ্মণৰ সেৱাত লগাব খুজিছোঁ। হে কৃষ্ণ ! তুমি আৰু মোৰ ভ্ৰাতৃ সকলৰ লগত মই একেলগে দীক্ষিত* হৈ যজ্ঞ সম্পাদন কৰিবলৈ মোৰ প্ৰবল আকাঙ্ক্ষা হৈছে। এতেকে তুমি মোৰ মনৰ কামনা পূৰ্ণ কৰা। অথবা, মোৰ ভ্ৰাতৃ সকলৰ লগত দীক্ষিত হবলৈ মোক অনুমতি দিয়া। তুমি অনুমতি দিলে যজ্ঞানুষ্ঠানৰ শ্ৰেষ্ঠ ফল যে মই লাভ কৰিব পাৰিম সেই বিষয়ে মোৰ অকনো সন্দেহ নাই।

শ্ৰীকৃষ্ণই কলে "হে মহাৰাজ ! মহাক্ৰতু ৰাজসূয় যজ্ঞৰ কাৰণে আপুনিয়েই যোগ্য পুৰুষ। আপুনি যজ্ঞ সম্পন্ন কৰিলে আমি সকলোৱে পৰম সন্তোষ পাম। আপুনি আপোনালোকৰ অভিলাষিত যজ্ঞৰ অনুষ্ঠান আৰম্ভ কৰক। মোক আপুনি যি কামতে নিয়োগ কৰে মই আনন্দেৰে সেই কাম সম্পন্ন কৰি দিম"।

যুধিষ্ঠিৰে কলে "হে কৃষ্ণ ! তুমি যে নিজে আহি উপস্থিত হৈছা তাতে মোৰ সংকল্প ফলৱতী হৈছে; মই যে সিদ্ধি লাভ কৰিম তাত মোৰ কোনো সন্দেহ নাই"।

শ্ৰীকৃষ্ণৰ আদেশ লাভ কৰি মহাৰাজ যুধিষ্ঠিৰে ৰাজসূয় যজ্ঞৰ আয়োজন কৰিবলৈ মন্ত্ৰীসকলক আৰু সহদেৱক আদেশ দি কলে "ব্ৰাহ্মণ সকলে যজ্ঞৰ কাৰণে যি বোৰ সামগ্ৰী সংগ্ৰহ কৰিবলৈ নিৰ্দ্দেশ দিছে ততালিকে সেইবোৰ যোগাৰ কৰি আনা। লগতে উপকৰণ সামগ্ৰী, মাঙ্গলিক দ্ৰব্য আৰু যজ্ঞৰ অন্যান্য সকলো সম্ভাৰ সম্পূৰ্ণ কৰা। ইন্দ্ৰসেন, বিশোক আৰু সাৰথি পুৰুৱে অন্নাদি যাৱতীয় খাদ্যদ্ৰব্যৰ যোগান ধৰক। সহদেৱ ! ব্ৰাহ্মণ সকলৰ কাৰণে মনোহৰ সুগন্ধি দ্ৰব্য আৰু সকলোবিধ কাম্যবস্তুৰ ভাৰ তুমি নিজে লোৱা"।

সহদেৱে উত্তৰ দিলে—"মহাৰাজ এই সকলোবোৰ আমি আগৰে পৰা যোগাৰ কৰি থৈছোঁ।"।

★ ★ ★

মহৰ্ষি ব্যাসদেৱে মূৰ্ত্তিমান বেদ-স্বৰূপ কেইজনমান ঋষি লৈ আহিল। তেওঁ নিজে ব্ৰহ্মকাৰ্য্যত অৰ্থাৎ পৰিদৰ্শক আৰু উপদেষ্টাৰ পদত নিযুক্ত হ'ল। ধনঞ্জয় গোত্ৰৰ শ্ৰেষ্ঠ ঋষি সুসামা সামবেদ আৰু যাজ্ঞবল্ক্য যজুৰ্ব্বেদ পাঠৰ কাৰণে ব্ৰতী হ'ল। পৌল আৰু ধৌম্য হোতা হ'ল। বেদ বেদান্তত পাৰদৰ্শী তেওঁ-লোকৰ শিষ্য সকল সদস্য হ'ল। সকলোৱে মিলি যজ্ঞৰ সংকল্প কাৰ্য্য সম্পন্ন কৰিলে। শিল্পী সকলে তাত বিতোপন দেৱগৃহ সাজি দিলে।

★ ★ ★

মহাৰাজ যুধিষ্ঠিৰে সহদেৱক কলে—"যজ্ঞৰ নিমন্ত্ৰণৰ কাৰণে ততালিকে চাৰিওফালে দূত পঠাই দিয়া। দেশৰ সকলো ব্ৰাহ্মণ আৰু ৰাজন্যমণ্ডলীক সাদৰেৰে নিমন্ত্ৰণ জনাব আৰু সাধু, সৎ, বিদ্বান আৰু সন্মান যোগ্য শূদ্ৰ সকলক লগতে লই আহিব। যুধিষ্ঠিৰৰ আদেশ পাই সহদেৱে দূতবোৰক দিহাদিহি পঠাই দিলে।

নকুল নিজে কৌৰৱ সকলক নিমন্ত্ৰণ কৰিবলৈ হস্তিনা-পুৰলৈ গ'ল। তেওঁ ভীষ্ম, দ্ৰোণ, কৃপাচাৰ্য্য ধৃতৰাষ্ট্ৰ আৰু ভায়েক সকলৰ সৈতে দুৰ্যোধনক নিমন্ত্ৰণ কৰি আহিল।

যথাসময়ত যোগী, ঋষি মুনি, ৰাজেন্দ্ৰমণ্ডলী দেশৰ সকলো বৰ্ণৰ গুণী, জ্ঞানী আৰু বিদ্বান লোক সকল, সকলো সমবেত হ'ল।

শিল্পী সকলে সকলোৰে কাৰণে যথাযোগ্য বাসস্থান নিৰ্ম্মাণ কৰি দিলে। দাস-দাসী, ভৃত্য সকলোৱে অভ্যাগত সকলৰ আলপৈচান ধৰি ফুৰিলে। এই মহোৎসৱ আৰু সমাৰোহৰ মাজত কেৱল "দীয়তাং, ভূজ্যতাং" অৰ্থাৎ "মোক দিয়া"— "তুমি খোৱা" এনে ধৰণৰ কথাবহে খল-কনি লাগিল।

• ৰাজন্যবৰ্গৰ সুখ-সন্তোষ আৰু আমোদ-প্ৰমোদৰ সীমা নাই। ৰূপৱতী সৰ্ব্বাঙ্গসুন্দৰী যুৱতী নৰ্ত্তকীসকলে নানা ধৰণৰ নৃত্য আৰু গীতেৰে চাৰিওফালে মধুৰ পৰিবেশৰ সৃষ্টি কৰিছে, যেন সৰগৰ নন্দন কানন হে!

মহাৰাজ যুধিষ্ঠিৰে তেওঁৰ আত্মীয়স্বজন আৰু অনুগতসকলৰ মাজত ভিন্ ভিন্ দায়িত্ব আৰু কামৰ ভাৰ বিতৰণ কৰি দিলে। ভীষ্ম, দ্ৰোণ, কৃপাচাৰ্য্য, দুৰ্য্যোধন সকলোৰে ওচৰলৈ আহি তেওঁ কলে "আপোনালোক সকলোৱে কায়মনো বাক্যে মোৰ সহযোগী হৈ এই যজ্ঞানুষ্ঠান সাফল্যমণ্ডিত কৰক। মোৰ সকলো ধনৰত্ন মণিমুক্তা বস্ত্ৰাভৰণৰ ওপৰত আপোনালোকৰ সম্পুৰ্ণ প্ৰভুত্ব থাকিল।

ইয়াকে কৈ তেওঁ যোগ্যতা অনুসাৰে বেলেগ বেলেগ কামৰ ভাৰ বিতৰণ কৰি দিলে। ভীষ্ম আৰু দ্ৰোণে কি কৰা উচিত হব আৰু কেনেকৈ কৰিলে ভাল হব সেইবোৰ বিচাৰ কৰি চাব। দুঃশাসনক ভোগ্য সামগ্ৰীৰ তত্বাবধান আৰু অশ্বত্থামক বিপ্ৰসকলৰ অভ্যৰ্থনাৰ কামত নিয়োগ কৰিলে। সঞ্জয়ক ৰজা সকলৰ অভ্যৰ্থনাৰ ভাৰ দিলে। দক্ষিণা প্ৰদান আৰু ধনৰত্নৰ ৰক্ষণাবেক্ষনৰ ভাৰ কৃপাচাৰ্য্যক দিলে। উপঢৌকন আৰু ভাঁৰ-ভেঁটী গ্ৰহণ কৰিবলৈ দুৰ্য্যোধনক নিয়োগ কৰা হ'ল। ধৃতৰাষ্ট্ৰক গৃহস্থ পাতিলে। বাসুদেৱ শ্ৰীকৃষ্ণই ব্ৰাহ্মণসকলৰ ভৰি ধুৱাই দিবলৈ গাত ললে!

★ ★ ★

শুভলগ্নত, শুভক্ষণত, ব্ৰাহ্মণসকলে মহাৰাজ যুধিষ্ঠিৰক ৰাজসূয় যজ্ঞত দীক্ষিত কৰিলে। ভ্ৰাতৃবৃন্দ, ব্ৰাহ্মণসকল, সুহৃদ্বৰ্গ, জ্ঞাতিকুল, বন্ধুকুল, নৰেন্দ্ৰমণ্ডলী, ক্ষত্ৰিয়বীৰসকল —সকলোৰে দ্বাৰা পৰিবৃত হৈ ধৰ্ম্মৰাজ যুধিষ্ঠিৰে যজ্ঞ-ভূমিলৈ গ'ল যেন মূৰ্ত্তিমান ধৰ্ম্মহে! ৰাজন্যমণ্ডলী, মহৰ্ষি, ঋষি-মুনি, সাধু-সন্ন্যাসী সকলোৰে কাৰণে যজ্ঞ-মণ্ডপত বিচিত্ৰবৰ্ণৰ আসন পাতি থোৱা আছে; সকলোৱে গৈ আসন গ্ৰহণ কৰি ৰজা যুধিষ্ঠিৰৰ যজ্ঞ-অভিষেক দৰ্শন কৰি ভক্তি আৰু আনন্দত বিভোৰ হ'ল। তৰাবোৰে নীল আকাশৰ শোভা বৰ্দ্ধন কৰাৰ দৰে দেৱৰ্ষি নাৰদকে আদি কৰি যজ্ঞত পাৰদৰ্শী আৰু বেদজ্ঞ ঋষি মহৰ্ষি সকলে যজ্ঞ মণ্ডপৰ শোভা বৰ্দ্ধন কৰি বেদধ্বনিৰে আকাশ বতাহ মুখৰিত কৰি তুলিলে। পিতামহ ভীষ্মই যুধিষ্ঠিৰক কলে "হে যুধিষ্ঠিৰ! ৰজাসকলক এতিয়া যথোচিত মান ধৰিব লাগে। আচাৰ্য্য সাত্বিক, স্নাতক, নৃপতি, আত্মীয় স্বজন আৰু প্ৰিয়বন্ধু—এওঁলোক সকালোৱে অৰ্ঘ্য পাব লাগে। অৰ্ঘ্য পাবলৈ আশাকৰি এওঁলোক সকলোৱে আমাৰ অনুগত হৈ আছে। এওঁলোক প্ৰত্যেকৰ কাৰণে একোটাকৈ অৰ্ঘ্য সজাই আনা। পাচত যিজন সৰ্ব্বশ্ৰেষ্ঠ, তেওঁক পূজাকৰি মানৰ অৰ্ঘ্য প্ৰদান কৰা"।

যুধিষ্ঠিৰে কলে "পিতামহ! আপুনি কোনজনক সৰ্ব্বশ্ৰেষ্ঠ পুৰুষ বুলি কয় আৰু মানৰ অৰ্ঘ্য কাক অৰ্পণ কৰিম"? ভীষ্মই কলে "হে ধৰ্ম্মাত্মন! আকাশত যেনেকৈ সূৰ্য্যই সকলো গ্ৰহ নক্ষত্ৰৰ ভিতৰত শ্ৰেষ্ঠ, এই ধৰণীত তেজোবল আৰু পৰাক্ৰমত শ্ৰীকৃষ্ণই সকলোতকৈ শ্ৰেষ্ঠ। শ্ৰীকৃষ্ণৰ আগমনত আমাৰ এই যজ্ঞ উদ্ভাসিত হৈছে; এতেকে তেওঁকেই অৰ্ঘ্যপ্ৰদান কৰা"।

তেতিয়া সহদেৱে শাস্ত্ৰীয় বিধি অনুসাৰে শ্ৰীকৃষ্ণক অৰ্ঘ্যদান কৰি যথাবিহিত পূজা কৰিলে। বসুদেৱ নন্দন শ্ৰীকৃষ্ণই সন্তুষ্টচিত্তে সেই অৰ্ঘ্য গ্ৰহণ কৰিলে।

মহাপৰাক্ৰমী বীৰ শিশুপালে শ্ৰীকৃষ্ণক প্ৰদান কৰা এই সৰ্ব্বোচ্চ সন্মানৰ অৰ্ঘ্য-দান সহিব নোৱাৰিলে। তেওঁ ভীষ্ম, যুধিষ্ঠিৰ আৰু কৃষ্ণক তিৰস্কাৰ কৰিবলৈ আৰম্ভ কৰিলে।

শিশুপালে কলে "হে পাণ্ডৱ ! আজিৰ এই সভাত বয়োজ্যেষ্ঠ বসুদেৱ উপস্থিত আছে—তেওঁক অবমাননা কৰি কৃষ্ণক কিয় পূজা কৰিলা ? মহৰ্ষি ব্যাসদেৱক হেয়জ্ঞান কৰি কৃষ্ণক কিয় সন্মানিত কৰিলা ? আচাৰ্য্য দ্ৰোণ আৰু কৃপ আছে—তেওঁলোকক তুচ্ছজ্ঞান কৰি কৃষ্ণক কিয় উচ্চ আসনত বহুৱালা ? কৃষ্ণ বয়োজেষ্ঠ নহয়, কৃষ্ণ মহৰ্ষি নহয়, কৃষ্ণ আচাৰ্য্য নহয়, আনকি কৃষ্ণ ৰজাও নহয় ! এনে অৱস্থাত কৃষ্ণই কেনেকৈ মানৰ অৰ্ঘ্য পাব পাৰে" ?

"এই সভাত মহামানী ৰজা দুৰ্য্যোধন, মহাবীৰ কৰ্ণ, ৰজা ৰুক্মী, মদ্ৰাধিপতি শল্য আৰু শত শত মহাবীৰ, মহাপৰাক্ৰমী নৃপতি-মণ্ডলায়ে যজ্ঞসভা শোভা কৰি আছে; এই ৰজেন্দ্ৰমণ্ডলীক অৱজ্ঞা কৰি কোন যুক্তিৰে কৃষ্ণক পুৰুষ-শ্ৰেষ্ঠৰ আসন দান কৰিলা ?

"এই সভাত আছে মহামতি শান্তনুনন্দন ভীষ্ম আৰু সৰ্ব্ব-শাস্ত্ৰবিশাৰদ মহাবীৰ অশ্বত্থামা। এওঁলোকক তোমালোকে কিয় হেয়জ্ঞান কৰিলা"?

"আমি কুন্তিপুত্ৰ সকলৰ ভয়ত কৰ প্ৰদান কৰা নাছিলো ; আমি ধৰ্ম্মাচৰণত প্ৰবৃত্ত আৰু সাম্ৰাজ্যত দীক্ষিত বুলিহে যুধিষ্ঠিৰক কৰ দিছিলোঁ।

"হে কৃষ্ণ ! তুমি নিজে তোমাৰ যোগ্যতা উপলব্ধি কৰা উচিত আছিল। তুমি নিজকে অযোগ্য বুলি জানিও কিয় পূজা গ্ৰহণ কৰিলা ? পাণ্ডৱসকলে তোমাক পূজা কৰা নাই ; তোমাক উপহাস কৰিছে। ভীষ্ম আৰু যুধিষ্ঠিৰৰ যেনে ধৰ্ম্মত মতি আৰু কৃষ্ণ যেনে প্ৰকৃতিৰ সেয়ে স্পষ্টহৈ ফুটি ওলাল" !

এই বুলি কৈ শিশুপালে কেইজনমান ৰজাক লগত লৈ সভাৰ পৰা ওলাই যাবলৈ সাজু হ'ল।

তেতিয়া যুধিষ্ঠিৰে আগবাঢ়িগৈ শিশুপালক কলে 'হে মহীপাল! তোমাৰ বাক্য তোমাৰ উপযুক্ত হোৱা নাই। ধৰ্ম্ম কি সেই বিষয়ে তুমি নিজে অজ্ঞ। ধৰ্ম্ম-জ্ঞান থকা হলে তুমি ভীষ্মক এনে তুচ্ছ জ্ঞান নকৰিলা হয়। তোমাতকৈও বেচি মাননীয় নৰপতি সকলৰ মতে শ্ৰীকৃষ্ণই পূজাৰ যোগ্য পুৰুষ; এই বিষয়ে তোমাৰ কথা নোকোৱাই ভাল। পিতামহ ভীষ্ম আৰু বাসুদেৱ শ্ৰীকৃষ্ণৰ বিষয়ে কৌৰৱ-পাণ্ডৱ সকলে যি জ্ঞান লাভ কৰিছে, সেই জ্ঞান নিজে উপলব্ধি কৰিবলৈ চেষ্টা কৰা"।

তেতিয়া ভীষ্মই কলে "যুধিষ্ঠিৰ! পুৰুষ শ্ৰেষ্ঠ কৃষ্ণৰ পূজাত যাৰ মত নাই তেনে মানুহক অনুনয় কৰা অনুচিত। হে শিশুপাল! কৃষ্ণ যে আমাৰেই পূজনীয় তেনে নহয়; তেওঁ ত্ৰিভুবনৰে পূজনীয়। এই নিখিল ব্ৰহ্মাণ্ড তেওঁতেই প্ৰতিষ্ঠিত হৈ আছে: সেই কাৰণে তেওঁকেই পৰম পূজনীয় পুৰুষ বুলি পূজা কৰিছোঁ। কৃষ্ণই এই চৰাচৰ বিশ্বৰ সৃষ্টি, স্থিতি আৰু প্ৰলয় কৰ্ত্তা। তেৱেঁই অব্যক্ত প্ৰকৃতি আৰু সকলো প্ৰাণীৰ অধীশ্বৰ। চন্দ্ৰ, সূৰ্য্য, গ্ৰহ, নক্ষত্ৰ এই সকলোবোৰ একমাত্ৰ কৃষ্ণৰ দ্বাৰাই প্ৰতিষ্ঠিত। যদিহে কৃষ্ণৰ পূজা তোমাৰ ৰুচি বিৰুদ্ধ হৈছে, তেন্তে তোমাৰ যি অভিৰুচি হয় তাকে কৰা"।

ভীষ্মই এই কথা কোৱাৰ পাচত সহদেৱে কলে "কৃষ্ণ আমাৰ পৰম পূজনীয়। যিবোৰ নৃপতিয়ে কৃষ্ণৰ পূজা সহি থাকিব পৰা নাই, মই সিহঁতৰ শিৰত পদাঘাত কৰো। সিহঁতৰ যদি ক্ষমতা থাকে মোৰ কথাৰ প্ৰত্যুত্তৰ দিয়ক"। এই কথা কোৱাৰ লগে লগে আকাশৰ পৰা সহদেৱৰ ওপৰত পুষ্প বৃষ্টি হব ধৰিলে!

তেতিয়া দেৱৰ্ষি নাৰদে কলে' "যিবোৰ নৰাধম কৃষ্ণৰ পূজাত পৰাঙ্মুখ, সিহঁতৰ লগত কথা কোৱাও অনুচিত"।

সহদেৱে শ্ৰীকৃষ্ণক পূজা কৰি অৰ্ঘ্যদান কৰিলে। কৃষ্ণক এনেকৈ পূজা কৰা দেখি সুনীথ নামে এজন মহাপৰাক্ৰমী বীৰ পুৰুষে গৰ্জন কৰি উঠিল আৰু কলে" মই আগেয়ে সেনাপতি আছিলোঁ। এতিয়াও ৰণক্ষেত্ৰত অৱতীৰ্ণ হৈ যাদবকুল আৰু পাণ্ডুকুল সমুলি ধ্বংস কৰি দিম"।

এই কথাত শিশুপালে উদগণি পাই কেইজন মান ৰজাৰ লগত পৰামৰ্শ কৰি যজ্ঞত বাধাৰ সৃষ্টি কৰিবলৈ আগবাঢ়ি আহিল।

তাকে দেখি যুধিষ্ঠিৰে ভীষ্মক কলে "পিতামহ! মহা সমুদ্ৰৰ নিচিনা ৰাজেন্দ্ৰ মণ্ডলী ক্ৰুদ্ধ হৈ উঠিছে। এতিয়া আমি কি কৰিম, আদেশ দিয়ক"।

ভীষ্মই কলে "যুধিষ্ঠিৰ। ভয় নকৰিবা। কুকুৰে কেতিয়াও সিংহৰ লগত যুদ্ধ কৰিব নোৱাৰে। যেতিয়ালৈকে বাসুদেৱ সিংহ জাগ্ৰত নহয়, তেতিয়ালৈকে কুকুৰবোৰে ভুকিয়ে থাকিব।

ভীষ্মৰ এই কথা শুনি শিশুপালে গৰ্জন কৰি উঠিল। তেওঁ কলে "হে ভীষ্ম! মিথ্যা ভীতি প্ৰদৰ্শন কৰা কাপুৰুষৰ কাম। তুমি যিমানেই বুঢ়া হৈছা, সিমানেই তোমাৰ প্ৰকৃতি লৰিছে। দিনে দিনে তুমি কৌৰৱ কুলত কলঙ্ক সানিব ধৰিছা আৰু তুমি যাৰ গুৰিয়াল—সেই কৌৰৱ আৰু পাণ্ডৱবোৰে দিনকদিনে কুল মৰ্য্যাদাহীন হৈ যাব ধৰিছে। কৃষ্ণৰ স্তুতিগীত গাই তোমাৰ জিভা কিয় শতধা বিদীৰ্ণ হোৱা নাই? দুৰাত্মা কৃষ্ণই কংসৰ দ্বাৰা প্ৰতিপালিত হৈ কংসকেই হত্যা কৰিলে; চোৰৰ দৰে চুপি চুপি ৰাজপুৰীত সোমাই জৰাসন্ধক ভীমৰ হতুৱাই বধ কৰালে। তুমি সেই কৃষ্ণৰ পূজা কৰিছা; এতেকে তোমাৰ স্বভাৱ জঘন্য আৰু অধাৰ্ম্মিক হৈছে আৰু তুমি সৎপথৰ পৰা

বিচলিত হৈ পৰিছা! তোমাৰ মন্ত্ৰণা পাই কৃষ্ণক পূজা কৰি পাণ্ডৱসকলৰ স্বভাৱও দুষিত হৈছে।

শিশুপালৰ কথাশুনি ভীমে এনেকৈ দাঁত কামুৰিব ধৰিলে যে দেখিবলৈ কালান্তক যম যেন হ'ল। খণ্ডতে তেওঁ উঠিব খোজোতেই ভীষ্মই ভীমৰ হাতত খাপমাৰি ধৰিলে। তাকে দেখি শিশুপালে কলে "হে ভীষ্ম। ভীমক এৰি দিয়া। পতঙ্গ যেনেকৈ জুইত দগ্ধ হয়, মোৰ কোপানলত ভীম আজি তেনেকৈ দগ্ধ হব"।

শিশুপালৰ কথালৈ আওকাণ কৰি ভীষ্মই ভীমক শিশুপালৰ জন্মৰ কথা ভঙি কবলৈ ধৰিলে।

শিশুপালে চেদিৰাজ কুলত জন্ম গ্ৰহণ কৰে। জন্মিবৰ সময়ত তেওঁৰ তিনিটা চকু আৰু চাৰিখন হাত আছিল আৰু ভুমিষ্ঠ হৈয়ে গাধৰ নিচিনাকৈ চিঞৰি উঠিছিল। এনে অদ্ভুত কাণ্ড দেখি ৰজা আৰু ৰাণীয়ে সন্তানটো পৰিত্যাগ কৰিবলৈ মনস্থ কৰিলে। এনে সময়ত আকাশৰ পৰা দৈৱবাণী হ'ল "হে চেদিৰাজ! তুমি অনুতাপ নকৰিবা; তোমাৰ এই পুত্ৰ শ্ৰীমন্ত আৰু মহা পৰাক্ৰমী হব। এওঁ যমৰও অবধ্য হব আৰু একমাত্ৰ অস্ত্ৰাঘাতত এওঁৰ মৃত্যু হব"। অপত্য স্নেহত অভিভুতা হৈ ৰাণীয়ে প্ৰাৰ্থনা কৰি কলে "যি দেৱতাই এই বাণী দিলে তেওঁক মই নমস্কাৰ কৰিছোঁ; কৃপাকৰি তেওঁ মোক কওক, মোৰ এই পুত্ৰৰ কেনেকৈ মৃত্যু হব"।

জননীৰ এই প্ৰাৰ্থনা শুনি আকৌ দৈৱবাণী হ'ল "যাক দেখিলে শিশুৰ তৃতীয় চকু লীন হব আৰু যাৰ কোলাত বহিলে শিশুৰ দুখন হাত অদৃশ্য হব—কালত তেওঁৰ অস্ত্ৰাঘাতত তোমাৰ পুত্ৰৰ মৃত্যু হব"।

চেদিৰাজৰ ৰাণী যাদৱ কুলৰ—দেৱী যাদৱী; শ্ৰীকৃষ্ণৰ পেহীয়েক। কৃষ্ণ আৰু বলৰামে শিশুপালৰ জন্মৰ কথা শুনি

চাবলৈ আহিল। কৃষ্ণক দেখামাত্ৰকে শিশুপালৰ কপালৰ চকুটো নাইকীয়া হ'ল। আথে-বেথে তেতিয়া যাদবীয়ে শিশুপালক কৃষ্ণৰ কোলাত বহুৱাই দিলে! শিশুপালৰ দুখন হাত অদৃশ্য হ'ল।

তেতিয়া যাদবীয়ে শ্ৰীকৃষ্ণক কলে "হে কৃষ্ণ! মই বুজিছোঁ—মোৰ এই পুত্ৰৰ মৃত্যু তোমাৰ হাততেই হব। এতেকে হে বাসুদেৱ! মই তোমাৰ ওচৰত মোৰ পুত্ৰৰ প্ৰাণ ভিক্ষা কৰিলো; মোক বিমুখ নকৰিবা।

শ্ৰীকৃষ্ণই যাদবীক কলে "পেহী! তোমাৰ পুত্ৰৰ বধোপযোগী এশ দোষ মই অকাতৰে ক্ষমা কৰিম"।

ভীষ্মই ভীম আৰু যুধিষ্ঠিৰক কলে "শ্ৰীকৃষ্ণৰ অনুগ্ৰহত বলিয়ান হৈ শিশুপালে তোমালোকক যুদ্ধলৈ আহবান কৰিছে। তোমালোকে চিন্তা নকৰিবা; শ্ৰীকৃষ্ণই ইয়াৰ যথোচিত বিধান কৰিব"।

ভীষ্মৰ কথা শুনি শিশুপালে খণ্ডত অধৈৰ্য্য হৈ কলে "হে অধাৰ্ম্মিক ভীষ্ম! তুমি কাৰাগাৰৰ বন্দীৰ নিচিনাকৈ কেশৱৰ স্তুতি কৰিছা। স্তুতি কৰিয়ে যদি শ্ৰেষ্ঠ হব খুজিছা তেন্তে ইয়াত উপস্থিত থকা ৰাজেন্দ্ৰ মণ্ডলীৰ স্তুতি কৰা। তোমাৰ মৃত্যু এতিয়া তেওঁলোকৰ ইচ্ছাধীন! ইচ্ছা কৰিলে এতিয়াই তেওঁলোকে তোমাৰ ভবলীলা শেষ কৰি দিব পাৰে"।

ভীষ্মই কলে "শিশুপাল! তোমাৰ পাচে-পাচে ফুৰা এই ৰাজেন্দ্ৰ মণ্ডলীক মই তৃণজ্ঞান কৰোঁ"।

এই কথা শুনি কেইজনমান ৰজাই খণ্ডত গৰ্জ্জি উঠিল। তেওঁলোকে কলে "এই পাপগৰ্ব্বিত দুৰ্ম্মতি ভীষ্ম ক্ষমাৰ অযোগ্য; এই দুৰাত্মাক পশুৰ দৰে হত্যা কৰিব লাগে, অথবা জ্বলন্ত অগ্নিত নিক্ষেপ কৰিব লাগে"।

তেতিয়া ভীষ্মই কলে "হে নৃপতি বৃন্দ! তোমালোকৰ বাক্-বিতণ্ডাৰ অন্ত নপৰে; এই অৱসৰতে মোৰ কথাখিনি কৈ লওঁ। তোমালোকে মোক যেনেকৈয়ে হত্যা কৰা, সেইটো তোমালোকৰ অভিৰুচি। কিন্তু মই তোমালোকৰ শিৰত পদাঘাত কৰোঁ।

আমি গোবিন্দক পূজা কৰিছো। বাসুদেৱৰ হাতত প্ৰাণ বিসৰ্জন দিবলৈ যদি তোমালোকৰ হেপাহ থাকে তেন্তে তেওঁক যুজলৈ আহ্বান কৰা"।

ভীষ্মৰ কথাত শিশুপাল গৰ্জি উঠিল। তেওঁ কৃষ্ণক কলে "হে জনাৰ্দ্দন! মই তোমাক যুজলৈ আহ্বান কৰিছো; তুমি মোৰ লগত যুদ্ধ কৰা। পাঁচ পাণ্ডৱৰ সৈতে আজি তোমাক যমৰ ঘৰলৈ পঠিয়াম! তুমি দাস; তুমি পূজাৰ অযোগ্য—মই তোমাৰ উপযুক্ত শাস্তিৰ বিধান কৰিম"!

ধীৰ গম্ভীৰ সুৰেৰে শ্ৰীকৃষ্ণই কলে "হে নৃপতি মণ্ডলী! এই দুৰাত্মা শিশুপালে বহুদিনৰ পৰা মোৰ পৰম শত্ৰুতা আচৰণ কৰি আহিছে। শিশুপাল মোৰ পেহীৰ পুতেক; কিন্তু এই পাপীষ্ঠই মই প্ৰাগ্‌জ্যোতিষপুৰলৈ যোৱাৰ সময়ত অগ্নি সংযোগ কৰি দ্বাৰাকাপুৰ দগ্ধ কৰে'।

"এই পাপীষ্ঠই মোৰ পিতৃদেৱৰ অশ্বমেধ যজ্ঞত বিঘ্নিসৃষ্টি কৰিবলৈ যজ্ঞৰ ঘোঁৰা চুৰ কৰি লৈ যায়। মই কেৱল তাৰ জননীৰ মুখলৈ চাই দুৰাত্মাৰ শত অপৰাধ মাৰ্জ্জনা কৰি আহিছিলো।"

"ৰুক্মিনীক পাবলৈ এই দুৰাত্মাই বহু দুষ্কৰ্ম্ম কৰিও বিফল মনোৰথ হৈছে। হে নৃপতিমণ্ডলী! আজি এই পাপীষ্ঠই মোক যেনেকৈ অবমাননা কৰিলে, তাকো আপোনালোকে স্বচক্ষে দেখিলে। মূঢ়মতি শিশুপালৰ এই অপৰাধ মাৰ্জ্জনীয় নহয়; মই এই পাপীষ্ঠক ক্ষমা নকৰোঁ।

সভাত ৰাজন্য বৰ্গই শিশুপালৰ যৎপৰোনাস্তি নিন্দা কৰিব ধৰিলে। শিশুপালে কলে "হে কৃষ্ণ! ৰুক্মিনী মোৰ বাক্‌দত্তা পত্নী আছিল। নিলাজৰ নিচিনা তুমি তেওঁক ভাৰ্য্যা কৰি লৈছা। তুমি ক্ৰুদ্ধ হৈ মোক যি ভয় দেখুৱাইছা মই তালৈ অকনো ভয় কৰা নাই।"

শ্ৰীকৃষ্ণই শিশুপালৰ এনে দাম্ভিক কথা শুনি বজ্ৰ-গম্ভীৰ স্বৰে কলে "হে ৰাজন্যমণ্ডলী! শিশুপালৰ জননীয়ে তেওঁৰ পুত্ৰৰ

জীৱন ৰক্ষা কৰিবলৈ মোৰ ওচৰত প্ৰাৰ্থনা জনাইছিল আৰু ময়ো শিশুপালৰ বধোপযোগী এশ অপৰাধ ক্ষমা কৰিম বুলি প্ৰতিশ্ৰুতি দিছিলোঁ।” এইবুলি কৈ ভগৱান শ্ৰীকৃষ্ণই হাতখন ওপৰলৈ ডাঙি সুদৰ্শন চক্ৰক স্মৰণ কৰিলে। মুহূৰ্ত্ততে দৈত্য গৰ্ব্বাবনাশক ভীষণ সুদৰ্শন চক্ৰ তেওঁৰ হাতত আবিৰ্ভাব হ'ল। “হে ৰাজন্য-মণ্ডলী! আজি শিশুপালৰ বধোপযোগী অপৰাধৰ সংখ্যা এশৰ বেচি হ'ল। আজি তোমালোক আগতেই এই পাপীষ্ঠৰ জীৱন শেষ হওঁক।”

শিশুপাল বধ

এইবুলি কৈ কৃষ্ণই সেই চক্ৰেৰে শিশুপালৰ শিৰচ্ছেদ কৰি ভূপাতিত কৰিলে। শিশুপালৰ শৰীৰৰ পৰা উজ্বল একুৰা জুই ওলাই আহি শ্ৰীকৃষ্ণৰ শৰীৰত বিলীন হ'ল।

শিশুপাল পৰিযোৱাৰ লগে লগে ভীষণ বৰষুণ আৰু বিনামেঘে বজ্ৰপাত হ'ল। প্ৰবল ভূমিকম্পত পৃথিবী কঁপি উঠিল। ঋষি মুনি আৰু মহৰ্ষি সকলে শ্ৰীকৃষ্ণৰ স্তুতি গীত গাব ধৰিলে! উপস্থিত ৰাজেন্দ্ৰ মণ্ডলীৰ ভিতৰত কোনোৱে আনন্দধ্বনি কৰি উঠিল; কোনোৱে খঙত অধীৰ হ'ল আৰু কোনোৱে ভয়তে নিমাত হৈ ৰ'ল। মহাৰাজ যুধিষ্ঠিৰে শিশুপালৰ অন্ত্যেষ্টিক্ৰিয়াৰ আদেশ দি তেওঁৰ পুতেকক ৰজা পাতিলে।

ইয়াৰ পাচত ধৰ্ম্মৰাজ যুধিষ্ঠিৰে, মহাসমৃদ্ধিশালী, পৰম প্ৰীতিকৰ, ধনধান্য সংযুক্ত ৰাজসূয় যজ্ঞ সম্পন্ন কৰিলে। শঙ্খ, চক্ৰ, আৰু গদা হাতত লৈ শ্ৰীকৃষ্ণই আৰম্ভণিৰ পৰা শেষলৈকে এই যজ্ঞ ৰক্ষা কৰি আছিল।

যজ্ঞৰ অন্তত, নৃপতিবৃন্দই আহি যুধিষ্ঠিৰক কলে "হে ধৰ্ম্মৰাজ। আপুনি পৰম ভাগ্যবান পুৰুষ। আপুনি সাম্ৰাজ্য স্থাপন কৰি এই মহান যজ্ঞানুষ্ঠান সম্পাদন কৰিলে আৰু ভৰত বংশৰ নৃপতি সকলৰ যশোবৰ্দ্ধন কৰিলে। আমি যজ্ঞলৈ আহি সকলো ৰকমৰ কাম্যবস্তু উপভোগ কৰি নথৈ আনন্দ পালোঁ। মহাৰাজৰ জয় হওক। এতিয়া আমি বিদায় মাগিলোঁ।"

মহাৰাজ যুধিষ্ঠিৰে ৰজা সকলক সন্মান আৰু প্ৰীতিসম্ভাষণ জনাই পাণ্ডৱ সকলক কলে "ভ্ৰাতৃবৃন্দ! আমাৰ মাননীয় অভ্যাগত ৰাজেন্দ্ৰবৃন্দক সসন্মানে ৰাজ্যৰ সীমালৈকে আগবঢ়াই দিয়া।"

যুধিষ্ঠিৰৰ আজ্ঞা পাই ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱে নৃপতি সকলৰ অনুসৰণ কৰিলে।

শ্ৰীকৃষ্ণই আহি যুধিষ্ঠিৰক কলে "হে ধৰ্ম্মাত্মন্! মহান্ ৰাজসূয় যজ্ঞ অতিসমাৰোহেৰে সু-সম্পন্ন হ'ল। এতিয়া মই দ্বাৰকালৈ যাব খুজিছোঁ; আদেশ দিয়ক।"

যুধিষ্ঠিৰে কলে "হে কৃষ্ণ ; কেৱল তোমাৰ কৃপাতেই মোৰ এই যজ্ঞ সম্পাদিত হ'ল। তোমাৰ কাৰণেই এই সসাগৰা ধৰণী মোৰ বশীভূত হল। এতিয়া তোমাক মই কেনেকৈ বিদায় দিওঁ ? তোমাক নেদেখিলে মোৰ মনত আনন্দ নাইকীয়া হয় ; কিন্তু কি কৰিম ? তুমি অৱশ্যে দ্বাৰকালৈ যাব লাগে।"

কৃষ্ণই তেতিয়া কুন্তী, দ্রৌপদী আৰু সুভদ্ৰাৰ পৰা বিদায় ললে আৰু ব্ৰাহ্মণ সকলক প্ৰণাম জনাই মেঘবপু নামে মনোহৰ ৰথত দ্বাৰকালৈ যাত্ৰা কৰিলে। দাৰুকে ৰথ চলালে আৰু যুধিষ্ঠিৰ, ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱে লগে লগে খোজকাঢ়ি গৈ থাকিল। কিছুদূৰ যোৱাৰ পাচত শ্ৰীকৃষ্ণই যুধিষ্ঠিৰক কলে "হে ধৰ্ম্মৰাজ। দেৱৰাজ ইন্দ্ৰই যেনেকৈ দেৱতা সকলৰ আশ্ৰয় আপুনিও তেনেকৈ আপোনাৰ বন্ধু-বান্ধৱ আৰু জ্ঞাতি সকলৰ আশ্ৰয় হৈ প্ৰজাপালন কৰক।" এই বুলি শ্ৰীকৃষ্ণই তেওঁলোকৰ পৰা বিদায় ললে।

ব্যাসদেৱ যাবলৈ ওলাল। তেওঁ শিষ্য সকলক লগত লৈ আহি যুধিষ্ঠিৰক কলে 'হে যুধিষ্ঠিৰ। তুমি কুৰু বংশ উজ্বল কৰিলা। আমি তোমাৰ প্ৰতি সন্তুষ্ট হৈছোঁ ; এতিয়া আমাক বিদায় দিয়া।"

যুধিষ্ঠিৰে কলে "হে পিতামহ। দেৱৰ্ষি নাৰদে কৈছিল যে ৰাজসূয় যজ্ঞৰ অন্তত দিব্য, অন্তৰীক্ষ আৰু পাৰ্থিৱ, এই তিনি বিধ উৎপাত আৰম্ভ হব। শিশুপালৰ মৃত্যুৰ পাচত সেই উৎপাতৰ জানো অৱসান ঘটিল" ?

ব্যাসদেৱে কলে "হে ৰাজন। এই তিনি বিধ উৎপাত তেৰবছৰলৈকে চলি থাকিব। দুৰ্য্যোধনৰ দোষত আৰু ভীমাৰ্জ্জুনৰ হাতত সমস্ত ক্ষত্ৰিয়কুল নিৰ্ম্মূল হব। তুমি সপোনত দেখা পাবা বৃষভত আৰোহণ কৰি মহাদেৱে শূল আৰু ধনু হাতত লৈ দক্ষিণ কালে চাই আছে। তাকে দেখি তুমি অধীৰ নহবা।

হে ধৰ্ম্মাত্মন! কালক কোনোৱে অতিক্ৰম কৰিব নোৱাৰে। ধৰ্ম্মত মতি ৰাখি ন্যায়পৰায়ণ হৈ প্ৰজা পালন কৰা। তোমাৰ মঙ্গল হওক; এতিয়া আমি কৈলাস পৰ্ব্বতলৈ যাওঁ"। এই বুলি কৈ ব্যাসদেৱে শিষ্য সকলক লগত লৈ গুচি গ'ল।

মহৰ্ষি ব্যাসদেৱ প্ৰস্থান কৰাৰ লগে লগে মহাৰাজ যুধিষ্ঠিৰে এটি দীঘল হুমুনিয়াহ কাঢ়িলে। তেওঁ মনতে ভাবিলে "বাহু বলেৰে মানুহে দৈৱশক্তিক জয় কৰিব নোৱাৰে। মহৰ্ষিয়ে যি কলে সি অৱশ্যে ঘটিব; তাত কোনো সন্দেহ নাই"।

এই কথা ভাবি তেওঁ ভায়েকসকলক কলে "হে ভ্ৰাতৃবৃন্দ! মহৰ্ষিয়ে যি কথা কলে তাক তোমালোকে শুনিলা। এনে অৱস্থাত মোৰ জীয়াই থকাৰ একো প্ৰয়োজন নাই। যদি ময়ে ক্ষত্ৰিয় কুলৰ বিনাশৰ কাৰণ হওঁ, তাৰ আগেয়ে মই নিজে প্ৰাণ ত্যাগ কৰা উচিত"।

অৰ্জ্জুনে কলে "হে ৰাজন! আপুনি মোহাবিষ্টহৈ বুদ্ধিহীনৰ নিচিনাকৈ কথা কোৱা উচিত নহয়। কল্যাণকৰ কৰ্ম্মই মানুহৰ শ্ৰেষ্ঠ ধৰ্ম্ম"।

যুধিষ্ঠিৰে কলে 'প্ৰিয় ভাইসকল! মোৰ মনৰ সংকল্পৰ কথা শুনা। আজিৰ পৰা মই তোমালোকৰ প্ৰতি বা অন্যান্য নৃপতি সকলৰ প্ৰতি কঠোৰ বাক্য প্ৰয়োগ নকৰোঁ। মোৰ নিজৰ আৰু ইতৰজনৰ মাজত কোনো ভেদাভেদ ভাব নাৰাখোঁ; মই সকলোৰে প্ৰিয় আচৰণ কৰিম"।

মহাৰাজ যুধিষ্ঠিৰৰ এই সংকল্পত ভীম, অৰ্জুন, নকুল আৰু সহদেৱে আনন্দমনেৰে সন্মতি জনালে।

# শকুনিৰ মন্ত্ৰণা

ৰজা দুৰ্য্যোধন আৰু তেওঁৰ মোমায়েক শকুনি এতিয়ালৈকে ঘোৰা নাই। তেওঁলোক দুয়ো একেলগে যুধিষ্ঠিৰৰ সভাঘৰৰ বিচিত্ৰ শোভা আৰু অদ্ভুত কলা-কৌশল চাই ফুৰিছে, এনেকৈ চাই ফুৰোতে দুৰ্য্যোধনে বহুতো বিলৈ-বিপত্তি আৰু আতকালৰ সন্মুখীন হব লগীয়া হ'ল। এবেলি সভাঘৰৰ মজিয়াখন পানীৰ ঢেউখিলি থকা সৰোবৰৰ নিচিনা দেখি তেওঁ কাপোৰখন আঠুলৈ কোঁচাই লৈ ভৰি ডাঙি পানীত নামিবলৈ

গৈ মজিয়াতে পৰি গ'ল। তেওঁ বৰ লাজ পালে আৰু এটি দীঘল হুমুনিয়াহ কাঢ়ি বিষন্ন মনেৰে ইফালে সিফালে ঘূৰি ফুৰিব ধৰিলে। এনেতে তেওঁ পদুমফুল ফুলি থকা সৰোবৰৰ পাৰ পালেহি। সৰোবৰৰ ওপৰখন ফুলাম কাপোৰ পাৰি থোৱা মজিয়া বুলি ভাবি হন্ হন্ কৈ গৈ পানীতে পৰি গ'ল। তাকে দেখি ভীমে তেওঁৰ লগৰীয়া ইতৰ লগত খিল্‌খিল্‌কৈ হাঁহি উঠিল। দুৰ্য্যোধনে লাজত ৰঙামুৰা হ'ল।

যুধিষ্ঠিৰৰ আদেশত ভৃত্যই তেতিয়াই গৈ ধুনীয়া ৰাজ পৰিচ্ছদ আনি দুৰ্য্যোধনক দিলে। সৰোবৰকে চোতাল আৰু চোতালকে সৰোবৰ বুলি দুৰ্যোধনে আৰু কেবাবাৰো ভুল

কৰিলে। সাৱধানে ফুৰিবলৈ দৃঢ় সংকল্প হৈ তেওঁ দুৱাৰমুখ বুলি দেৱালতে খুন্দা খালে আৰু দুৱাৰমুখ বিচাৰি নোপোৱা হ'ল। ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱে দুৰ্য্যোধনৰ এনে বিলৈ দেখি হাঁহি হাঁহি আগবাঢ়ি আহি তেওঁক দুৱাৰমুখ দেখুৱাই দিলে। এনেকৈ উপহাসৰ পাত্ৰ হৈ দুৰ্য্যোধনে যুধিষ্ঠিৰৰ পৰা বিদায় লৈ হস্তিনাপুৰলৈ যাত্ৰা কৰিলে।

বাটত যাওঁতে দুৰ্য্যোধনৰ অন্তৰত হিংসাজুই জ্বলি উঠিল। পাণ্ডৱৰ অতুল ঐশ্বৰ্য্য আৰু সমৃদ্ধি দেখি তেওঁৰ মনত ঈৰ্ষা হ'ল। কুন্তীপুত্ৰসকলৰ মহিমা, মহানুভৱতা, সাম্ৰাজ্য বিস্তাৰ, প্ৰজাবোৰৰ সুখশান্তি আৰু ৰাজভক্তি দেখি তেওঁ কাতৰ হৈ পৰিল। শকুনিয়ে নানা প্ৰশ্ন কৰিও দুৰ্য্যোধনৰ পৰা একো উত্তৰ নাপাই কলে "দুৰ্য্যোধন! এনে বিষণ্ণ মনেৰে তুমি কিয় নীৰৱে আছা"?

দুৰ্য্যোধনে কলে "মোমাই' অৰ্জুনে অস্ত্ৰবলেৰে সসাগৰা ধৰণী জয় কৰি যি অতুল ঐশ্বৰ্য্য লাভ কৰিলে আৰু যুধিষ্ঠিৰে ইন্দ্ৰযজ্ঞতুল্য যি মহাযজ্ঞ সম্পাদন কৰিলে তাকে দেখি ঈৰ্ষানলত মোৰ হৃদয় দগ্ধ হব ধৰিছে। মোৰ এনে অন্তৰ্দাহ উপস্থিত হৈছে যে জীৱন ধাৰণ কৰিবলৈকো অসমৰ্থ হৈছোঁ। হয় জুইত জাপ দি অথবা হলাহল পাণ কৰি প্ৰাণ বিসৰ্জ্জন দিবলৈ মোৰ মন অস্থিৰ হৈ পৰিছে। শত্ৰুৰ উন্নতি আৰু নিজৰ অৱনতি দেখি মোৰ মনলৈ ধিক্কাৰ আহিছে'।

শকুনিয়ে কলে "দুৰ্য্যোধন! পাণ্ডৱবোৰে নিজৰ ভাগত পোৱা ৰাজ্য বিস্তাৰ কৰিছে আৰু নিজৰ বাহুবলেৰে সাম্ৰাজ্য স্থাপন কৰিছে। তাৰ কাৰণে তুমি কিয় কাতৰ হৈছা? পাণ্ডৱবোৰক নিধন কৰিবলৈ তুমি বহুবাৰ ষড়যন্ত্ৰ কৰিও বিফল হৈছা। এতিয়া তেওঁলোকে দ্ৰৌপদীক লাভ কৰি দ্ৰুপদ ৰজাৰ সহায় পাইছে আৰু বাসুদেৱ শ্ৰীকৃষ্ণৰ কৃপাত পৃথিবী জয় কৰিবলৈ সক্ষম হৈছে; তাৰ কাৰণে তোমাৰ পৰিবেদনাৰ কোনো কাৰণ

নাই। অৰ্জ্জুনে হুতাশনৰ তৃপ্তি সাধন কৰি গাণ্ডীৱ ধনু, কপিধ্বজ ৰথ, অক্ষয়তূণ আৰু দিব্যাস্ত্ৰ লাভ কৰিছে। খাণ্ডৱ দাহৰ সময়ত ময়দানৱক হুতাশনৰ গ্ৰাসৰ পৰা পৰিত্ৰাণ কৰি তেওঁৰ দ্বাৰাই অৰ্জ্জুনে যুধিষ্ঠিৰৰ সভাঘৰ নিৰ্ম্মাণ কৰি লৈছে। এই কামত ময়দানৱে কিঙ্কৰ নামেৰে ৰাক্ষস সকলৰ সহযোগত এটি অপূৰ্ব্ব আৰু অদ্ভুত সভাঘৰৰ সৃষ্টি কৰিলে”।

“হে দুৰ্য্যোধন! তোমাৰ সহায় নাই, তোমাৰ সাৰথি নাই বুলি কিয় আক্ষেপ কৰিছা? মহাধনুৰ্দ্ধৰ দ্ৰোণাচাৰ্য্য, মহাবীৰ কৰ্ণ, মই আৰু মোৰ ভ্ৰাতৃসকল, তোমাৰ ভ্ৰাতৃ এশজন, সকলোৱে তোমাৰ কাৰণে প্ৰাণ পৰ্য্যন্ত বলি দিবলৈ সাজু হৈ আছে। তুমিও ভুমণ্ডল জয় কৰি নিজকে প্ৰতিষ্ঠিত কৰাঁ। অৱশ্যে এই কথা সঁচা যে মহা ধনুৰ্দ্ধৰ অৰ্জুন, মহাপৰাক্ৰমী ভীম, যুধিষ্ঠিৰ, নকুল আৰু সহদেৱ, এওঁলোকক দেৱতাসকলেও যুদ্ধত জয় কৰিব নোৱাৰে। এতেকে বলেৰে নোৱাৰিলে চলেৰে শত্ৰুক জয় কৰিব লাগিব। পাশাখেলা যুধিষ্ঠিৰৰ বৰ প্ৰিয়; কিন্তু তেওঁ নিজে পাশাখেলত একেবাৰে অনভিজ্ঞ। অথচ তেওঁক খেললৈ আহ্বান কৰিলে, ক্ষত্ৰিয় ধৰ্ম্ম ৰক্ষা কৰিবলৈ তেওঁ তত্‌ালিকে মান্তি হব। তুমি যদি তেওঁক আহ্বান কৰি আনিব পাৰা তেন্তে তেওঁ মোৰ হাতত পাশা খেলত ৰাজ্য, ধন, যথাসৰ্ব্বস্ব হেৰুৱাই কাঙাল হৈ যাব। ত্ৰিভুবনত মোৰ হাতৰ কৌশলৰ নিচিনা কৌশল কাৰো জনা নাই। কিন্তু মহাৰাজ ধৃতৰাষ্ট্ৰৰ অনুমতি লৈহে খেলা আৰম্ভ কৰিব লাগিব”।

দুৰ্য্যোধনে কলে ‘হে মোমাই! ৰজা ধৃতৰাষ্ট্ৰৰ ওচৰত এনে প্ৰস্তাৱ মই কৰিব নোৱাৰিম। তুমিয়ে এই কামৰ ভাৰ লোৱা”।

এনেকৈ আলোচনা কৰি তেওঁলোক দুয়ো আহি হস্তিনাপুৰ পালে আৰু বিষন্ন মনেৰে দুৰ্য্যোধনে কেইদিনমান কটালে। ছেগ বুজি এদিন শকুনিয়ে ধৃতৰাষ্ট্ৰক কলে “মহাৰাজ! দুৰ্য্যোধনে শুকাই ক্ষীণাই, চিন্তাত জৰ্জ্জৰিত হৈ দিন কটাব ধৰিছে; আপুনি

তেওঁক অলপ শান্তনা দিলে ভাল হয়”। ধৃতৰাষ্ট্ৰই দুৰ্য্যোধনক মাতি আনি কলে “হে দুৰ্য্যোধন ! এই ৰাজ্যৰ অতুল ঐশ্বৰ্য্যৰ তুমিয়ে গৰাকী ; তোমাৰ ভ্ৰাতৃমণ্ডলী আৰু সুহৃদবৃন্দ তোমাৰেই অনুগত। ৰাজোচিত পৰিচ্ছদ, সুকোমল শয্যা, মনোহাৰিনী ৰমণী, শোভা সম্পান্ন গৃহ—দেৱতামণ্ডলীৰ দৰে এই সকলোবোৰ তুমি ভোগ কৰি আছা ; তুমি কি দুখত দীন ভাব পোষণ কৰি বিষন্ন মনে দিন কটাইছা” ? দুৰ্য্যোধনে কলে “মহাৰাজ ! গৰিমাময়ী মহতী ৰাজলক্ষ্মীয়ে যুধিষ্ঠিৰৰ ৰাজভৱন উজ্জ্বল কৰি পাণ্ডৱৰ ঐশ্বৰ্য্য গৌৰৱ ঘোষণা কৰি আছে। তেওঁৰ ভৱনত দিনে অষ্টাশী হাজাৰ ব্ৰতী আৰু গৃহীয়ে সোণৰ পাত্ৰত উত্তম অন্ন ভোজন কৰিব ধৰিছে। ৰাজসুয় যজ্ঞৰ কাৰণে ৰাজ্যজয় কৰি অনা ধন ৰত্নেৰে ধনাগাৰ উপচি পৰিছে। হে মহাৰাজ ! এশ হাজাৰ হাতী, এশ হাজাৰ ধেনু, এশ-হাজাৰ ঘোঁৰা আৰু উটে যুধিষ্ঠিৰৰ পশুশালত কলৰৱ কৰি আছে। হে মহাৰাজ ! যুধিষ্ঠিৰৰ ৰাজসুয় যজ্ঞলৈ যি প্ৰবল সোঁতেৰে ধন-ৰত্নৰ সমাগম হৈছিল তেনে ধন-ৰত্নৰ পৰ্ব্বতা-কাৰ দোল মই আগেয়ে দেখা নাই, আনকি শুনাও নাই। সেই অসীম ধনৰ ভাণ্ডাৰ দেখি মোৰ চকুত টোপনি নাইকীয়া হ'ল ; মই বিষাদ সাগৰত নিমগ্ন হলোঁ। সোণৰ কমণ্ডলু হাতত লৈ পথিক ব্ৰাহ্মণ সকলে যি ধন-ৰত্ন আৰু গৰুৰ দান গ্ৰহণ কৰি যজ্ঞভূমিৰ পৰা যেনেকৈ ওলাই গৈছিল, সেই দৃশ্য মোৰ চকুৰ আগত ভাহি আছে আৰু মোৰ অন্তৰ জ্বলি পুৰি যাব ধৰিছে”।

“বাসুদেৱে নানা ৰত্নেৰে বিভূষিত কোৰা অৰ্ঘা হাতত লৈ শঙ্খধ্বনি কৰি যুধিষ্ঠিৰক ৰাজসুয় যজ্ঞৰ কাৰণে অভিষেক কৰিলে। তাৰ পাছত লক্ষব্ৰাহ্মণৰ ভোজন সমাপ্ত হোৱাৰ লগে লগে একো-বাৰকৈ শঙ্খধ্বনি হয় আৰু সেই শঙ্খধ্বনি শুনি মোৰ শৰীৰ কঁপি উঠে। হে মহাৰাজ ! যুধিষ্ঠিৰৰ ৰাজলক্ষ্মীৰ যি

প্ৰভাৱ আৰু গৰিমা নিজ চকুৰে মই দেখি আহিলো, তাৰ পাচত মোৰ মনৰ শান্তি মোৰ জীৱনলৈ ডুব হৈ গৈছে।"

কান্দি কান্দি দুৰ্য্যোধনে কলে "হে পিতা! মামা শকুনিয়ে পাশা খেলত পাণ্ডৱক পৰাজিত কৰি সৰ্ব্বস্বান্ত কৰিব বুলি মোক প্ৰতিশ্ৰুতি দিছে; আপুনি অনুমতি দিয়ক।"

ধৃতৰাষ্ট্ৰই কলে "হে পুত্ৰ! মহাপ্ৰাজ্ঞ বিদুৰ আমাৰ মন্ত্ৰী; মই তেওঁৰ শাসনাধীন। তেওঁ দুৰদৰ্শী আৰু ধাৰ্ম্মিক; এতেকে তেওঁৰ মত লৈহে মই তোমাৰ প্ৰস্তাৱত মত দিব পাৰিম।"

দুৰ্য্যোধনে কলে "মহাৰাজ। বিদুৰ পাণ্ডৱৰ হিতাকাঙ্ক্ষী। তেওঁ নিশ্চয় এই প্ৰস্তাৱত মান্তি নহব। যদিহে আপুনি এই পাশা খেলত মত নিদিয়ে তেন্তে মই নিশ্চয় প্ৰাণ ত্যাগ কৰিম।"

ধৃতৰাষ্ট্ৰই বিদুৰক মাতি পঠিয়ালে। বিদুৰ আহিল। তেতিয়া ধৃতৰাষ্ট্ৰই বিদুৰৰ আগত দুৰ্য্যোধনৰ পাশা খেলৰ একান্ত অভিলাষৰ কথা প্ৰকাশ কৰিলে।

বিদুৰে কলে "হে মহাৰাজ! পাশা সৰ্ব্বনাশা। কলহ আৰু বিনাশৰ হেতু এই সৰ্ব্বনাশী খেলত মই মত দিব নোৱাৰো। নিজৰ পুত্ৰ আৰু পাণ্ডৱ সকলৰ মঙ্গলৰ অৰ্থে আপুনি এই ভয়ঙ্কৰ অনুষ্ঠান বন্ধ কৰক।"

এনেকৈ কৈ বিষাদ মনেৰে বিদুৰ মহামতি ভীষ্মৰ ওচৰলৈ গ'ল। তেতিয়া ধৃতৰাষ্ট্ৰই দুৰ্য্যোধনক কলে "হে পুত্ৰ! বিদুৰ মহা জ্ঞানী পুৰুষ। কৌৰৱ আৰু পাণ্ডৱ সকলৰ তেওঁ সদায় হিতকে চিন্তা কৰে। দেৱগুৰু বৃহস্পতিয়ে দেৱৰাজ ইন্দ্ৰক যিবোৰ শাস্ত্ৰোপদেশ দিছিল সেই সকলো শিক্ষা বিদুৰে লাভ কৰিছে। তেওঁৰ কথা অমান্য কৰিব নোৱাৰি। জুৱাখেলৰ পৰা বন্ধুবিচ্ছেদ হয় আৰু বন্ধুবিচ্ছেদ হলে ৰাজ্য নাশ হয়। এতেকে হে দুৰ্য্যোধন! তুমি পাশাখেলৰ অভিলাষ ত্যাগ কৰঁা। তুমি

ৰাজপদত অধিষ্ঠিত হৈছোঁ; এতিয়া তুমি শোকত অভিভূত হৈ থকা উচিত নহয়।

দুৰ্য্যোধনে কলে "পিতা! সমগ্ৰ পৃথিবী আজি যুধিষ্ঠিৰৰ পদানত দেখি মোৰ এই ৰাজ্যভোগত অকণো তৃপ্তি হোৱা নাই। হিমালয়, সাগৰ আৰু সকলো ৰত্নৰ খনি আজি যুধিষ্ঠিৰৰ হাতত। তাৰ ভেটী গ্ৰহণ কৰিবলৈ যুধিষ্ঠিৰে মোক নিয়োগ কৰিছিল। সেই সময়ত ধন ৰত্ন ইমানকৈ আহিছিল যে মই গ্ৰহণ কৰিবলৈ অসমৰ্থ হৈছিলোঁ। আৰু ৰাজন্য মণ্ডলীয়ে ধনৰত্ন উপহাৰ দিবলৈ শাৰী পাতি মোৰ কাৰণে ৰৈ আছিল। এনেকৈ কিমান ধনৰত্ন গোট খালে মই তাৰ লেখ দিব নোৱাৰিম।

ময়দানৱে বিন্দুসৰোবৰৰ পৰা আহৰণ কৰি অনা ৰত্ন ৰাশিৰে পদুম ফুলৰ এনে এখন উদ্যান নিৰ্ম্মাণ কৰিছিল যে পানী বুলি ভুল কৰি আঠুলৈ কাপোৰ ডাঙি ফুল চিঙিবলৈ যাওঁতে মই পৰি গলোঁ। আৰু ভীমে মোক শত্ৰুৰ ঐশ্বৰ্য্য দেখি বিভ্ৰান্ত হোৱা বুলি উপহাস কৰি হাঁহি উঠিল। হে মহাৰাজ! শত্ৰুৰ উপহাসত মোৰ অন্তৰত জুই জ্বলি আছে। তাৰ পাচত মই আকৌ মণি মুক্তাৰে সজাই থোৱা ফুলনি বুলি ভাবি আগ বাঢ়োতে আচল সৰোবৰতে পৰি গলোঁ। তাকে দেখি কৃষ্ণ, অৰ্জ্জুন, দ্ৰৌপদী আৰু অন্যান্য ৰমণী সকলে মোৰ বিলৈ বিপত্তি দেখি মোক সমবেদনা জনালে আৰু মোক উপহাস কৰি মুখ টিপি টিপি হাঁহিব ধৰিলে। যুধিষ্ঠিৰে মোৰ পৰিধানৰ কাৰণে নতুন বস্ত্ৰ আনিবলৈ আদেশ দিলে; মই লাজত ৰঙামুৱা হলোঁ। অলপ থমকি ৰৈ দুৰ্য্যোধনে আকৌ কলে "হে মহাৰাজ! মোৰ দুৰ্গতিৰ কথা আৰু কওঁ শুনক। সন্মুখত দুৱাৰমুখ থকা বুলি ভুল কৰি হন্‌হনকৈ যাওঁতে দেৱালত খুন্দা খাই মোৰ কপাল-খন ক্ষত বিক্ষত হল। তাকে দেখি নকুল আৰু সহদেৱে মই আহত হোৱা দেখি দৌৰি আহি মোক ধৰিলে আৰু সহদেৱে

মোক কলে 'হে ৰাজন! দুৱাৰ মুখখন এইফালে হে আছে; আপুনি এই ফালে আহক।' ভীমে হাঁহি হাঁহি কলে 'হে ধৃতৰাষ্ট্ৰপুত্ৰ। দুৱাৰমুখখন সেই ফালে আছে, এইবাৰ কাৰণত মোৰ হিংসানল জ্বলি উঠিছে।"

ধৃতৰাষ্ট্ৰই কলে "হে দুৰ্য্যোধন; তুমি মোৰ জ্যেষ্ঠা মহিষীৰ গৰ্ভজাত জ্যেষ্ঠ পুত্ৰ। তোমাৰ মঙ্গলৰ কাৰণে মই কৈছো, পাণ্ডৱ সকলৰ প্ৰতি বিদ্বেষ ভাৱ পোষণ কৰি নাথাকিবা। মানুহৰ মনত দ্বেষ ভাৱ সোমালে মানুহ অসুখী হয়। পৰৰ ধনৰ প্ৰতি লোভ কৰা অসৎ মানুহৰ প্ৰবৃত্তি। তুমি যদি যজ্ঞানুষ্ঠানৰ পৰা সম্পত্তি পাবলৈ হেপাহ কৰা, তেন্তে তুমিও মহাতন্ত্ৰ নামৰ মহাযজ্ঞ আৰম্ভ কৰা। হে পুত্ৰ। যি মানুহে নিজৰ ধন সম্পত্তি লৈ সন্তুষ্ট থাকে, নিজৰ উৎসাহ বৃদ্ধি কৰি ধনোপাৰ্জ্জন কৰে আৰু স্বোপাৰ্জিত ধনৰ সদ্ব্যৱহাৰ কৰি ধৰ্ম্মাচৰণ কৰে তেৱেঁই সুখী হয়। এয়ে হল সুপুৰুষৰ লক্ষণ।"

দুৰ্য্যোধনে কলে "মহাৰাজ! আপুনি এজন বিজ্ঞ ব্যক্তি হৈয়ো পুত্ৰৰ স্বকাৰ্য্য সাধনত ব্যাঘাত জন্মাইছে। জয় লাভ কৰাই ক্ষত্ৰিয়-ধৰ্ম্ম। সেই কাৰণে মই হয় পাণ্ডৱৰ ৰাজলক্ষ্মী নিজৰ হাতলৈ আনিম, নহলে যুদ্ধত প্ৰাণত্যাগ কৰিম। প্ৰতিদিনে পাণ্ডৱৰ এনে উন্নতি চাই প্ৰাণধাৰণ কৰি থকাৰ একো আৱশ্যকতা নাই"।

ধৃতৰাষ্ট্ৰই কলে "হে দুৰ্য্যোধন। তোমাৰ যি অভিৰুচি হয় তাকে কৰা। কিন্তু পাচত অনুতাপ নকৰিবা"।

এইবুলি কৈ ধৃতৰাষ্ট্ৰই নিপুণ শিল্পী সকলক এটি বিৰাট সভাঘৰ সাজিবলৈ আদেশ দিলে। এই ঘৰটোৰ এহেজাৰ খুটা আৰু এশ খন দুৱাৰ থাকিব। ঘৰটোৰ নাম "তোৰণস্ফটিক" হব আৰু মণি-মুক্তাৰে সুসজ্জিত কৰিব।

বিদুৰক মাতি আনি ধৃতৰাষ্ট্ৰই কলে "হে বিদুৰ ! মোৰ পুত্ৰ সকলৰ মাজত পাশাখেলৰ কাৰণে কোনো প্ৰকাৰে কোনো ৰকম কলহৰ সৃষ্টি হোৱাৰ আশঙ্কা নাই। মই আছোঁ, তুমি আছাঁ, আচাৰ্য্য দ্ৰোণ আছে আৰু মহামতি ভীষ্ম আছে। এনে-স্থলত কোনো ৰকম মিত্ৰদ্ৰোহ বা সুহৃদ্ভেদৰ যাতে সৃষ্টি নহয় তালৈ আমি লক্ষ ৰাখিম"।

বিদুৰে কলে "মহাৰাজ ! আপুনি আকৌ এবাৰ ভালকৈ ভাবি চাওক। মোৰ হলে এই অনুষ্ঠানত অকনো মত নাই"।

ধৃতৰাষ্ট্ৰই কলে "বিদুৰ ! এই জগত স্বতন্ত্ৰ নহয়; ই কেৱল দৈৱৰ বশৱৰ্ত্তী হৈ চলি আছে। তুমি আজিয়ে ইন্দ্ৰপ্ৰস্থলৈ গৈ যুধিষ্ঠিৰক পাশা খেলৰ কাৰণে আহ্বান কৰি তোমাৰ লগতে তেওঁক লৈ আহাগৈ"।

বিদুৰে ধৃতৰাষ্ট্ৰৰ আদেশ অমান্য কৰিব নোৱাৰিলে। তেওঁ ইন্দ্ৰপ্ৰস্থলৈ যাত্ৰা কৰিলে। ইন্দ্ৰপ্ৰস্থত প্ৰৱেশ কৰাৰ লগে-লগে বিদুৰক প্ৰজাসকলে মহাসমাৰোহেৰে সৈতে সমাদৰ কৰি লৈ গ'ল। তেওঁ ৰাজপুৰীত সোমাই মহাৰাজ যুধিষ্ঠিৰৰ ওচৰলৈ গ'ল। যুধিষ্ঠিৰে বিদুৰক যথোচিত সন্মান প্ৰদৰ্শন কৰি আদৰ অভ্যৰ্থনা জনালে। ক্ষন্তেক পাচতে যুধিষ্ঠিৰে কলে "খুড়াদেউ ! আপোনাক মই বৰ অপ্ৰসন্ন দেখিছোঁ; বাটত কিবা অঘটন ঘটিছিল নেকি ? কৌৰৱ সকল মঙ্গলে আছেনে" ?

বিদুৰে কলে "ইন্দ্ৰকল্প মহাত্মা ধৃতৰাষ্ট্ৰ আৰু তেওঁৰ পুত্ৰ সকল জ্ঞাতি আৰু সুহৃদবৰ্গৰ দ্বাৰা পৰিবৃত হৈ সৰ্ব্বাঙ্গীন কুশলে আছে। এতিয়া তেওঁ তোমাৰ প্ৰতি এটি বাৰ্ত্তা পঠিয়াইছে। তোমাৰ সভাঘৰৰ নিচিনাকৈ ধৃতৰাষ্ট্ৰই এটি সভাঘৰ সাজিছে। সেই সভাঘৰ চাবলৈ দ্ৰৌপদী আৰু পাণ্ডৱ সকলক ধৃতৰাষ্ট্ৰই আমন্ত্ৰণ জনাইছে। ধৃতৰাষ্ট্ৰই সেই সভাঘৰত পাশাখেলৰ আয়োজন কৰি এখন মহা সন্মিলন পাতিছে আৰু তালৈ ধূৰ্ত্ত পাশা খেলুৱৈ সকলক মাতি আনিছে। এতিয়া ধৃতৰাষ্ট্ৰই তোমাক সেই পাশা খেললৈ আহ্বান কৰি কৈ পঠিয়াইছে "হে যুধিষ্ঠিৰ ! তুমি পাশাখেলত দুৰ্য্যোধনৰ লগত প্ৰীতিপূৰ্ণ বন্ধুভাব লৈ যোগ দিয়া; তোমাৰ লগত এই সন্মিলনত কুৰুকুলৰ আনন্দৰ সীমা নাইকীয়া হ'ব। এতিয়া তুমি বিবেচনা কৰি মোক এই কথাৰ প্ৰত্যুত্তৰ দিয়া"।

যুধিষ্ঠিৰে কলে "খুড়াদেউ ! পাশাখেল কলহৰ মূল।

কোনো জ্ঞানী পুৰুষে এইখেলৰ অনুমোদন নকৰে। আপুনি এই বিষয়ে মোক কি উপদেশ দিয়ে, কওক"।

বিদুৰে কলে "জুৱা খেলেই হল সকলো অনৰ্থৰ মূল। ধৃতৰাষ্ট্ৰক মই নিবৃত্ত কৰিবলৈ বহুত চেষ্টা কৰিলোঁ; কিন্তু মোৰ চেষ্টা ফলৱতী নহল। তোমাৰ ওচৰলৈ তেওঁ মোক পঠালে আৰু ময়ো তওঁৰ কথাখিনি তোমাক কলোঁ। পাশা-নিপুণ বিখ্যাত কূট-কৌশলী শকুনি তাত আছে আৰু তেওঁৰ লগত কেবাজনো সুদক্ষ আৰু কৌশলী খেলুৱৈ থাকিব"।

যুধিষ্ঠিৰে কলে "মোক এনেকৈ পাশাখেলৰ কাৰণে সভালৈ আহ্বান নকৰা হলে, মই কেতিয়াও শকুনিৰ লগত খেলত নব-হিলোঁহে। মই যেতিয়া আহূত হৈছোঁ, মই পিচপৰি নাথাকো, এয়ে মোৰ নীতি"। এই বুলি কৈ যুধিষ্ঠিৰে হস্তিনাপুৰলৈ যাবৰ কাৰণে আয়োজন কৰিবলৈ আদেশ দিলে।

পিচদিনাখন যুধিষ্ঠিৰে দ্ৰৌপদীকে আদি কৰি সকলো ৰমণীৰ লগত চাৰিওজন ভায়েকৰ সৈতে বাহুকে জুটি লোৱা ৰথত উঠিল। বিদুৰ, আৰু সকলো সহচৰ আৰু অনুচৰ বৰ্গই তেওঁৰ লগ ললে। হস্তিনাপুৰলৈ আহি যুধিষ্ঠিৰে ধৃতৰাষ্ট্ৰ, ভীষ্ম, দ্ৰোণ, দুৰ্য্যোধন আৰু আনআন বন্ধু-বান্ধৱ, সকলোকে যথোচিত সম্ভাষণ জনাই গান্ধাৰীৰ ওচৰলৈ গ'ল আৰু তেওঁক প্ৰণাম জনাই আশীৰ্ব্বাদ গ্ৰহণ কৰিলে।

সেইদিনাখন পাণ্ডৱসকলে হস্তিনাপুৰতে ৰাতিটো কটালে। পিচদিনা ৰাতিপুৱা আহ্নিক আদি সমাপ্ত কৰি সভাঘৰলৈ যাত্ৰা কৰিলে। সৰ্ব্বজ্যেষ্ঠ আৰু সৰ্ব্বশ্ৰেষ্ঠ যুধিষ্ঠিৰক আগত লৈ পাণ্ডৱ সকলে সভাঘৰত প্ৰৱেশ কৰিলে আৰু গুৰুজন সকলক প্ৰণাম জনাই আসন গ্ৰহণ কৰিলে।

শকুনিয়ে যুধিষ্ঠিৰক কলে "হে মহাৰাজ! এই সভাত বহু লোকৰ সমাগম হৈছে আৰু সকলোৱে অধীৰ হৈ আপোনাৰ

কাৰণে অপেক্ষা কৰি আছে; এতিয়া পাশা ঘূৰাই দ্যুতক্ৰীড়া আৰম্ভ কৰা হওক।' যুধিষ্ঠিৰে কলে "শকুনি। কপট পাশা খেলা অতি পাপজনক; কূটখেলত ক্ষ'ত্ৰিয়ৰ একো পৰাক্ৰম প্ৰকাশ নাপায়। ধূৰ্ত্তৰ কপট আচৰণ সকলোৱে ঘিণ কৰে আমাক পৰাজিত কৰিবলৈ তুমি অসৎ পথ অৱলম্বন নকৰিবা। ময়ো শঠ আচৰণ কৰি সুখ সমৃদ্ধি আৰু ঐশ্বৰ্য্য নিবিচাৰো।"

শকুনিয়ে কলে "হে যুধিষ্ঠিৰ। তুমি যদি নিতান্তই মোক ধূৰ্ত্ত বুলি ভাবিছা আৰু যদি তুমি ভয় পাইছা, তেন্তে এই খেলৰ পৰা আঁতৰি থাকা।"

যুধিষ্ঠিৰে কলে "পাশা খেললৈ আহূত হলে মই কেতিয়াও পৰাঙ্মুখ নহওঁ; এয়ে মোৰ নিত্যব্ৰত। জুৱাখেলত অদৃষ্টই বলবান; ময়ো সেই অদৃষ্টৰ বশীভূত। এতিয়া কোৱা মোৰ সমান বিত্তশালী কোন আছে আৰু মই কাৰ লগত খেলাত বহিম"!

তেতিয়া দুৰ্য্যোধনে কলে "মোৰ মামা শকুনিয়ে মোৰ প্ৰতিনিধি হৈ খেলিব; পণৰ ধনৰত্ন সকলো মই দিম।" যুধিষ্ঠিৰে কলে "এজনৰ প্ৰতিনিধি হৈ আন এজনে খেল খেলা ন্যায় সঙ্গত বুলি মই নাভাবোঁ; যেয়েকি নহওক এতিয়া খেল আৰম্ভ কৰাঁ।

পিতামহ ভীষ্ম, আচাৰ্য্য দ্ৰোণ, কৃপাচাৰ্য্য, মহাৰাজ ধৃতৰাষ্ট্ৰ সকলোৱে আহি সভামণ্ডপত নিজৰ নিজৰ আসন গ্ৰহণ কৰিলে। খেল আৰম্ভ হ'ল। যুধিষ্ঠিৰে কলে "এই মহামূলীয়া সাগৰ সম্ভূত স্বৰ্ণ আৰু বিবিধ ৰত্নেৰে সুশোভিত মোৰ এই ডিঙিৰ হাৰ পণ ৰাখিলোঁ"।

চকুৰ নিমিষতে হাত ঘূৰাই অদ্ভুত কৌশলেৰে শকুনিয়ে পাশা নিক্ষেপ কৰি চিঞৰি উঠিল "এই মই জিতিলোঁ"। সঁচাকৈ শকুনিৰে জয় হ'ল।

যুধিষ্ঠিৰে কলে "মোৰ ৰাজভাণ্ডাৰৰ একলাখ আঠহেজাৰ

সোণেৰে পৰিপূৰ্ণ কলহ, মোৰ অক্ষয় ভাণ্ডাৰ, মই পণ ৰাখিলোঁ।" "এয়া মই জিতিলোঁ" বুলি শকুনিয়ে হাতৰ টিপতে কৌশলেৰে পাশা ঘূৰাই দিলে। এই বেলিও শকুনিৰে জয় হ'ল।

যুধিষ্ঠিৰে কলে "এহেজাৰ ৰথ, সৰ্ব্বালঙ্কাৰে ভূষিতা এশ হাজাৰ তৰুণী দাসী, এহেজাৰ যুৱক দাস, এহেজাৰ দঁতাল হাতী, এই সকলোবোৰ মই পণ ৰাখিলোঁ। "এই সকলোবোৰ ময়ে জিতিলোঁ" বুলি শকুনিয়ে পাশা ঘূৰালে। শকুনিৰে জয় হ'ল।

যুধিষ্ঠিৰে কলে "গন্ধৰ্ব্বৰাজ চিত্ৰৰথে অৰ্জুনক উপহাৰ দিয়া এশ ঘোৰা, মোৰ এক অযুত বাহন আৰু তামৰ কলহত থকা সকলো ধন-সোণ মণি-মুক্তা মই পণ ৰাখিলো।"

"মোৰেই জয় হ'ল" বুলি শকুনিয়ে পাশা ঘূৰালে; শকুনিৰে জয় হ'ল।

বিদুৰে চিঞৰি উঠিল। তেওঁ ধৃতৰাষ্ট্ৰক কলে "হে মহাৰাজ। যেনেকৈ মুমূৰ্ষু ব্যক্তিয়ে মৰণ কালত দৰৱ খাবলৈ অনিচ্ছা কৰে, আপুনিও তেনেকৈ মোৰ হিতবাক্য শুনি কাণত আঙুলি দিছে। তথাপি মই কওঁ শুনক। দুৰ্য্যোধনে ভূমিষ্ঠ হোৱাৰ লগে লগে গাধৰ নিচিনাকৈ বিকট ৰাও কৰি উঠিছিল; সেই মূৰ্খ দুৰ্য্যোধনক লৈ আপুনি বাস কৰিছে; আপোনাৰ পতন অৱশ্যম্ভাৱী। শাস্ত্ৰত কৈছে, কুল ৰক্ষাৰ্থে প্ৰয়োজন হলে আপোনজনকো পৰিত্যাগ কৰিব লাগে। আপুনি এতিয়া দুৰ্য্যোধনক ত্যাগ কৰক। যদি নকৰে, পাণ্ডৱ সকলৰ হাতত আপুনি সবংশে নিৰ্ম্মূল হব।"

এই কথা শুনি দুৰ্য্যোধনে খঙতে গৰ্জন কৰি উঠিল। তেওঁ কলে "হে বিদুৰ! ধৃতৰাষ্ট্ৰৰ পুত্ৰসকলক নিন্দা কৰা আৰু তেওঁলোকৰ শত্ৰুপক্ষৰ গুণকীৰ্ত্তন কৰাই তোমাৰ ধৰ্ম্ম। তুমি আমাৰ আশ্ৰিত হৈয়ো সততে আমাৰ বিৰুদ্ধাচৰণ কৰি আছাঁ। আমাৰ হিতাহিতৰ কথা মই তোমাক নোসোধোঁ। অহিতকাঙ্ক্ষী

আৰু শত্ৰুপক্ষৰ মানুহক কোনো মানুহে নিজৰ ঘৰত নাৰাখে। এতেকে তুমি যলৈকে হয় যাব পাৰা”।

বিদুৰে দুৰ্য্যোধনক কলে “হে ৰাজন্! এই ভুমণ্ডলত প্ৰিয়ভাষী পাপাত্মা বহু আছে। যি ধৰ্ম্মভীৰু পুৰুষে অপ্ৰিয় হলেও হিতকৰ বাক্য প্ৰয়োগ কৰে, তেৱেঁহে আচল বিপদৰ বন্ধু। যি মানুহে বিনা কাৰণত বন্ধুক ত্যাগ কৰিব পাৰে, তাৰ বন্ধুত্বও ক্ষণস্থায়ী। মই তোমাক নমস্কাৰ কৰি কৈছোঁ—তুমি সাধু সমা-জৰ অশ্ৰাব্য সকলো বুদ্ধিপৰামৰ্শ শিৰত লৈ নিজৰ অভিলাষ পূৰ্ণ কৰাঁ”।

শকুনিয়ে যুধিষ্ঠিৰক কলে “হে যুধিষ্ঠিৰ! পাশা খেলত তুমি পাণ্ডৱ সকলৰ বহু ধনৰত্ন নষ্ট কৰিলাঁ; আৰু যদি কিবা থাকে তেন্তে পণ ৰাখা”।

যুধিষ্ঠিৰে কলে “হে শকুনি! তুমি মোক উপহাস কৰিব নালাগে; মোৰ এতিয়াও বহুধন বাকী আছে”। এইবুলি কৈ যুধিষ্ঠিৰে ৰাজভাণ্ডাৰত থকা অৱশিষ্ট ধনৰত্নবোৰ পণ ৰাখিলে। এইবাৰও শকুনিৰ জয় হ’ল।

শেষত যুধিষ্ঠিৰে, প্ৰথমতে নকুলক, পাচত সহদেৱক, তাৰ পাচত অৰ্জ্জুনক আৰু ভীমক পণ ৰাখি এটা এটাকৈ প্ৰত্যেকটো পণতে হাৰিল। পিচত তেওঁ নিজকে পণ ৰাখিলে; তাতো শকু-নিৰ জয় হ’ল।

তেতিয়া যুধিষ্ঠিৰে দ্ৰৌপদিক পণ ৰাখিলে। এই পণৰ কথা শুনি সভাত এটা কলৰৱ উঠিল। সকলোৱে যুধিষ্ঠিৰক ধিক্কাৰ দিব ধৰিলে। শকুনিয়ে মহা আনন্দেৰে ‘দ্ৰৌপদীক জয় কৰিলোঁ’ বুলি পাশা ঘুৰালে; শকুনিৰে জয় হ’ব! কৰ্ণ, দুঃশাসন দুৰ্য্যোধন সকলোৱে আনন্দত উত্ৰাৱল হৈ নাচিব ধৰিলে। ধৃতৰাষ্ট্ৰই বাৰে বাৰে আমাৰেই জয় হ’লনে বুলি শুধিব ধৰিলে আৰু আনন্দত আত্মহাৰা হ’ল !!

দুৰ্য্যোধনে বিদুৰক কলে "খুড়া। তুমি এতিয়াই পাণ্ডৱ সকলৰ প্ৰিয়-ভাৰ্য্যা, অপুন্যশীলা দ্ৰৌপদীক ইয়ালৈ লৈ আহাঁগৈ। দ্ৰৌপদী এতিয়া আমাৰ দাসী আৰু আমাৰ দাসীবোৰৰ লগত আহি কাম কৰক।

বিদুৰে কলে 'হে মুৰ্খ দুৰ্য্যোধন! তুমি নিজৰ বিপদৰ কথা নাজানি এনে দুৰ্বাক্য উচ্চাৰণ কৰিলা। তুমি হৰিণ হৈ বাঘৰ

লগত যুঁজিব ওলাইছা। কালভূজঙ্গ তোমাৰ শিৰৰ ওপৰত বহি আছে আৰু তুমি যি কোনো মুহূৰ্ত্ততে যমৰ ঘৰলৈ যাব লাগিব। দ্ৰৌপদী তোমাৰ দাসী নহয় আৰু দ্ৰৌপদীক পণ ৰাখিবলৈ যুধিষ্ঠিৰৰ কোনো অধিকাৰ নাছিল। মদমত্ত ধৃতৰাষ্ট্ৰ তনয়বোৰে সমূলি নিৰ্ম্মূল হৈ যাবৰ কাৰণে এই সৰ্ব্বনাশী জুৱাখেলা আৰম্ভ কৰিছিল। ধৃতৰাষ্ট্ৰৰ পুতেকবোৰ ঘোৰ নৰকৰ দুৱাৰত উপস্থিত হৈছে; সেই কথা সিহঁতে বুজা নাই'।

দুৰ্য্যোধনে বিদুৰৰ কথাত বিদ্ৰূপৰ হাহি মাৰি সাৰথিক কলে "সাৰথি! বিদুৰে আমাৰ অহিত চিন্তা কৰে বুলিয়ে এনে কথা কৈছে। তুমি গৈ দ্ৰৌপদীক ইয়ালৈ লৈ আহাগৈ; তোমাৰ ভয়ৰ কোনো কাৰণ নাই"।

কুকুৰে যেনেকৈ সিংহৰ গাঁতলৈ এখোজ দুখোজকৈ আগবাঢ়ি যায়, সাৰথিয়ে তেনেকৈ পাণ্ডৱপুৰীত প্ৰবেশ কৰি দ্ৰৌপদীক কলে 'হে দ্ৰুপদনন্দিনি! যুধিষ্ঠিৰে পাশা খেলত আসক্ত হৈ তোমাক পণ ৰাখি হাৰিল; দুৰ্য্যোধনে তোমাক জয় কৰিছে। সেই কাৰণে মই তোমাক নিব আহিছোঁ; তুমি ধৃতৰাষ্ট্ৰ ভৱনলৈ গৈ কৰ্ম্মচাৰিণীৰ কাম কৰিব লাগিব"।

দ্ৰৌপদীয়ে কলে 'হে সাৰথি! তুমি প্ৰলাপ বকিছা কোনো ৰাজপুত্ৰই ধৰ্ম্ম পত্নীক পণ ৰাখি পাশা খেলত নবহে'।

সাৰথিয়ে কলে 'যাজ্ঞসেনি! যুধিষ্ঠিৰে সকলো ধন-ৰত্ন পণত হেৰুৱাই প্ৰথমতে চাৰিভায়েকক, তাৰ পাচত নিজক আৰু তাৰ পাচত তোমাক পাশাৰ পণ ৰাখি পৰাজিত হয়'।

দ্ৰৌপদীয়ে কলে "সাৰথি! তুমি গৈ ধৰ্ম্মৰাজ যুধিষ্ঠিৰক শুধি আহাঁগৈ, তেওঁ আগেয়ে নিজক পণ ৰাখিছিল নে মোক আগেয়ে পণ ৰাখিছিল। ধৰ্ম্মৰাজ কেনেকৈ পৰাজিত হ'ল, এই কথা জানিলেহে মই সভালৈ যাম"।

সাৰথিয়ে আহি যুধিষ্ঠিৰক কলে 'হে ধৰ্ম্মৰাজ । দ্ৰৌপদীয়ে আপোনাক সুধিছে— আপুনি কাৰ অধীশ্বৰ হৈ দ্ৰৌপদীক পণ ৰাখিছিল" ।

এই কথাত যুধিষ্ঠিৰ নীৰৱে থাকিল । দুৰ্য্যোধনে কলে "সাৰথি । তুমি গৈ পাঞ্চালীক কোৱাগৈ, দ্ৰৌপদীয়ে সভালৈ আহি যুধিষ্ঠিৰক এই প্ৰশ্ন কৰক আৰু যুধিষ্ঠিৰে সভাসদ্ সকলৰ মাজত সেই প্ৰশ্নৰ উত্তৰ দিব" ।

সাৰথি উভতি গৈ দ্ৰৌপদীক কলে 'হে দ্ৰুপদনন্দিনি । সভাসদ্ সকলে তোমাক সভালৈ আহ্বান কৰিছে । উন্মত্ত দুৰ্য্যো-ধনে তোমাক তালৈ লৈ যাবলৈ মোক আদেশ দিছে; এইবেলি বোধহয় কুৰুকুল সমূলে ধ্বংস হব' ।

দ্ৰৌপদীয়ে কলে 'হে সাৰথি । বিধাতাৰ এয়ে বিধান । এই ধৰাতলত ধৰ্ম্মই সকলোতকৈ শ্ৰেষ্ঠ । আমি সেই ধৰ্ম্মক ৰক্ষা কৰিম আৰু ধৰ্ম্মই অৱশ্যে আমাক চাব । তুমি সভাসদ সকলক সুধি আহাগৈ —ধৰ্ম্মতঃ মোৰ এতিয়া কি কৰ্ত্তব্য । তেওঁলোকে যি ভাল বুলি ভাবে মই তাকে কৰিম" ।

সাৰথি সভালৈ গৈ দ্ৰৌপদীৰ সকলো কথা নিবেদন কৰিলে সভাৰ সকলোৱে নীৰৱ হৈ থাকিল । তেতিয়া ধৰ্ম্মৰাজ যুধিষ্ঠিৰে কলে "একবস্ত্ৰা স্ত্ৰী-আচাৰ পালিতা দ্ৰৌপদীযে শহুৰেক সকলৰ আগত উপস্থিত হওক" ।

দুৰ্য্যোধনে সাৰথিক দ্ৰৌপদীৰ ওচৰলৈ গৈ তেওঁক লৈ আহি-বলৈ আকৌ আদেশ দিলে । সাৰথিয়ে মনে মনে দ্ৰৌপদীৰ ভয়ত কোচ খাই কৈ উঠিল—"মই দ্ৰৌপদীৰ প্ৰশ্নৰ কি উত্তৰ দিম" ?

দুৰ্য্যোধনৰ খং উঠিল । তেওঁ দুঃশাসনক কলে—"দুঃশাসন । বৃকোদৰৰ ভয়ত সাৰথি বিমূঢ় হৈছে; তুমি নিজে গৈ দ্ৰৌপদীক লৈ আহাঁ" ।

দুঃশাসনে চকু ৰঙাকৈ পাণ্ডৱপুৰীত প্ৰবেশ কৰি

দ্ৰৌপদীক কলে—'হে পাঞ্চালি। পাশাখেলত আমি তোমাক জয় কৰিছোঁ। তুমি মোৰ লগতে আহি কৌৰৱসকলৰ ভজনা কৰাঁ" ।

দুঃশাসনৰ কথা শুনি দ্ৰৌপদীয়ে ভয় পাই গান্ধাৰীৰ আশ্ৰয় বিচাৰি ধৃতৰাষ্ট্ৰ ভৱনলৈ লৰ মাৰিলে। তেতিয়া দুঃশাসনে দৌৰি গৈ দ্ৰৌপদীক চুলিত ধৰি টানি আনিলে।

দ্ৰৌপদীয়ে কলে—"দুঃশাসন। মই স্ত্ৰীধৰ্ম্মপালিতা, অশুচি আৰু একবস্ত্ৰা হৈ আছোঁ; তুমি মোক এৰি দিয়া" ।

দুঃশাসনে কলে—"দ্ৰৌপদী! তুমি অশুচিয়ে হোৱা, এক-বস্ত্ৰা হোৱা বা বিবস্ত্ৰাই হোৱা, তুমি এতিয়া আমাৰ দাসী হৈছা; আমাৰ দাসীবোৰৰ লগত বাস কৰিব লাগিব" ।

এই কথা কৈ দুঃশাসনে দ্ৰৌপদীক আৰু জোৰেৰে চুলিত ধৰি টানি লৈ গ'ল। দ্ৰৌপদীয়ে "হে কৃষ্ণ", "হে অৰ্জ্জুন", "হে হৰি" বুলি কান্দি কান্দি যাব ধৰিলে। এবেলি খঙত অধীৰ হৈ তেওঁ কলে—"হেৰ দুৰাত্মা! এই সভাত শাস্ত্ৰজ্ঞ আৰু ইন্দ্ৰতুল্য মোৰ গুৰুজনসকল বহি আছে। তই মোক এনেকৈ টানি বিবস্ত্ৰা নকৰিবি। যদি ইন্দ্ৰাদি দেৱগণও তোৰ সহায় হয়, তথাপি তই পাণ্ডৱৰ হাতৰ পৰা পৰিত্ৰাণ নাপাবি। মই অশুচি আৰু একবস্ত্ৰ পৰিহিতা। কুৰুবংশৰ বীৰসকলৰ চকুৰ আগতে তই মোক টানিছ; অথচ এই মহাবীৰসকলে তোৰ নিন্দা কৰা নাই—এনে বোধ হৈছে -তেওঁলোকে তোৰ দুষ্কৰ্ম্মত সন্মতি প্ৰকাশ কৰিছে! তেওঁলোকৰ চৰিত্ৰ তেনেই নষ্ট হ'ল। ভীষ্ম, দ্ৰোণ আৰু মহাত্মা বিদুৰৰ আজি কোনো অস্তিত্ব নাই!! এই কথা কৈ দ্ৰৌপদীয়ে বাৰে বাৰে স্বামীসকলক ক্ৰোধদীপ্ত নয়নে চাই তেওঁলোকক উত্তেজিত কৰিবলৈ চেষ্টা কৰিলে। এনেতে দুঃশাসনে 'দাসী" 'দাসী' বুলি হাঁহি হাঁহি দ্ৰৌপদীক আৰু বেচিকৈ টানিব ধৰিলে। শকুনিয়ে দুঃশাসনক উদগনি দিলে আৰু কৰ্ণই প্ৰশংসা কৰিব ধৰিলে।

তেতিয়া ভীষ্মই দ্ৰৌপদীক কলে—"হে দ্ৰৌপদি! নিজে লোকৰ অধীন হৈ লোকৰ ধনেৰে পণ ৰাখিব নোৱাৰে; কিন্তু স্ত্ৰী স্বামীৰ অধীন। এই দুয়োটা কঠিন সমস্যাৰ সমাধান কৰিবলৈ মই টান পাইছোঁ। ধৰ্ম্মৰাজ যুধিষ্ঠিৰে সমগ্ৰ পৃথিৱী ত্যাগ কৰিব পাৰে, কিন্তু ধৰ্ম্মপথৰ পৰা তেওঁ এখোজও বিচলিত নহয়। তেওঁ নিজে তোমাৰ দুৰ্গতি দেখিও মনে মনে আছে; সেই কাৰণে মই তোমাৰ কথাৰ উত্তৰ দিবলৈ টান পাইছোঁ"।

দ্ৰৌপদীয়ে কান্দিছে; দুঃশাসনৰ টানত তেওঁৰ গাৰপৰা ঠায়ে ঠায়ে কাপোৰ পিচলি গৈছে। তাকে দেখি খঙত কঁপি কঁপি ভীমে কলে—"হে যুধিষ্ঠিৰ! সমগ্ৰ পৃথিৱী জয় কৰি পোৱা ধনৰ ভাণ্ডাৰ, দাস, দাসী, ৰথ, ৰথী, হাতী, ঘোঁৰা সকলো তুমি পাশাখেলত নষ্ট কৰিলা; আনকি আমি নিজেও তোমাৰ পাশাখেলৰ পণ হৈ বিজেতাৰ হস্তগত হলোঁ। তুমি আমাৰ গৰাকী বুলি তোমাৰ সকলো ব্যৱহাৰ আমি মানি লৈছিলোঁ। কিন্তু পাণ্ডৱৰ প্ৰণয়িনী ভাৰ্য্যা দ্ৰৌপদীক কৌৰৱগণে যেনেকৈ ক্লেশ দিব ধৰিছে তাক মই সহি থাকিব পৰা নাই। হে যুধিষ্ঠিৰ! মই আজি তোমাৰ দুয়োখন হাত পুৰি ভস্ম কৰি দিম! হে সহদেৱ! তুমি এতিয়াই জুই জ্বলোৱা"।

অৰ্জ্জুনে কলে—"হে বৃকোদৰ! তুমি আগেয়ে জ্যেষ্ঠৰ প্ৰতি এনে দুৰ্ব্বাক্য কেতিয়াও প্ৰয়োগ কৰা নাই। এই কথা এতিয়া স্পষ্ট হৈছে যে শত্ৰুৱে তোমাৰ ধৰ্ম্ম-গৌৰৱ নষ্ট কৰিছে। হে ভীম! শত্ৰুৰ মনৰ বাসনা পূৰ্ণ নকৰিবা। ধাৰ্ম্মিক জ্যেষ্ঠ-ভ্ৰাতাক অপমান নকৰিবা। ক্ষত্ৰিয় ধৰ্ম্মানুসাৰে শত্ৰুৰ দ্বাৰা আহূত হৈ মহাৰাজ যুধিষ্ঠিৰে পাশাখেলত বহিছিল; ইয়াত আমাৰ যশ বৰং বাঢ়িছেহে"।

ভীমে কলে—"হে ধনঞ্জয়! ধৰ্ম্মাত্মা যুধিষ্ঠিৰে ক্ষত্ৰিয়ধৰ্ম্ম আচৰণ কৰিছে বুলিহে তেওঁৰ হাতদুখন এতিয়াও মই পুৰি পেলোৱা নাই"।

তেতিয়া দুৰ্য্যোধনৰ ভায়েক বিকৰ্ণই কলে—"হে সভাসদ্‌-সকল ! যাজ্ঞসেনীয়ে যি প্ৰশ্ন কৰিছে তাৰ যথোচিত উত্তৰ নিদিলে আপোনালোক নৰকগামী হব। কুৰুবৃদ্ধ ভীষ্ম, মহাৰাজ ধৃতৰাষ্ট্ৰ আৰু মহামতি বিদুৰে এই বিষয়ে মনে মনে থকা উচিত হোৱা নাই। আচাৰ্য্য দ্ৰোণ আৰু কৃপই বা কিয় একো৹ কথা নকয়" ?

এই কথা শুনিও সভাসদ্‌সকলে যেতিয়া নিমাতে ৰ'ল তেতিয়া বিকৰ্ণই কলে—"আপোনালোকে যদি একোকে নকয় তেন্তে মোৰ কথা শুনক। ক্ষত্ৰিয় ধৰ্ম্মানুসাৰে যুধিষ্ঠিৰে পাশাখেললৈ আহূত হৈ সৰ্ব্বস্ব হেৰুৱাই আৰু শেষত নিজকে পণ ৰাখি পৰাজিত হয়। এই কাৰণে দ্ৰৌৰদীক পণ ৰাখিবলৈ যুধিষ্ঠিৰৰ কোনো অধিকাৰ নাছিল; এতেকে দ্ৰৌপদী দুৰ্য্যোধনৰ জয়লব্ধ হব নোৱাৰে"।

এই কথাৰ পাছতো সভাত কাৰো পৰা কোনো মাত নোলাল। তেতিয়া কৰ্ণই বিকৰ্ণৰ হাতত ধৰি খঙেৰে কলে "হে বিকৰ্ণ। উপস্থিত সভাসদ্‌সকলে পাঞ্চালীক ধৰ্ম্মতঃ পাশা-খেলৰ পণত জয় কৰা বুলিহে মুখেৰে একো কোৱা নাই। তুমি ল'ৰা মানুহ; ধৰ্ম্মৰ সূক্ষ্মতত্ত্ব ভালকৈ বুজি পোৱা নাই। এক-বস্ত্ৰা দ্ৰৌপদীক সভাৰ মাজলৈ টানি অনা কাৰণে একো অন্যায় বা অধৰ্ম্ম হোৱা নাই। এজনী স্ত্ৰীৰ কাৰণে বিধাতাই এজন ভৰ্ত্তাৰ বিধান দিছে। কিন্তু দ্ৰৌপদীয়ে বহুভৰ্ত্তা গ্ৰহণ কৰি বিধাতাৰ সেই বিধান অতিক্ৰম কৰিছে"। দুঃশাসনলৈ চাই কৰ্ণই কলে "হে দুঃশাসন ! তুমিয়ে পাণ্ডৱবোৰৰ আৰু দ্ৰৌপদীৰ গাৰপৰা সকলো বস্ত্ৰ গ্ৰহণ কৰা"।

এই কথা শুনি পাণ্ডৱসকলে নিজৰ নিজৰ চাদৰ আদি সকলো বস্ত্ৰ খুলি দিলে। তেতিয়া দুঃশাসনে বলেৰে দ্ৰৌপদীৰ কাপোৰ টানি আনিবলৈ আগবাঢ়ি গ'ল।

দ্ৰৌপদীয়ে ভালকৈ বুজি পালে যে তেওঁৰ এতিয়া অইন একো উপায় নাই। তেতিয়া তেওঁ কৃষ্ণক স্তুতি কৰিবলৈ আৰম্ভ কৰিলে। তেওঁ কলে—"হে দ্বাৰকাবাসী কৃষ্ণ, হে গোবিন্দ, হে গোপীবল্লভ; মই কৌৰৱৰ হাতত লাঞ্ছিত আৰু অপমানিত হব ধৰিছোঁ, তুমি কি একোকে দেখা নাই? হে জনাৰ্দ্দন, হে কেশৱ, হে মহাযোগী, হে বিশ্বাত্মন, মই কৌৰৱ সাগৰত নিমগ্না হৈছোঁ; তুমি মোক উদ্ধাৰ কৰাঁ"।

ভগৱান বিষ্ণুৱে যাজ্ঞসেনীৰ কৰুণ বিননি শুনি শয্যাত্যাগ কৰি ল'ৰি আহিল। ধৰ্ম্মই দ্ৰৌপদীক বিবিধ ৰঙৰ বিচিত্ৰ বস্ত্ৰ পিন্ধাই দিলে। দুৰাত্মা দুঃশাসনে দ্ৰৌপদীৰ গাৰপৰা যিমানেই কাপোৰ টানি নিয়ে, সিমানেই দ্ৰৌপদীৰ গাত নতুন নতুন কাপোৰৰ আবিৰ্ভাৱ হয়। ধৰ্ম্মৰ কি বিচিত্ৰ মহিমা! দুঃশাসনে দ্ৰৌপদীৰ গাৰপৰা কাপোৰ টানি নি পৰ্ব্বত সমান কৰিলে; কিন্তু দ্ৰৌপদীৰ পৰিধানৰ একো ত্ৰুটি নহ'ল। দুঃশাসনে ভাগৰি গৈ কাপোৰ টানিবলৈ এৰি দিলে।

খঙত ভীমৰ হাতদুখন কঁপিব ধৰিলে। হাতত হাত ঘঁহি বজ্ৰগম্ভীৰ স্বৰেৰে কবলৈ ধৰিলে "হে ক্ষত্ৰিয় বীৰসকল। মোৰ কথা শুনক! এনে কথা আগেয়ে কেতিয়াও কোনোৱে কোৱা নাই; ভবিষ্যতেও এনে কথা কোনোৱে নকব। যুদ্ধত পাপাত্মা দুঃশাসনৰ বক্ষ বিদীৰ্ণ কৰি তাৰ ৰক্ত মই পান কৰিম, এয়ে মোৰ প্ৰতিজ্ঞা; যদি নোৱাৰোঁ তেন্তে মই নৰকগামী হম"। সভাসদসকলে দুঃশাসনৰ কুৎসা গাই ভীমক প্ৰশংসা কৰিব ধৰিলে।

বিদুৰে দুই হাত ওপৰলৈ তুলি কলে—"হে সভ্যগণ! দ্ৰুপদ নন্দিনীয়ে যি কথা সুধিছে আৰু যি কাৰণে তেওঁ ৰোদন কৰি আছে আপোনালোকে তাৰ সমুচিত বিচাৰ কৰক। আৰ্য্য সকলে সত্যৰ দ্বাৰা ধৰ্ম্ম প্ৰশ্নৰ মীমাংসা কৰে। বিচাৰ-সমাজত উপস্থিত থাকি যিজনে সত্যপ্ৰকাশ কৰিবলৈ ভয় পায় আৰু

নীৰৱে থাকে তেওঁ দোষৰ ভাগী হয়। বিকৰ্ণই তেওঁৰ নিজৰ মত প্ৰকাশ কৰিছে; আপোনালোকে বিকৰ্ণৰ নিচিনাকৈ নিজৰ নিজৰ মত প্ৰকাশ কৰক।

সভাত কাৰো মুখৰপৰা কোনো মাত নাই; সকলো নীৰৱ, সকলো নিস্তব্ধ! তেতিয়া কৰ্ণই দুঃশাসনক কলে "হে দুঃশাসন! এতিয়া দাসী দ্ৰৌপদীক গৃহকাৰ্য্যত লগোৱা গৈ।

দ্ৰৌপদীয়ে কলে—"দুষ্ট দুঃশাসন! তই ক্ষন্তেক অপেক্ষা কৰ; মই যি প্ৰশ্ন সুধিছোঁ তাৰ উত্তৰ মই এতিয়ালৈ পোৱা নাই। হে সভ্যবৃন্দ! এই দুষ্ট দুঃশাসনে এনেকৈ টনা-আজোৰা কৰা বাবে মই অতিকৈ বিহ্বলা হৈছোঁ; সেই কাৰণে কৌৰৱ সভাত কুৰুকুলৰ নানা অপ্ৰিয় কথা মই কৈছোঁ; তেনে কথা মই আগেয়ে কেতিয়াও মুখলৈ অনা নাছিলোঁ। এতিয়া মোৰ একো দোষ নাই। এবাৰলৈ মাত্ৰ মই স্বয়ম্বৰ সভাত উপস্থিত হৈছিলোঁ; ইয়াৰ পাছত আনকি বায়ু আৰু আদিত্যয়ো মোক দেখা নাছিল। আজি মই সকলোৰে সম্মুখত এই সভাত উপস্থিত হৈছোঁ। যি পাণ্ডৱসকলে এদিন মোক ঘৰৰ ভিতৰত বায়ুয়ে স্পৰ্শ কৰিলেও সহিব নোৱাৰিছিল, আজি দুৰাত্মা দুঃশাসনে এনেকৈ মোক চুলিত ধৰি টানি অনা দেখা পায়ো সেই মহাবীৰ পাণ্ডৱসকলে অকাতৰে সহ্য কৰি আছে। কৌৰৱসকলে নিজৰ ঘৰৰ বোৱাৰীৰ এনে নিৰ্য্যাতন চকুৰে দেখিও অকণো লাজ পোৱা নাই। শুনিছিলোঁ, ধৰ্ম্ম-পৰায়ণা স্ত্ৰীলোকক সভালৈ অনা বিধেয় নহয়। হে সদস্যসকল! ধৃষ্টদ্যুম্নৰ প্ৰিয়ভগ্নি, পাণ্ডৱৰ প্ৰিয় মহিষী আৰু বাসুদেৱ শ্ৰীকৃষ্ণৰ প্ৰিয় সখী দ্ৰৌপদীক সভাৰ মাজলৈ টানি আনি কৌৰৱসকলে শাশ্বত কুলধৰ্ম্ম নষ্ট কৰিলে। হে ৰাজেন্দ্ৰমণ্ডলী! দুৰাত্মা দুঃশাসনৰ এই দৌৰাত্ম্য মোৰ অসহনীয় হৈ উঠিছে। মই জিতা নে অজিতা, মোক এই প্ৰশ্নৰ সমিধান দিয়ক"।

ভীষ্মই কলে—“হে কল্যাণি! ধৰ্ম্মৰ গতি অতি সূক্ষ্ম। বিজ্ঞ ব্যক্তিৰ পক্ষেও কেতিয়াবা সেই পথ নিৰূপণ কৰা কঠিন হৈ পৰে। সেই কাৰণে তোমাৰ প্ৰশ্নৰ সঠিক উত্তৰ দিবলৈ মই টান পাইছোঁ। কিন্তু লোভ আৰু মোহৰ বশীভূত হৈ কৌৰৱসকলেও যিবোৰ আচৰণ কৰিব ধৰিছে, তালৈ চাই অচিৰতে কুৰুকুল ধ্বংস হৈ যাব বুলি মোৰ সন্দেহ হৈছে। এই সভাত আচাৰ্য্য দ্ৰোণকে আদি কৰি ধৰ্ম্মবিদসকলে মৃতপ্ৰায় হৈ বহি আছে; এনে অৱস্থাত ধৰ্ম্মৰাজ যুধিষ্ঠিৰে তোমাৰ প্ৰশ্নৰ মীমাংসা কৰি দিয়ক”।

দুৰ্য্যোধনে কলে—“পাঞ্চালি”। তুমি ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱক সোধা, তেওঁলোকৰ ওপৰত যুধিষ্ঠিৰৰ প্ৰভুত্ব আছে নে নাই আৰু তেওঁলোক পৰাজিত হয নে নহয়”।

ভীমে গৰ্জন কৰি উঠিল “উদাৰ স্বভাৱ ধৰ্ম্মৰাজ যুধিষ্ঠিৰ আমাৰ পুণ্য আৰু তপস্যাৰ প্ৰভু, তেওঁ আমাৰ জীৱনবো অধীশ্বৰ। যদি তেওঁ নিজকে পৰাজিত বুলি ভাৱে তেন্তে আমিও পৰাজিত। হে দুৰ্য্যোধন! মোৰ যদি নিজৰ প্ৰভুত্ব থাকিল হৈ, তেন্তে কি দুৰাত্মা দুঃশাসনে দ্ৰৌপদীৰ চুলিত ধৰি জীবিত থাকিব পাৰে? কি কৰিম? ধৰ্ম্মপাশত বদ্ধ হৈ আছোঁ; নহলে পৃথিবীয়ে আজি মোৰ বাহুবলৰ প্ৰত্যক্ষ প্ৰমাণ পালে হৈ। আজি ধৰ্ম্মৰাজৰ সামান্য ইঙ্গিত পালে, সিংহই যেনেকৈ পশুবোৰক সংহাৰ কৰে, মযো তেনেকৈ মুহূৰ্ত্তে পাপাত্মা ধৃত-ৰাষ্ট্ৰৰ বংশ লোপ কৰি দিলোঁ হৈ”।

ভীষ্ম, দ্ৰোণ আৰু বিদুৰে কলে—“ভীম! শান্ত হোৱা, তোমাৰ অসাধ্য একো নাই; এই কথা আমি ভালকৈয়ে জানোঁ”।

কৰ্ণই কলে—“হে দ্ৰৌপদী! এই সভাত ভীষ্ম, দ্ৰোণ আৰু বিদুৰক যে দেখিছা, এওঁলোকে বিজনৰ আশ্ৰয় লৈ আছে, সেইজনকে দুষ্ট বুলি ভাবে; এওঁলোকৰ কথা স্বকীয়া। তুমি

এতিয়া দাসৰ পত্নী ; সেই কাৰণে তোমাৰ একো স্বতন্ত্ৰতা নাই। তুমি প্ৰভুৰ অধীন, এতেকে তুমি ৰাজভৱনলৈ গৈ ৰাজ পৰিবাৰৰ সেৱা কৰাগৈ। ধৃতৰাষ্ট্ৰৰ পুত্ৰসকলহে তোমাৰ প্ৰভু ; পাণ্ডুৰ পুত্ৰসকল তোমাৰ প্ৰভুও নহয়, পতিও নহয়। পাশাখেলত তোমাক পণ ৰাখিবলৈ কুণ্ঠা বোধ কৰে এনে এজনক তুমি পতিত্বত বৰণ কৰি লোৱা” ।

ভীমে কৰ্ণৰ কথা শুনি যুধিষ্ঠিৰক কলে “হে ৰাজন্ ! সূতপুত্ৰৰ কথা শুনি মই খং কৰা নাই ; আমি যথাৰ্থতে দাস-ভাবাপন্ন হৈছোঁ। আপুনি চিন্তা কৰি চাওক ; পাঞ্চালিক পণ নাৰাখিলে শত্ৰুবোৰে আজি এনেকৈ উপহাস কৰিব নোৱাৰিলে হয়” ।

এনেতে দুৰ্য্যোধনে আহি অধোমুখে বহি থকা যুধিষ্ঠিৰক কলে—“হে ৰাজন্ ! ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱ তোমাৰ বশীভূত; এতিয়া কোৱা দ্ৰৌপদী পৰাজিতা হয় নে নহয়” । এইবুলিকৈ মদমত্ত দুৰ্য্যোধনে দ্ৰৌপদীৰ দৃষ্টি আকৰ্ষণ কৰি নিজৰ কাপোৰখন উৰুলৈকে তুলি ধৰিলে আৰু খিল্‌খিল্‌কৈ হাঁহি উঠিল। কৰ্ণয়ো সেই হাঁহিত যোগ দিলে। ভীম খঙতে অধীৰ হ’ল। চকু ৰঙা কৰি সভাৰফালে চাই তেওঁ কলে—“হে নৃপতিমণ্ডলী ! মই আজি এই সভাত প্ৰতিজ্ঞা কৰিলো, গদা যুদ্ধত যদি মই দুৰ্যোধনৰ উৰু ভঙ্গ কৰিব নোৱাৰোঁ। তেন্তে অন্তিম কালত পিতৃপুৰুষ সকলৰ লগত মোৰ স্থান নহব” । কথা কওঁতে কওঁতে খঙত ভীমে এনে ৰূপ ললে যেন তেওঁৰ গাৰপৰা জুইহে ওলাইছে।

এনেতে ৰাজভৱনৰ দেৱমন্দিৰত শিয়ালৰ ‘হোৱা’ আৰু গাধৰ ডেডাউৰিৰ শব্দ হল। পশুপক্ষীবোৰে কোৰ্হাল কৰি ভয়ত চাৰিওফালে দৌৰিব ধৰিলে। ভীষ্ম, দ্ৰোণ আৰু কৃপাচাৰ্য্যই “ৰক্ষা কৰা, ৰক্ষা কৰা” বুলি ভগৱানক মিনতি জনালে। বিদুৰ

আৰু গান্ধাৰীয়ে আহি এনে দুৰ্যোগ আৰু উৎপাতৰ কথা কৈ ধৃতৰাষ্ট্ৰৰ ওচৰত গোচৰ দিলে।

তেতিয়া ধৃতৰাষ্ট্ৰই দুৰ্যোধনক তিৰস্কাৰ কৰি কলে—"হেৰ দুৰ্ব্বিনিত দুৰ্যোধন! তোৰ একেবাৰে অধঃপতন হ'ল। কুৰু-কুলৰ বোৱাৰী আৰু পাণ্ডৱৰ ধৰ্ম্ম-পত্নীক তই সভালৈ আনি কুৎসিত ইঙ্গিতেৰে সম্ভাষণ কৰিছ"। এইবুলি ধৃতৰাষ্ট্ৰই দ্ৰৌপ-দীক কলে—"হে দ্ৰুপদনন্দিনি! তুমি মোৰ জ্যেষ্ঠা বোৱাৰী, তুমি মোৰ ওচৰত বৰ প্ৰাৰ্থনা কৰা; মই তোমাক অভিলষিত বৰ প্ৰদান কৰিম"।

দ্ৰৌপদীয়ে কলে—"হে ভৰতকুল প্ৰদীপ! যদি আপুনি মোৰ প্ৰতি প্ৰসন্ন হৈছে তেন্তে সৰ্ব্বধৰ্ম্মঅলঙ্কৃত শ্ৰীমান যুধি-ষ্ঠিৰক দাসত্বৰ পৰা মুক্তি দিয়ক"।

ধৃতৰাষ্ট্ৰই কলে—"কল্যাণি! মই তোমাক এই বৰ প্ৰদান কৰিলোঁ, যুধিষ্ঠিৰ মুক্ত হ'ল; এতিয়া দ্বিতীয় বৰ লোৱা"।

দ্ৰোপদীয়ে কলে "হে মহাৰাজ! ৰথ আৰু অস্ত্ৰেৰে সৈতে ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱৰ দাসত্ব মোচন কৰি দিয়ক"।

ধৃতৰাষ্ট্ৰই কলে—"হে দ্ৰুপদনন্দিনি! মই তোমাক দ্বিতীয় বৰ প্ৰদান কৰিলোঁ; এতিয়া তৃতীয় বৰ লোৱাঁ। তুমি ধাৰ্ম্মিকা আৰু মোৰ শ্ৰেষ্ঠা বোৱাৰী; তোমাৰ কাৰণে দুইবৰেই যথেষ্ট নহয়"।

দ্ৰৌপদীয়ে কলে—"হে মহাৰাজ! লোভে ধৰ্ম্মনাশৰ হেতু। মই তৃতীয় বৰ লবলৈ যোগ্যা নহওঁ; কিয়নো, বৈশ্যই এক বৰ, ক্ষত্ৰিয়পত্নীয়ে দুইবৰ, ৰজাই তিনিবৰ আৰু ব্ৰাহ্মণে এশলৈকে বৰ লব পাৰে। আপোনাৰ পৰা দুটা বৰ লাভ কৰিয়ে মোৰ মনৰ বাসনা পূৰ্ণ হৈছে"।

ভীমে যুধিষ্ঠিৰক কলে—"হে ৰাজেন্দ্ৰ! বাক্‌বিতণ্ডাৰ একো প্ৰয়োজন নাই। আমাৰ বিৰোধ শত্ৰু আজি এই সভাত সমবেত হৈছে, সিহঁতক এই ঠাইতে সমূলি নিৰ্ম্মূল কৰি দিওঁ; আপুনি

নিষ্কণ্টক হৈ পৃথিৱী ভোগ কৰক”। ভীমে এই কথাকৈ বাৰে বাৰে ওপৰৰ ফালে চাব ধৰিলে। খঙত তেওঁৰ শৰীৰ কঁপিব ধৰিলে আৰু দেখিবলৈ সাক্ষাৎ যমৰ নিচিনা হ'ল।

যুধিষ্ঠিৰে ভীমৰ হাতত ধৰি “ভীম, শান্ত হোৱা” বুলি কৈ হাতযোৰ কৰি ধৃতৰাষ্ট্ৰক কলে “হে মহাৰাজ। আমি এতিয়া কি কৰিব লাগে আদেশ দিয়ক। আপুনিয়ে আমাৰ প্ৰভু; আমি সদায় আপোনাৰ অনুবৰ্ত্তী হৈ থাকিব খোজোঁ”।

ধৃতৰাষ্ট্ৰই কলে “হে যুধিষ্ঠিৰ। তোমাৰ কল্যাণ হওক। তোমালোকে ৰাজধানীলৈ গৈ ৰাজ্য ভোগ কৰা। মোৰ আদেশত তুমি সকলো হৃত সম্পত্তি ঘুৰাই পাইছা। হে পুত্ৰ! তুমি ধৰ্ম্মৰ সূক্ষ্মগতি চিনি পাইছা। তোমাৰ বিনীত আৰু মধুৰ ব্যৱহাৰত মই সন্তুষ্ট হৈছোঁ। হে ধৰ্ম্মাত্মন্। মই এতিয়া বুঢ়া হৈছোঁ। মোৰ উপদেশ সদায় মনত ৰাখিবলৈ চেষ্টা কৰিবা। ক্ষমাই হ'ল মানুহৰ জ্ঞান আৰু বুদ্ধিৰ বিকাশ; তুমি ক্ষমাশীল হবা। যি মানুহে আনৰ বৈৰাচৰণ নকৰে আৰু আনৰ গুণবোৰ হে দেখিবলৈ পায়, তেৱেঁহে প্ৰকৃততে উত্তম পুৰুষ”।

তেওঁ আৰু কলে “পাশাখেলত মোৰ মত নাছিল। মিত্ৰ সকলৰ পৰিচয় আৰু পুত্ৰসকলৰ শক্তি পৰীক্ষাৰ কাৰণে মই এই অনুষ্ঠানত মত দিছিলোঁ। এই পৰীক্ষাত তোমাৰ ধৰ্ম্ম, ভীমৰ পৰাক্ৰম, অৰ্জ্জুনৰ ধৈৰ্য্য, নকুলৰ শুদ্ধতা, আৰু সহদেৱৰ গুৰুভক্তিৰ নিদৰ্শন ফুটি ওলাইছে। তোমালোক সকলোৰে কল্যাণ হওক”।

যুধিষ্ঠিৰে ধৃতৰাষ্ট্ৰক প্ৰণাম জনাই দ্ৰৌপদী, ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱক লগত লৈ ইন্দ্ৰপ্ৰস্থলৈ উভতি আহিল।

# পাণ্ডৱৰ বনবাস যাত্ৰা

ধৃতৰাষ্ট্ৰই এনেকৈ পাণ্ডৱসকলক ৰাজ্য আৰু সকলো সম্পত্তি ঘূৰাই দিয়া দেখি দুৰ্য্যোধনকে আদি কৰি কৌৰৱসকল বিমৰ্ষ হ'ল। এদিনাখন দুঃশাসনে দুৰ্য্যোধনক কলে "হে মহাৰাজ! আমি ইমান কষ্ট কৰি পাশাখেলত পাণ্ডৱসকলক পৰাজিত কৰি অতুল ঐশ্বৰ্য্য জয় কৰিলোঁ; কিন্তু বৃদ্ধ ৰজাই সকলো শত্ৰুৰ হাতত অৰ্পণ কৰি পুনৰ শত্ৰুৰ শক্তি বৃদ্ধি কৰিলে। ইয়াতকৈ বেচি পৰিতাপৰ কথা আৰু কি হব পাৰে"?

এই কথা শুনি কৰ্ণ আৰু দুৰ্য্যোধনে পৰামৰ্শ কৰি শকুনিক লগত লৈ ধৃতৰাষ্ট্ৰৰ ওচৰলৈ আহিল আৰু দুৰ্য্যোধনে বিনীত হৈ কলে—"হে মহাৰাজ! দেবগুৰু বৃহস্পতিয়ে ত্ৰিদশাধিপতি ইন্দ্ৰক উপদেশ দি কৈছিল যে শত্ৰুক সংহাৰ কৰিবলৈ সকলোৰকম উপায়অবলম্বন কৰা কৰা উচিত। এই কাৰণে পাণ্ডৱ-

সকলৰ পৰা পোৱা বিপুল ঐশ্বৰ্য্য ৰজাসকলক বিলাই দি তেওঁলোকক পাণ্ডৱসকলৰ বিৰুদ্ধে নিয়োগ কৰা উচিত আছিল। দংশন কৰিবলৈ ফণা ধৰি উঠা সাপে ভিঙিত মেৰাই ধৰিলে কোনে ৰক্ষা পাব পাৰে? পাণ্ডৱবোৰে অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত হৈ আপোনাৰ বংশ নাশ কৰিবলৈ উদ্যত হৈছে। অৰ্জুনে ৰণক্ষেত্ৰলৈ গৈ গাণ্ডীৱত টঙ্কাৰ দিছে, ভীমে গদা ঘূৰাব ধৰিছে, যুধিষ্ঠিৰ, নকুল আৰু সহদেৱে খড়্গ হাতত লৈ যুদ্ধশিক্ষা কৰিছে”। “হে মহাৰাজ! এইবেলি বনবাসৰ পণ বাধি পাশা খেলিম। পাশাত হাৰিলে পাণ্ডৱবোৰে বাৰবছৰলৈ বনবাস খাটিব লাগিব আৰু এবছৰ অজ্ঞাত বাস কৰিব লাগিব। অজ্ঞাত বাসৰ সময়ত যদি তেওঁলোকক বিচাৰি পোৱা যায়, তেন্তে তেওঁলোকে আৰু বাৰ বছৰলৈ বনত বাস কৰিব লাগিব”।

এইবেলিও ধৃতৰাষ্ট্ৰই পাশাখেলত মত দিলে। ভীষ্ম দ্ৰোণ বিদুৰ আৰু অন্যান্য জ্ঞানী লোকসকলে তেওঁক সৎপৰামৰ্শ দি এই সৰ্ব্বনাশা খেলৰ বিপক্ষে বহু কথা কলে; কিন্তু তেওঁ কাৰো কথা নুশুনিলে। শেষত গান্ধাৰীয়ে আহি কলে—“মহাৰাজ! দুৰ্য্যোধনে ভূমিষ্ঠ হৈয়ে গাধৰ দৰে কৈ ডেডাইছিল আৰু চাৰিওফালে অমঙ্গলৰ সূচনা হৈছিল। তেতিয়া জ্ঞানী বিদুৰে এই সন্তান ত্যাগ কৰিবলৈ উপদেশ দিছিল। দুৰ্য্যোধন কুলান্তক। এতিয়া আপুনি এই কুলক্ষয়কাৰী সন্তানৰ কুকৰ্ম্মৰ অনুমোদন কৰি নিজে কুলক্ষয়দোষৰ ভাগী নহব। নুমাই থোৱা জুয়ো জ্বলি উঠে। শান্ত স্বভাৱৰ পাণ্ডৱসকল কুপিত হলে সকলো ধ্বংস- প্ৰাপ্ত হব। হে মহাৰাজ! আপুনি জ্ঞানী আৰু শাস্ত্ৰজ্ঞ। আপুনি মোৰ কথা শুনক আৰু দুৰ্য্যোধনক ত্যাগ কৰক। আগেয়ে বিদুৰৰ উপদেশ অৱজ্ঞা কৰি আপুনি আজি এই ভয়ানক অৱস্থাৰ সম্মুখীন হৈছে। এতিয়া মই আপোনাক কাবৌ কৰি কৈছোঁ, আপুনি দুৰ্য্যোধনক ত্যাগ কৰক”।

ধাৰ্ম্মিকা সহধৰ্ম্মিনীৰ এনে সাৰগৰ্ভ কথা শুনি ধৃতৰাষ্ট্ৰই কলে "হে গান্ধাৰি! যদি কুৰুবংশ নাশ হৈ যায় তেন্তে মই তাক নিবাৰণ কৰিব নোৱাৰোঁ। মোৰ পুত্ৰবোৰে যি অভিলাষ কৰিছে মই তাক পূৰ্ণ কৰিম। পাণ্ডৱৰ লগত পুনৰ পাশাখেলি সিহঁতে নিজৰ মনৰ বাসনা পূৰ্ণ কৰক"।

ইয়াৰ পাচত দুৰ্য্যোধনে নিজে গৈ যুধিষ্ঠিৰক পাশা খেলৰ কাৰণে আহ্বান জনালে। যুধিষ্ঠিৰে কলে "মানুহে এই পৃথিৱীত দৈৱৰ বলতে শুভাশুভ ফল ভোগ কৰে। ভাগ্যক থিয়াই মই বৃদ্ধ ৰজা ধৃতৰাষ্ট্ৰৰ আদেশ মানি লম। আহূত হৈছো যেতিয়া পাশাখেলা ধ্বংসৰ মুল বুলি জানিও মই পৰাঙ্মুখ নহওঁ।"

যথা সময়ত আকৌ পাশাখেল আৰম্ভ হ'ল। শকুনিয়ে যুধিষ্ঠিৰক কলে "আজি আমাৰ এই খেলৰ পণ হ'ল, যি পক্ষই খেলত হাৰিব সেই পক্ষই পহুচাল পিন্ধি বাৰবছৰ বনবাস আৰু এবছৰ অজ্ঞাতবাস কৰিব। তেৰবছৰৰ পাচত সেই পক্ষই ৰাজ্য ঘূৰাই পাব। অজ্ঞাতবাসৰ এবছৰৰ ভিতৰত যদি কোনোৱে তেওঁলোকক বিচাৰি পায় আৰু প্ৰকাশ কৰি দিয়ে তেন্তে আকৌ বাৰবছৰলৈ তেওঁলোকে বনত বাস কৰিব লগিব"।

সভাৰ সভ্যসকল উদ্বিগ্ন হৈ উঠিল; এজনে কলে "হে কৌৰৱগণ। তোমালোকে ধৰ্ম্মৰাজ যুধিষ্ঠিৰক এই ভয়ঙ্কৰ সৰ্ব্ব-ধ্বংসকাৰী কূট পাশাখেললৈ আহ্বান কৰিছা; ইয়াৰ পৰিণাম অতি ভয়াবহ আৰু শোচনীয় হব, তাত কোনো সন্দেহ নাই। ৰজা যুধিষ্ঠিৰে শকুনিৰ মায়াবল জানি শুনিও কিয় এই পণত মান্তি হৈছে আমি বুজি পোৱা নাই। জীৱ-জন্তুৰ সোণৰ শৰীৰ হব নোৱাৰে বুলি জানিও শ্ৰীৰামচন্দ্ৰই যেনেকৈ সোণৰ মৃগ খেদি ফুৰিছিল, যুধিষ্ঠিৰেও তেনেকৈ মোহগ্ৰস্ত হৈ কূট-কৌশলী শকুনীৰ লগত পাশা খেলিবলৈ মান্তি হৈছে"।

যুধিষ্ঠিৰে কলে "হে সুধীবৃন্দ! মই কেতিয়াও মোৰ ধৰ্ম্ম

পৰিত্যাগ নকৰোঁ। শকুনিয়ে যেতিয়া মোক পাশাখেললৈ আহ্বান কৰিছে, ক্ষত্রিয় ধৰ্ম্মানুসৰে মই অৱশ্যে তেওঁৰ আমন্ত্রণ গ্রহণ কৰিম। শকুনি ! তুমি এতিয়া খেলা আৰম্ভ কৰাঁ"।

শকুনিয়ে কৌশল আৰু দক্ষতাৰে সৈতে পাশা নিক্ষেপ কৰিলে। শকুনিৰে জয় হ'ল।

পাণ্ডৱসকলে বনলৈ যাবলৈ প্রস্তুত হৈ-পহুচাল পিন্ধিলে। এনেতে দুঃশাসনে আহি কলে "আজিৰ পৰা এই সসাগৰা ধৰণীৰ অধীশ্বৰ দুৰ্য্যোধনেই হ'ল। পাণ্ডৱবোৰে ধন-গৌৰৱত মত্ত হৈ কৌৰৱবোৰক উপহাস কৰিছিল ; আজি সিহঁতে বনত বাস কৰিব লগীয়া হ'ল"। এইবুলি ক্ষন্তেক ৰৈ তেওঁ আকৌ কলে "দ্রূপদ ৰজাই পাণ্ডৱবোৰক কন্যাদান কৰি একো পুণ্য সঞ্চয় কৰিব নোৱাৰিলে ; কিয়নো পাণ্ডৱবোৰ ক্লীৱ। হে দ্রৌপদী ! যিসকল অতুল ঐশ্বৰ্য্যশালী মহাপ্ৰাক্ৰমী বীৰ এই কৌৰৱ সভাত উপস্থিত আছে, তাৰে এজনক তোমাৰ স্বামীৰ পদত বৰণ কৰি লোৱাঁ"।

ভীমে খঙত গৰ্জ্জি উঠিল। তেওঁ কলে "হেৰ পাপিষ্ঠ ! তোৰ বাক্যবাণেৰে আমাৰ এতিয়া যেনেকৈ মৰ্ম্মভেদ কৰিছে, ৰণস্থলত তেনেকৈ বক্ষ-বিদীৰ্ণ কৰি তোৰ ৰক্ত পান কৰিম"। এইবুলি ভীমে, সভাৰ বাহিৰলৈ খোজ লোৱা যুধিষ্ঠিৰ, দ্রৌপদী, অৰ্জ্জুন, নকুল আৰু সহদেৱৰ লগ ললে। তেওঁলোক আগবাঢ়ি গৈ আছে ; এনেতে দুৰ্য্যোধনে আহি ভীমে খোজ কঢ়া ভঙ্গি দেখুৱাই তেওঁলোকৰ পাচে পাচে যাব ধৰিলে। ভীমে উভতি চাই বজ্র-গম্ভীৰ সুৰেৰে কলে "হেৰ দুৰাত্মা দুৰ্য্যোধন ! মই তোক সবংশে নিধন কৰিছোঁ—এই কথা ভালকৈ জানিবি। মই এই সভাত আকৌ প্রতিজ্ঞা কৰি কৈছোঁ, যদি আমি যুদ্ধত লিপ্ত হবলগীয়া হওঁ তেন্তে অৰ্জ্জুনে কৰ্ণক আৰু সহদেৱে শকুনিক নিধন কৰিব ; আৰু মই গদাযুদ্ধত এই দুৰ্য্যোধনক সংহাৰ কৰি

তাক মাটিত বগৰাই দিম আৰু সিংহৰ দৰেকৈ এই দুৰাত্মা দুঃশাসনৰ ৰক্তপান কৰিম”।

অৰ্জ্জুনে কলে “হে বৃকোদৰ ! তোমাৰ নিয়োগ অনুসৰি যুদ্ধত মই কৰ্ণক অৱশ্যে নিধন কৰিম আৰু যিবোৰ ৰজাই মোৰ প্ৰতিদ্বন্দ্বী হৈ থিয় হব সেই সকলোবোৰকে মই যমৰ ঘৰলৈ পঠাম। হিমাচল যদি বিচলিত হয়, সূৰ্য্য যদি নিষ্প্ৰভ হয়, চন্দ্ৰৰ কিৰণ যদি উত্তপ্ত হয়, তেতিয়াও মোৰ প্ৰতিজ্ঞাৰ লৰচৰ নহব। দুৰ্য্যোধনে যদি তেৰবছৰৰ পাচত সসন্মানে আমাৰ ৰাজ্য ঘূৰাই নিদিয়ে তেন্তে অৱশ্যে মই মোৰ প্ৰতিজ্ঞা পূৰণ কৰিম”।

সহদেৱে কলে “হেৰ শকুনি ! তই যে সকলোকে পাশাৰ গুটি বুলি ভাবিছ, তেনে নহয়। এইবোৰ তোৰ কাৰণে সঞ্চিত মৃত্যুবাণ। মহাবীৰ ভীমৰ আদেশ শিৰোধাৰ্য্য কৰি মই তোক সবান্ধৱে নিধন কৰিম”।

নকুলে কলে “যিবোৰ দুষ্ট ধাৰ্ত্তৰাষ্ট্ৰই দ্ৰৌপদীৰ প্ৰতি কঠোৰ বাক্য প্ৰয়োগ কৰিছিল সেইসকলোবোৰকে মই নিৰ্ম্মূল কৰিম”।

এনেকৈ পাণ্ডৱসকলে নিজৰ নিজৰ ভয়ানক কঠোৰ কৰ্ত্তব্যৰ কথা জ্ঞাপন কৰি মহাৰাজ ধৃতৰাষ্ট্ৰৰ ওচৰলৈ আহিল। যুধিষ্ঠিৰে সকলোকে অভিবাদন জনাই কলে “এতিয়া মই বৃদ্ধ পিতামহ, মহামতি বিদুৰ, আচাৰ্য্য দ্ৰোণ আৰু কৃপ, আচাৰ্য্য পুত্ৰ অশ্বত্থামা, মহাৰাজ ধৃতৰাষ্ট্ৰ, সঞ্জয় আৰু ধৃতৰাষ্ট্ৰৰ পুতেক সকলৰ পৰা বিদায় লবলৈ আহিলোঁ। এতিয়া আমি যাওঁ; আকৌ ঘূৰি আহিলে আপোনালোকৰ লগত দেখা হব”।

পিতামহ ভীষ্মকে আদি কৰি সকলোৱে লাজতে তলমূৰা হৈ বহি থাকিল।

বিদুৰে কলে “যুধিষ্ঠিৰ ! কুন্তীদেবী বয়স্থা হৈছে; বনবাসৰ ক্লেশ তেওঁ সহিব নোৱাৰিব। তেওঁক মোৰ লগতে থৈ যোৱা; মই তেওঁক যতনেৰে ৰাখিম। হে প্ৰিয় পাণ্ডৱগণ! তোমালোকৰ সৰ্ব্বত্ৰ মঙ্গল হওক”।

যুধিষ্ঠিৰে কলে "হে পিতৃব্য ! আপুনি আমাৰ পৰম গুৰু আৰু আমি আপোনাৰ একান্ত বাধ্য। আপুনি যি আদেশ কৰিছে সেয়ে হব। আপোনাৰ আৰু যদি কিবা আদেশ থাকে কওক"।

বিদুৰে কলে "বৎস যুধিষ্ঠিৰ ! সদায় মনত ৰাখিবা, অধৰ্ম্মাচৰণ কৰি কোনোৱে জয়লাভ কৰিব নোৱাৰে। তুমি ধৰ্ম্মজ্ঞ, অৰ্জুন যুদ্ধজয়ী, ভীম অৰিকুল নাশক, নকুল অৰ্থ সংগ্ৰাহী, সহদেৱ সংযমী, ধৌম্যব্ৰহ্মবিদ্ আৰু দ্ৰৌপদী ধৰ্ম্মচাৰিণী। তোমালোক সকলোৰে মঙ্গল হওক। নিৰ্বিঘ্নে উভতি আহাঁ গৈ, আকৌ দেখা হব"।

পাণ্ডৱসকলে সকলোকে অভিবাদন জনাই গুচি গ'ল।

দ্ৰৌপদীয়ে বিষণ্ণ মনেৰে কুন্তীৰ ওচৰত থিয় হৈ স্বামী সকলৰ লগত বনবাসী হবলৈ কুন্তীৰ অনুমতি প্ৰাৰ্থনা কৰিলে। কুন্তীয়ে শোকত আকুল হৈ অতি কষ্টেৰে দ্ৰৌপদীক কলে "আই-দুখত পৰিলা বুলি তুমি শোকত অধীৰ নহবা। তুমি সাধ্বী, সুশীলা, স্ত্ৰীধৰ্ম্মাভিজ্ঞা আৰু সদাচাৰিণী। স্বামীৰ প্ৰতি কেনে ব্যৱহাৰ কৰিব লাগে সেই কথা আজি তোমাক নকলেও হব। বনত সদায় সহদেৱক ৰক্ষণাবেক্ষণ কৰিবা; চাবা, সি যেন এই দুখত ম্ৰীয়মান নহয়। দ্ৰৌপদীয়ে কুন্তীক প্ৰণাম কৰি "দেৱী ! আপোনাৰ আদেশ মই সদায় মনত ৰাখিম" বুলি কৈ চুলিমেলি লৈ প্ৰস্থান কৰিলে।

কুন্তীয়ে কান্দি কান্দি আপোনমনে কব ধৰিলে "হাঁয় ! বিধিৰ কি নিদাৰুণ বিধান। যিসকলে অধৰ্ম্মপথত কেতিয়াও পদাৰ্পণ কৰা নাই, যাগ-যজ্ঞৰ অনুষ্ঠানৰ কাৰণে যিসকল সদায় তৎপৰ, সেই উদাৰ স্বভাৱ আৰু সকলো গুণেৰে বিভূষিত মোৰ পুত্ৰ সকলৰহে এনে শোচনীয় ভাগ্য বিপৰ্য্যয় হবলৈ পালে। এইবোৰ নিশ্চয় মোৰেই ভাগ্যদোষত হৈছে" !

পাণ্ডৱবোৰে বনলৈ যাত্ৰা কৰিলে। প্ৰৱঞ্চনা কৰি ৰাজ্য-ভ্ৰষ্ট কৰা কাৰণে যুধিষ্ঠিৰৰ চকুদুটা জুই জ্বলা দি জ্বলিব ধৰিলে। যুধিষ্ঠিৰৰ ভয় হল, সেই দৃষ্টিত সকলো ধ্বংস হৈ যাব; সেই কাৰণে তেওঁ চকুত কাপোৰৰ আৱৰণ দি লাহে লাহে আগবাঢ়ি যাব ধৰিলে।

বাহুবলদৰ্পিত ভীমে দুৰ্য্যোধন আৰু দুঃশাসনৰ কথাবোৰ স্মৰণ কৰি দুই বাহু আগবঢাই দি বাহুৰ ফালে চাই চাই যাব ধৰিলে। তেওঁ মনে মনে ভাবি গৈছে, তেৰ বছৰ অন্তত এই দুই বাহুৰে ধৃতৰাষ্ট্ৰৰ পুতেকবোৰক এটা এটাকৈ সংহাৰ কৰিব।

অৰ্জুনে বাটে বাটে বালু চটিয়াই গৈছে, তেওঁ মনে মনে ভাবিছে—এই বালু বৰ্ষণৰ নিচিনা যুদ্ধক্ষেত্ৰত তেওঁ বাণ বৰ্ষণ কৰি কুৰুকুল ধ্বংস কৰিব।

নকুলে মুখত ৰং সানি গৈছে। তেওঁৰ ভূৱনমোহন ৰূপ দেখি কোনো নাৰীয়ে যেন কষ্ট নাপায়, এই ভাবি তেওঁ তেওঁৰ ৰূপৰ জ্যোতি ম্লান কৰি লৈছে। যাতে কোনোৱে দেখিলে চিনি নাপায় তেনেকৈ সহদেৱে মুখমণ্ডল আবৃত কৰি গৈছে।

মুক্তকেশী দ্ৰৌপদীয়ে কৈ গৈছে "যিসকলৰ চক্ৰান্তত মোৰ আজি এনে অৱস্থা হৈছে, সেইবোৰৰ পত্নীবোৰে এনেকৈ ঋতুস্নান কৰি মৃত পতীসকলৰ তৰ্পণ দি আউলি-জাউলি হৈ ঘৰ সোমাব"।

কুশ হাতত লৈ পুৰোহিত ধৌম্যই গাই গৈছে "কুৰুকুল ধ্বংস হলে কুৰুকুলৰ গুৰুজনসকলে এনেকৈ সামবেদ গাব"।

প্ৰজাসকলে কান্দি কান্দি কৈছে "পাণ্ডৱহীন হৈ এতিয়া আমি অনাথ হলোঁ। উল্কাপাত আৰু বিনামেঘে বজ্ৰপাত হ'ল। ভূমিকম্পত পৃথিবী কঁপি উঠিল!

কৌৰৱবোৰে পাণ্ডৱ ৰাজ্যৰ ভাৰ দ্ৰোণাচাৰ্য্যৰ হাতত দিলে। দ্ৰোণাচাৰ্য্যই কলে "হে কৌৰৱবৃন্দ! মই তোমালোকক আজি

পৰিত্যাগ কৰিব নোৱাৰোঁ; কিন্তু মই তোমালোকক সতর্ক কৰি দিলোঁ, মোৰ মৃত্যু ওচৰ চাপি আহিছে। দ্রুপদ ৰজাই মোৰ মৃত্যু সাধনৰ বাবে যজ্ঞ কৰি ধৃষ্টদ্যুম্নক পুত্ররূপে লাভ কৰিছে; এই ধৃষ্টদ্যুম্নই মোৰ কালান্তক হব। তোমালোকৰ এই আত্মতৃপ্তি ক্ষণস্থায়ী। তেৰ বছৰ পূর্ণ হলে তোমালোক ভয়ঙ্কৰ দুর্য্যোগৰ সন্মুখীন হবা। এই অৱসৰতে দান, যজ্ঞ, তপ জপ আৰু ঐশ্বর্য্য ভোগ কৰি লোৱাঁ"।

এই কথা শুনি ধৃতৰাষ্ট্রই মনে মনে চিন্তা কৰিব ধৰিলে 'ধর্ম্মচাৰিণী, ৰূপযৌবনশালিনী, পাণ্ডৱ প্রণয়িনী পাঞ্চাল ৰাজ-নন্দিনীক দুৰাত্মা দুঃশাসনে যেতিয়া চুলিত ধৰি সভালৈ টানি আনিছিল, তেতিয়া ভৰতবংশীয় মহিলাসকলে আৰু সমস্ত প্রজা-মণ্ডলীয়ে কান্দোনৰ ৰোল তুলিছিল। ৰাজ্যত ব্রাহ্মণসকলে সিদিনা সন্ধিয়াৰ হোম বন্ধ কৰি ক্রুদ্ধ হৈ উঠিছিল। ৰথশালাত ৰথ-বোৰ এনেয়ে পুৰি ভস্ম হৈছিল আৰু দেৱমন্দিৰত গাধই ডেডাইছিল আৰু শিয়ালে 'হোৱা' দিছিল। আকাশত উল্কাপাত, সূর্য্যগ্রহণ আদি সকলো অমঙ্গলৰ দৃশ্য দেখা গৈছিল। কুৰুবংশৰ বোধহয় ইমানতে শেষ হ'ল।" ধৃতৰাষ্ট্রই এনেকৈ মনতে চিন্তা কৰি আছে; এনেতে দেৱর্ষি নাৰদে তেওঁৰ আগত উপস্থিত হৈ কলে 'আজিৰ পৰা তেৰবছৰৰ পাচত দুর্য্যোধনৰ অপৰাধত ভীম আৰু অর্জুনৰ হাতত কুৰুকুল ধ্বংস হব"।

এই কথা কৈ দেৱর্ষি নাৰদ অন্তর্দ্ধান হল। তেওঁৰ বীনৰ সুৰ আকাশত ভাহি উঠিল—

**য'তে ধর্ম্ম, ত'তে জয়, য'তে কৃষ্ণ ত'তে জয়।**
**য'তে ধর্ম্ম ত'তে কৃষ্ণ, য'তে কৃষ্ণ, ত'তে জয়॥**